# ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ ঃ ডিজিটেল আৰু অনলাইন শিক্ষা

জুৰী দাস
সহায়ক অধ্যাপিকা, শিক্ষা বিভাগ

পৰিস্থিতি আৰু প্ৰয়োজন সদায় পৰিৰ্বতনশীল। এই পৰিৰৰ্তিত পৰিস্থিতি আৰু বাস্তৱ প্ৰয়োজন পূৰণ কৰিবলৈ নতুন প্ৰচেষ্টাৰ প্ৰয়োজন। সাম্প্ৰতিক সময়ৰ মহামাৰী পৰিস্থিতিয়ে দেখুৱাই দিছে যে, প্ৰয়োজন সাপেক্ষে পৰম্পৰাগত আৰু সংবদ্ধ শিক্ষা সম্ভৱ নহ'লে গুণগত বিকল্প শিক্ষা ব্যৱস্থাৰে আমি সাজু থাকিব লাগিব। সাম্ভাব্য জটিলতা আৰু বিপদসংকুলতাক স্বীকাৰ কৰি লৈ সেয়েহে শিক্ষানীতি ২০২০য়ে প্ৰযুক্তিৰ সুবিধাসমূহক কাৰ্যকৰী ব্যৱস্থা হিচাপে চিহ্নিত কৰিছে। অনলাইন আৰু ডিজিটেল শিক্ষাৰ প্ৰয়োগৰ ক্ষেত্ৰত লাভ কৰিব পৰা সুবিধাসমূহক কাৰ্যকৰী ব্যৱস্থা হিচাপে চিহ্নিত কৰিছে। অনলাইন আৰু ডিজিটেল শিক্ষাৰ প্ৰয়োগৰ ক্ষেত্ৰত লাভ কৰিব পৰা সুবিধাসমূহ চিহ্নত কৰা আৰু নেতিবাচক দিশসমূহ বিচাৰি উলিয়াই সুপৰিকল্পিত আৰু যথোপযুক্ত পৰীক্ষামূলক অধ্যয়নৰ জৰিয়তে তাক সমাধান কৰাটোৱেই হ'ল সময়ৰ আহ্বান। কম্পিউটাৰৰ সহজলভ্যতা, প্ৰযুক্তি ব্যৱহাৰত সমতা আৰু দক্ষতা। বিদ্যালয় আৰু উচ্চ শিক্ষাৰ সকলো স্তৰতে ডিজিটেল আৰু অনলাইন শিক্ষা প্ৰয়োজনীয়তা আৰু প্ৰত্যাহ্বানৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় শিক্ষানী তি ২০২০য়ে কেতবোৰ উপায় আগবঢ়াইছে। এই উপায়সমূহ হ'ল—



**অনলাইন শিক্ষা ব্যৱস্থাৰ পৰীক্ষামূলক অধ্যয়ন ঃ**

NEFT, CIET, NIOS, GNOU, IIT, NIT আদি প্ৰতিষ্ঠানসমূহে অনলাইন আৰু ডিজিটেল অধ্যয়নৰ সুবিধাসমূহ মূল্যায়নৰ লগতে নেতিবাচক দিশবোৰ চিনাক্ত কৰি ন্যূনতম কৰি।

**অনলাইন শিক্ষা মঞ্চ ঃ**

SWAYAM, DIKSHA, SWAAM, PRABHA আদি শিক্ষক সমাজৰ ব্যৱস্থাৰোপযোগী, সহায়কাৰী অনলাইন মঞ্চৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ প্ৰতি তত্ত্বাৱধান কৰা।

**ডিজিটেল অসমতাৰ সৈতে মোকাবিলা ঃ**

ভাৰতবৰ্ষৰ এক বুজন অংশই ডিজিটেল আহিলা ব্যৱস্থা গ্ৰহণ পৰা বঞ্চিত। সেয়েহে গণ মাধ্যম যেনে— ৰেডিঅ', টেলিভিছন, আঞ্চলিক ৰেডিঅ' আদিৰ দ্বাৰা সেইসকল বঞ্চিত শিক্ষাৰ্থীৰ বাবে অবিৰতভাৱে শৈক্ষিক অনুষ্ঠানসমূহ বিভিন্ন ভাষাত প্ৰচাৰ কৰা।

**শ্ৰাব্য গৱেষণাগাৰ ঃ**

শিক্ষকনৰ মনোবৈজ্ঞানিক দিশৰ প্ৰতি গুৰুত্ব ৰাখি ব্যৱহাৰিক বিষয়সমূহ প্ৰচলিত ই শিকন মঞ্চ, যেনে— SWAYAM, DIKSHA, SWAYAM PRABHA আদিয়ে উপযুক্ত শ্ৰাব্য গৱেষণাগাৰ প্ৰস্তুত কৰি তুলিব লাগিব।

**শিক্ষক প্ৰশিক্ষণ আৰু উদ্‌গনিমূলক বঁটা ঃ**

শিক্ষাৰ্থীকেন্দ্ৰীক শিক্ষা পদ্ধতি আৰু উন্নতমানৰ অনলাইন পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ শিক্ষক সমাজক উপযুক্ত প্ৰশিক্ষণ প্ৰদান কৰা আৰু শিক্ষকে নিৰ্মাণ কৰা অনলাইন পাঠ্যক্ৰমৰ গুণগত মান বিচাৰ কৰি উদ্‌গনিমূলক বঁটা প্ৰদান কৰা।

**সংমিশ্ৰিত শিকন আৰ্হি ঃ**

এই নীতি অনুসৰি ডিজিটেল আৰু অনলাইন শিক্ষা প্ৰচাৰৰ লগতে প্ৰত্যক্ষ শিক্ষা ব্যৱস্থাৰ গুৰুত্ব অপৰিসীম। সেয়েহে এই প্ৰয়োজনীয়তা পূৰণৰ বাবে সংমিশ্ৰিত শিকন আৰ্হিত গুৰুত্ব দিব লাগিব।

**মান নিৰূপণ ঃ**

অনলাইন আৰু ডিজিটেল ক্ষেত্ৰৰ গৱেষণাৰ সমান্তৰালভাৱে NEFT আৰু অন্যান্য অনুষ্ঠানে ডিজিটেল অনলাইন শিকন তথা শিকনৰ পাঠ্যক্ৰম, প্ৰযুক্তি আৰু শিকন পদ্ধতিৰ মান নিৰূপক স্থাপন কৰিব।

**পাঠ্যক্ৰম প্ৰস্তুতকৰণ, ডিজিটেল সংগ্ৰহালয় আৰু বিতৰণঃ**

ডিজিটেল পাঠ্যক্ৰম, শিকন ক্ৰীড়া আৰু উদ্দীপক সংবৰ্ধিত বাস্তৱিকতা (Augmented reality) আৰু পৰিদৃশ্যমান বাস্তৱিকতা (Vertual reality) আদি অধ্যয়ন সামগ্ৰীসমূহ ডিজিটেল সংগ্ৰহালয় ৰাজহুৱা ব্যৱস্থাত উপলব্ধ হ'ব আৰু এই ডিজিটেল সংগ্ৰহালয়ত উপলব্ধ সামগ্ৰীসমূহৰ গুণ আৰু উপযুক্ততা সম্পৰ্কে ব্যৱহাৰকাৰীয়ে ৰাজহুৱাভাৱে মান প্ৰদান কৰিব পাৰিব।

**অনলাইন মূল্যায়ণ আৰু পৰীক্ষা ব্যৱস্থা ঃ**

অনলাইন পৰীক্ষা ব্যৱস্থা আৰু মূল্যায়ণৰ বাবে ৰাষ্ট্ৰীয় মূল্যায়ণ কেন্দ্ৰ বা 'পৰশ', স্কুলবোৰ্ড, NTA আৰু অন্যান্য নিৰ্বাচিত সংগঠনৰ দ্বাৰা মূল্যায়ণৰ আৰ্হি গঠন আৰু নক্সাৰ প্ৰয়োগ কৰা।

**ডিজিটেল বুনিয়াদ ঃ**

শিক্ষাখণ্ড মুকলি, আন্তঃকাৰ্যক্ষম, প্ৰগিতিশীল, ৰাজহুৱা ডিজিটেল বুনিয়াদ নিৰ্মাণত বিনিয়োগ কৰা।

ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে ডিজিটেল আৰু অনলাইন শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত আগবঢ়োৱা পৰামৰ্শাৱলীসমূহ অতিকৈ গুৰুত্বপূৰ্ণ। ক'ভিড পৰিস্থিতি আৰু ডিজিটেল। অনলাইন শিক্ষা ব্যৱস্থাত থকা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ হ'লে এই নীতিয়ে আগবঢ়োৱা পৰামৰ্শাৱলীসমূহ প্ৰয়োগকৰণত গুৰুত্ব প্ৰদান কৰিব লাগিব। প্ৰযুক্তিবিদ্যা শিক্ষাৰ লক্ষ্য নহয়, কিন্তু শিক্ষাৰ লক্ষ্যত উপনীত হোৱা আৰু গুণগত মানদণ্ড উন্নত কৰাৰ বাবে প্ৰযুক্তিবিদ্যাৰ অৰ্থাৎ অনলাইন বা ডিজিটেল শিক্ষা ব্যৱস্থাৰ ভূমিকা অপৰিসীম।

□□□



আঠচল্লিশ সংখ্যক বঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

# Responsible consumption for mitigating climate change Questioning consumption: A way to mitigate climate change

**Ujjal Pratim Dutta**
Asstt. Professor

The trend of environmental degradation across the world has become one of the most alarming problems of our time. The effects of environment degradation is directly visible in nature Cyclone Amphan in India and Bangladesh, wildfires in California and bushfires of Australia, saline water encroaching paddy fields of Bangladesh are only a few examples in the complicated chain of events triggered due to climate change. Limited natural resources such as water, land, and forests are being overexploited. UN IPCC (Intergovernmental Panel on Climate Change) has concluded in its Fifth Assessment that this imbalance or change in climate triggered by human actions is mainly due to excessive burning of fossil fuel and agriculture.

Since the industrial revolution in the 1850s, our energy use has increased 25 times to fulfil the ever-rising demands for human growth. Land under habitation and cultivation has increased threefold while freshwater usage has increased by 10 times. This process has led to the destruction of 30% of the forest cover and wiped out 60% of the species. This unsustainable consumption is the root cause of pollution and ecological destruction, which fuels the climate crisis.

Globally, the middle-income group grew by 5%, upper middle income by 2%, and the high income group by 1% between 2001 and 2011, as per a report by Pew Research Centre. As more people around the world experience upward mobility and become affluent, the problem is worsening. The accumulation of things in our homes and offices has a direct bearing on the environment. Clothes, food, and other objects that we buy over time, expecting to meet our needs or for future consumption, does not always arise out of necessity. This gives way to a consumerist culture wherein blind consumption encourages further manufacturing of goods.

This propulsion towards a materialist Society today is guided by a desire to showcase wealth in the form of bigger house, number of cars, number of foreign trips, and so on to determine one's success. In the pursuit of "success," we tend to overlook the negative externalities or social costs imposed on others by our conspicuous consumption of goods.

According to a study published in Nature Communication, titled "Scientists' warning on affluence", overconsumption or irresponsible consumption outweighs any positive effect that technological advances have brought for reducing the adverse environmental impacts over the years. It is evident that the prevailing growth-driven economic system has fuelled consumerism and resulted in inequality, financial instability, and environmental pressure on vital earth support systems.

An appropriate outlook to address this problem is the widely accepted A-S-I (Avoid-Shift Improve) Framework outlined by Creutzig et al. (2018). This approach consists of three pillars, i.e., avoid/reduce, shift/maintain and improve. The first pillar allows us to make an informed choice

between superfluous and necessary consumption. Efforts for reducing superfluous consumption may range from curtailing living spaces, and food wastage to promoting responsible behaviour by encouraging public transport and adopting sustainable lifestyle patterns. Technology can be leveraged to bring about changes by increasing the life span of goods as well as sharing and repairing instead of buying new.

The second pillar emphasises that consumption patterns need to shift from carbon-intensive goods and services to environmentally friendly ones. For instance, we do not need own cars to drive us around always. Carpooling and cab sharing for office is the recent trend among city dwellers. Public transport and sharing of vehicles as far as possible can reduce a considerable amount of emissions. Further, fewer cars on the road would imply reduced traffic jams andlesser fuel consumption, and, more importantly, lower the costs associated with carbon emissions.

With the advancement of technology, achieving the third pillar has become easier. Apart from being an environment friendly, electric vehicles are becoming faster and more sophisticated by the day. In addition, improving operational efficiency and increasing the attractiveness of public transport is the key to encourage people to opt for them. Additionally, improvement of the energy sources required for their operation is critical. Therefore, these three pillars of the framework are vital for achieving the goals of the Paris Agreement.

This framework can be implemented in different aspects of our daily life. For instance, plastic, in various forms, has become an essential item because it is durable, lightweight, and cheap. Reducing its usage, wastage, and recycling it is the need of the hour. Single-use plastic is a major challenge which could be combatted by carrying own grocery bags to the market, reducing the use of straws, and using paper cups for beverages. This can go a long way in helping to reduce its usage.

Through different initiatives, the United Nations have always stressed on the idea of responsible consumption and sustainable production as key strategies to ensure a safer and greener planet for all. In the present economic system, demand drives production. We, the consumers, can bring a change by making the right choices. Consumers' purchasing decisions collectively can play a vital role in motivating producers to create sustainable products. The economic system needs to be supported by innovative business models that encourage sharing and giving economies based on cooperation instead of competition. Community-based local economies and policy-level support from governments will go a long way in fostering a culture of sufficiency, care, solidarity, and simplicity.

□□□





# অন্ধবিশ্বাস, অজ্ঞানতা আৰু ডাইনী প্ৰথাৰ বিৰুদ্ধে

দীপজ্যোতি দাস
পঞ্চম যান্মাসিক



আসন্ন বিপদৰ পৰা কোনো মতে সাৰি আহিছিল মহিলাগৰাকী। ভিতৰুৱা গাওঁখনৰ অন্ধবিশ্বাসী এচাম দুষ্টলোকৰ প্ৰৰোচনাত পৰি মহিলাগৰাকীক ডাইনী আখ্যা দি আক্ৰমণ কৰিবলৈ সাজু হৈছিল। কিন্তু সেই আক্ৰমণৰ পৰা হাত সাৰি আহি ক্ষান্ত নাথাকিল তেওঁ। আৰম্ভ কৰিলে এক যুদ্ধ। অন্ধবিশ্বাস, অজ্ঞানতা আৰু ডাইনী প্ৰথাৰ বিৰুদ্ধে এক যুদ্ধ। এখন ভিতৰুৱা গাঁৱৰ জনজাতীয় এই মহিলাগৰাকী আজি বিশ্ববিখ্যাত শান্তিৰ ন'বেল বঁটাৰ বাবে মনোনীত প্ৰথমগৰাকী অসমীয়া বীৰুবালা ৰাভা। বীৰুবালা ৰাভা এনে এগৰাকী নাৰী যি এক প্ৰতিবাদী কণ্ঠৰূপে থিয় দি সোণোৱালী ইতিহাসত নিজৰ নাম লিপিবদ্ধ কৰায়ে নহয় সমাজৰ বাবে এক আদৰ্শস্বৰূপ হৈ উঠিছে।

গোৱালপাৰা জিলাৰ অতি ভিতৰুৱা অঞ্চল ঠাকুবিলা গাঁৱৰ বীৰুবালা ৰাভাই ডাইনী, অন্ধবিশ্বাস, কু-সংস্কাৰক মষিমূৰ কৰাত এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে। বীৰুবালা ৰাভা অকল গোৱালপাৰা জিলাৰে নহয় সমগ্ৰ ৰাজ্যৰ বাবে অমূল্য সম্পদ। কিয়নো আজি যতেই অন্ধবিশ্বাস, ডাইনী সমস্যাই গা-কৰি উঠিছে, তাতেই বীৰুবালা ৰাভা থিয় দি জনসাধাৰণক সেৱা আগবঢ়াইছে।

**৩৫ বছৰ আগৰ বীৰুবালা ৰাভা**

আজিৰ পৰা উভতি যাব লাগিব প্ৰায় ৩৫ বছৰ আগলৈ। তেতিয়া সময় আছিল ১৯৮৫ চন। বীৰুবালা ৰাভাৰ নিজৰ ভাষাত— 'সামাজিকভাৱে বিবাহ পাশত আৱদ্ধ হোৱাৰ পিচত আমাৰ সংসাৰলৈ প্ৰথম সন্তান ধৰ্মেশ্বৰ আহিল। সৰুতে সি ঠিকেই আছিল যদিও যেতিয়া ধৰ্মেশ্বৰ পঞ্চমমান পালে হঠাতে স্নায়ু ৰোগত আক্ৰান্ত হ'ল আৰু মাজে মাজে মূৰ্চ্ছাও গৈছিল। ওচৰতে পাব পৰাকৈ ডাক্তৰ নাছিল বাবে বহু কষ্ট কৰি গুৱাহাটী মেডিকেল কলেজ হাস্পতাললৈ লৈ গৈছিলো। কিন্তু ধৰ্মেশ্বৰে সিমান সুফল পোৱা নাছিল। সঠিক সময়ত সঠিক চিকিৎসা কৰিব পৰাকৈ আৰ্থিক অৱস্থাও ইমান টনকিয়াল নাছিল। পুত্ৰ ধৰ্মেশ্বৰৰ এনে অৱস্থা দেখি মোৰ দুখ কুলাই-পাচিৰে নধৰা হৈছিল। বেজ, দেওধনীৰো শৰণাপন্ন হৈছিলো। দেওধনিয়ে মঙ্গল চাই কৈছিল যে ধৰ্মেশ্বৰৰ গাত পৰী লাগিছে আৰু পৰীজনী বৰ্তমান গৰ্ভৱতী হৈ আছে। কাইলৈৰ পৰা পৰহিৰ ভিতৰত পৰীজনীয়ে সন্তান জন্ম দিব আৰু তিনিদিন পিছত ধৰ্মেশ্বৰৰ মৃত্যু হ'ব। পিছে দেওধনীৰ কথামতে ধৰ্মেশ্বৰৰ মৃত্যু নহ'ল, কিন্তু তাৰ অসুখ দিনক দিনে বাঢ়ি গৈ আছিল। ধৰ্মেশ্বৰৰ এনে অৱস্থা দেখি হিয়া ঢাকুৰিয়াই কান্দিছিলো। উপায়হীন হৈ প্ৰশাসনৰ সহযোগত চিকিৎসাৰ বাবে শ্বিলঙলৈ পঠাই দিলো। জীৱিত সত্ত্বেও যৌৱনপ্ৰাপ্ত অৱস্থাত নিজ পুত্ৰক বুকুৰ আঁতৰ কৰিব লগা হোৱাত শোকত ম্ৰিয়মান হৈ পৰিছিলো।'

'এদিন মই নিজেই ডাইনী হৈছিলো'

বৰপুত্ৰৰ বিড়ম্বনাবোৰ মাৰ নৌ যাওঁতেই বীৰুবালা ৰাভাৰ স্বামী এক দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈছিল। গাঁৱৰে এগাৰকী লোকে প্ৰৰোচনা কৰি কৈছিল যে ঘৰৰে বান, ঘৰৰে শান, ঘৰতে ডাইনী, ঘৰতে ভূতুনী। অৰ্থাৎ এই কথাৰ মূলভাৱ এয়েই যে বীৰুবালা নিজেই ডাইনী হৈ নিজ পুত্ৰ আৰু স্বামীক বেমাৰী কৰিছে। পিছে গাঁৱৰ ৰাইজে এনে মন্তব্যৰ ভিত্তিত

মিটিং কৰাত বীৰুবালা ৰাভা আৰু তেখেতৰ স্বামীয়ে সমাজত প্ৰতিবাদ কৰাত ডাইনী অভিহিত কৰাৰ পৰিকল্পনা বহু বাক-বিতণ্ড ব্যৰ্থ হয়।

**বীৰুবালা ৰাভাৰ ডাইনীৰ বিৰুদ্ধে প্ৰথম কণ্ঠ**

১৯৯৯ চনৰ কথা, গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ দদনা মন্দিৰৰ প্ৰাংগণত ৰাজহুৱা সভা হৈছিল। সভাত ঠাকুৰবিলা অঞ্চলৰ ৫গৰাকী মহিলা যুৱতীক ডাইনী সজাই অভিযুক্ত কৰা হৈছিল। কিন্তু সেই সভাত বীৰুবালা ৰাভাই সেই দুৰ্ভগীয়া মহিলাৰ পক্ষে থিয় হৈ 'তেওঁলোক ডাইনী কেতিয়াও হ'ব নোৱাৰে, এয়া এক অন্ধবিশ্বাস বুলি প্ৰথমে প্ৰতিবাদ কৰিছিল। লগতে বীৰুবালা ৰাভাই বুজাই দিছিল যে তেওঁৰ পুত্ৰ ধৰ্মেশ্বৰক দেওধনীয়ে মৰিব বুলি কৈছিল, তেন্তে সি আজি কেনেকৈ জীয়াই আছে? বেজ, দেওধনী এইবোৰ চব ভণ্ড। কিন্তু অতি পৰিতাপৰ কথা এয়ে যে এই আহ্বান, এই প্ৰতিবাদ কণ্ঠৰ বাবে সমাজে তেওঁলোকৰ পৰিয়ালক এঘৰীয়া কৰিছিল।

**এখোজ-দুখোজকৈ আৰম্ভণি**

পৰিস্থিতিৰ লগত মোকাবিলা কৰিব পৰাকৈ বীৰুবালা ৰাভাৰ আছিল অত্যন্ত সাহস। সমাজে এঘৰীয়া কৰিলেও এইগৰাকী যোদ্ধা কিন্তু পিছ পৰি নাথাকিল। ইখনৰ পিছত সিখন গাঁৱলৈ গৈ কেতিয়াবা বহু দূৰ বাট অকলে খোজকাঢ়ি ডাইনী, অন্ধবিশ্বাস যে অযুক্তিকৰ ধাৰণাৰ কথা সেয়া বুজাই গৈছিল। এনেদৰে এগৰাকী নহয় ৩৫ গৰাকী ব্যক্তিৰ জীৱন ৰক্ষাৰ বাবে সাহসেৰে আগভাগ লৈছিল, যাৰ বাবে ডাইনীবিৰোধী অভিযানৰ বাবে ২০০৫ চনত প্ৰজেক্ট ফাউজেণ্ড উইমেনৰ মনোনীত শান্তি ন'বেল বঁটাৰ বাবে মনোনীত প্ৰথম অসমীয়া হোৱাৰ যোগ্যতা অৰ্জন কৰিছিল।

লাহে লাহে বীৰুবালা ৰাভাৰ বিপক্ষে মাত মতাসকলে বুজি উঠে যে ডাইনী বুলি সমাজত কোনো ধৰণৰ কথা নাই, বৰং ই এক অন্ধবিশ্বাসহে মাথোঁন আৰু এনেদৰে সকলোৱে বীৰুবালা ৰাভাক পুনৰ আকোঁৱালী লৈছিল। বীৰুবালা ৰাভাৰ সাহস, সততা, দৃঢ়তা দেখি অসমৰ বহু অঞ্চলৰ যুৱক-যুৱতী, পুৰুষ-মহিলা একে উদ্দেশ্যতে কাম কৰি যাবলৈ অসমৰ বিভিন্ন ঠাইত গৈ জনসজাগতামূলক সভা পাতি অন্ধবিশ্বাস দূৰ কৰাৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই যুঁজৰ অক্লান্ত সৈনিক বীৰুবালা ৰাভা।

❑❑❑





# आस 'खान्दा

**खोमदोन मोसाहारी**
एम.ए. नैथि सेमिस्टार

थिं थिं सान्दुं गोसा, फुं समब्लाबो दिनै सान्दुंआ गुबुन साननिखुइ गोसासिन। सान्दुं गोसाजों जाबजों समायस्रिनि मोखाङ बारा सिनसो मोजा जासिन्दों। फिसाइ मेलाहाल एवनायाव समायस्रिया ओंखाम हैदों। बिसि ओंखाम लाबोनायखौ नुनानै मेब्लाया पावार लाखिथना आखाय आथिं सुना फैनाय फावैनो समायस्रिनि बिदि जाहाबनाय महरखौ नुनानै मेब्लाया एसे जंखायदों... बुरैनि खावलाया माथो गंगार फोरनि बादि जाहाब लायथारदों लै। फिसाइनि बिदि जंखाय नायाव बिजिया रागा जोंनाय बादि जाना ओंखाय थफ्लाखौ आलियाव गोसा सारज्राबना बुंबाय... नोंहा बोराय लायनानैनो लाजिनो रोंलानामा हजों फिसाज्ला आखल मोजाङ आंजोंसो दाउद्ध होगासिनी बिफा ना. बिफोरनि एसेबो उदिस लया मानो। गासैथिंबो बिमायासो दाय दा फिसाया खोथा मानिया लाबो आंखौसो दुसिगोन नोंबो। मा जालायखोसै बिहालाय होनना फिसाया बुंब्ला बिसियानो बुंफिननायसै माजाखो सो होद्रोंनों मेट्रिक खौ सेथि थाखोआव पास जयोब्ला बाइक होसेन होन्दोंमोन माथो होनो हयाब्ला मानोथो खुगा सियामोन। होनो होनब्लानो एफाथाब होनो हाया ना दा दैज्लांनि समाव एफाग्रान रांखौ बहा मोननांगौ जाखो आंलाय। बिदिब्ला होनो होननानै बुंनो नाङमोनना। हायाथो जाखो दालाय बे साननै सोखौनो नेनो हालिया जाला नामा बिहा, नखरावनो दा रांनि आंखाल (मोनांथि) जाना फैदों फैसाथाखा नङब्ला हाजिरा खामलाया औरैनो फैगोन नामा।

फिसायनि बिदि रागा जोंनायखै नुनानै समायस्रिया एसे गुरै जानानै बुंनाय सै... दा मोनयाव हाय बुजायदो आंनि सिगांआवल गोब्रामबाय थायो बिबादि बुंनानै ओंखाम थफ्लाखौ लानानै थांनायसै।

मोनाबिलि समाव मेब्लाया खामसालियाव जिरायना फालिजों थाम्फै बुज्रावबाय थादों। बुंनो थाङेब्ला बिरखां आ बिमा बिफानि नायल जाल सासेल फिसाज्ला बिखानि खावसे बाहागो। बेखायनो बिरखांखौ मोस्रों अरसै थाम्फै अरसै खालाम बोदों। बिमाबिफानि बांद्राय अननाय मोननाय खायनो बिरखांआ एसे अख्रा आखुनि। बे समाव बिरखांआ बबे निफ्रायबा फैनानै नआव हाबफैयो आरो साखाथियाव थानाय सियाराव जिरायफैयो। बेब्लाया फिसाज्ला खौ लासैप सोंनाय सै... बिरखां फिसा नोंलाय एदमिसनखौ बबावथो लानो सानखो?

उदालगुरि कलेजआवसो लाहैगोन सान्दों आं। हाबाब एफा जोजानाव थांस्लाय-स्लाय बेखाथिनि माजबाद कलेजाव लाहै माथो जायो। बिरखांआ ऐसे राग जोंना बुङे मालाय राहुल, अजय, भब्ला मोनहाबो उदालगुरि यावनो लाजोबनो ओंखारदों आंल हारसिं बेयाव फरायहै नांगौ नामा। आंनो बाइकखौ बे सपतासेनि गेजेरावनो नांगौ लै। साननैसो नेथ बावदो दा बे माइ गायनो जाला खामब्ला लानायावनो रां नांगोन। नोंसोर बोथ ऐखायानो सै दुब्लियाव एसे एनै सहाय होनांगौ ना मा होनांगौ। आं बेफोरखौ जेबो मिथिया जेरैखि जाया मानो एदमिसननि सिगां नांगौ आंनो। मानो फार्स्त दिभिसन थांब्ला होगोन होनना बुंनाय। होगोन खैनो बुंखादों माथो आंलाय। नोंखौ आं साननैसोलसो नेनो थिन्दोंदा। नोंबे ओरैनोफास कालामना होननायखौनो गाव आनजाद लिरनानै फास जानायबादि गोब्रामला बायबाय थादों। करनानि थाखायसो बारग बाय। आं बेफोरखौ जेबो मिथिया होननानै बिरखांआ सियारनिफ्राय दुफुंसिखारना गावनि खथायाव हाबहैयो।

कलेजनि गिबि सानखालि बिरखांआ हारसिं बासजों कलेजसिम थादों। अजय, भला मोना मालाय गावसोरनि अनजालि फोरखौ बाइकनि खिबुआव लाबो फादों। मिनायाबो राहुलनि बाइक खिबुआव फैफादों। बिरखांआ मिनाखौ गावजों फैफानो लिदोंमोन नाथाइ साखोलानि बार बादि मिनाया राहुलजों फिउ बिरफा लांदों। मिनाया दाना बिरखांनि कॉल खौबो रिसिफ खालाय बांला एस-एम-एस खौबो रिफ्लाइ होबांलिया, बियो बिरखांखौ बुंखादोंदि नोंबाइक

बायाब्ला आं नोंजो रिलेसन सिफआव थानो हानाय नंला नों आंखौ बावगारदो। दिनै मिनाखौ राहुलजों लोगोसे नुनानै बिरखांनि गोरलै गोसोआ थुब्ला गावस्रानाय बादि मोन्दों उसाव बादाव गोसोखौ लानानै क्लास मोनसेबो खालामालानो थिर गावजानाय मोसाबायदि कलेजनिफ्राय नआव फैफिनना बिमा बिफाजों बिनि रागाया बिमा बिफानि सायाव फा जलवे जाथों दिनै नआवनो थांखाया आंनि मोनसे फिसा बाइक बिनायखौनो होनो हाया, बिसोरनि थाखाय नोआं लाजि फोनां जानांगौ, दिनै आं आंनि गोसोथोनाय जोंबो गारजा नांबाय, बिब्दि होननानै बियो ताउनफारसे थांबाय थानायाव थिरेन, सनजाय मोनखौ गानि सेरनि कालभाराव लोगो मोनहैंयो। बेसोर बेयाव फेग्रा मुवा (पियार, गान्जा, ड्राक्स) लागासिनो दंमोन। बिरखांखौ रागा जोंना गमथाथा थाबाय बोनायखौ नुनानै सनजय आ मा जादों सोनायसै। बिरखांआबो गासै बाथ्राखौनो बिसोरनो खोथानायसै। बिरखांनि बिब्दि बाथ्राखौ खोनानानै थिरेनआ बुंनायसै... बेफोर हिन्जावनि थाखायनो एफा तेनसन जानांगौ नालै नों बेखौ एसेला होमब्लानो बेफोर तेनसनआ खारमोन होनना बियारनि बथलखौ बिरखां निथिं फोलाव हरो। बिरखांआबो शामाजों दुखुजों बिपार बथलखौ थाब हमहरना हां खनसेनो मु-मु लोडो। बिब्दिनो बिरखांआ थिरेन, सनजयमोनजों ज जाना एकलहलनि लैथोआव गोजोमी। ओजोंहाय बिया बिफाया फिसानि बिदि हालोद खौ नुनानै बिमा बिफाया जोबोर जिंगा। एकनब्ला बिमाया ब्रिरखौ दुसियो बाइक बिनाय समाव बाइकखौ होफैयासै ओरैनोबा अख्रा होनना मोनथिखागौ दा नुबायदा बिनि फिथाइखौ। औलै हुरै आं मा खालाम बावनो दे साननैसोने होननाय ऐबो मानियासैब्ला आं गाबोननो हा बिगानै सो फाननालाबो लाबोना होफैथारनो सै मोजांफोर जाफिननो हथनाय बाइक मोनोब्ला। रांआथ गैया नङ दंमोन दाखालिसो पावार तेलर (ट्रेकटर फिसा) गाव्रि जानायाव थांबाय बायना। ट्राथहारकै फानाब्लानो राहा गैला खामब्लाफोरनोबो रां हनांगौ दं लकदाउन जानायनिफ्राय बिसोरनि दामाबो दै बारिनाय बादि बारिदोंसै। जा थैदों जोंबादि आबादारिफोरासो थैनांदों। हे इसोर जा खालामदों नोंनो खालामदोंसै होननानै मेब्लाया दाहानि गोलाव हां बोयो।

मोनाबिलियाव सोमब्ला माहाजोननाव थांनानै बिगानै हानि बेसेन लाना फैयो मेब्लाया। अखानायै फिसाज्लानो बाइकखौ लाबोनानै होफैयो। बाइकखौ मोननाय लोगो लोगोनो बिरखांआ थिरेन सनजयमोनजों लोगोसे बाइकखौ बिथिंनिफ्राय बिथिं साखाव हैयो। बिनि जैलोंनाय निसा जानाया जौबारा निफ्राय बारासो जाबोयो, कलेजआव थांनाय खौथ बियो गोसोआवनो खांला। बिमा बिफाखौ दम होयै होयै फैसाथाख बियो हरनो नागिराब्ला बुग्लुम बुसि खालामनो नागिरो। बिमा बिफाया फिसाखौ लानानै जोबोर जिंगायाव गोग्लैबाय सम-सम बुडै बुडै गाबनो हमबाय... फिसा हौवा खांनायनि ख्रुइ फिसा हिनजाव खांनायानो मोजां जागोमोन नाया, सासेल फिसा हौवा मानसि खालामनो साननायाबो फैमाल जाबाय।

गुबुन सान बादि बिरखांआ बिमानाव मबाइल बायनो फैसां बिदों साननै सिगां बाइकजों गोग्लैनानै मबाइल आ गाव्रि जादों। एफाग्राबमानि रां बिनायाव बिमाया बुडो... आंनावलाइ बहानिफैसा दं। सामफ्रोमबो मानो बिब्दि नखराव सुखु होलिया नों आफा मानो सामफ्रोमबो थाखा फैसानिल दावराव नोंनि हालोदखौ नायदोंनानों माबादि जालांखो, सिखिरि मानसिफोर नोंनि बिदि हालोदखौ नुनानै मिनि बायसै। सामफ्रोमबो सामफ्रोमबो बेफोरबादि थाखा फैसा बहाथो मोनबाय थानांगौ जाखो। बिमानि बिबादि बुंनायाव साखाथियाव थानाय सियाय तेबोलफोरखौ जोख्लाद हरना बुडो फैसा दंना गैया आं जेबो मोनथ्रिया हा फानना हरोना माना हरो आंनो फैसा नांगौ बेखौ मिथिखा, होननानै रागाजों बाइकखौ साखावना ननिफ्राय ओखार लाङो। बे ओंखारलांनायानो ओंखारलांनाय बियो आरो नआव फैफिनाखैसै। दाहा मोना बिमा बिफानि गोरबोखौ बोफ्ले-जोफ्ले खालामना सिनाय मोनै बबेबा मोनसे रावजोआव अरथनि नाखाय छाहैबाय।

□□□





# BIOPLASTIC

**Purnima Swargiary**
3rd Semester



Bioplastics simply refers to plastic made from plantar other biological material instead of petrobium. It is also after called bio based plastic. Bioplastics are produced from renewable biomas sources, such as vegetable fats and oils, corn starch, straw, woodchips, sawdust, recycled foad waste, etc. Same bioplastics are obtained by processing directly from natural biopolymers including polysaccharides (e.g. starch, cellulose, chatoyant and alginate)

Some bioplatics are biodegradable or even compostable, under the right conditions. Bioplastics made from renewable resources can be naturally recyded by biological processes, thus limiting the use of fossil fuels and protecting the environment. Therefore bioplastics are sustainable, biocompatible. But not all the bioplastics are biodegradable.

Today, bioplastics have become a necessity in many induatrial applications such as food packaging agriculture and haryicula in many industrial applications such as food packaging agriculture and horticulture, composting boys and hygiene. It has also some medical uses- Implants such as screws, pins or plates, material for pills and capsules. It can also be processed in very similar ways to petrochemical plastics such as injection moulding, extrusion and thermoforming. So, that these are being used in applications such as thermoformed coffee cuplids, injection moulded disposable cuttery and plates with food containers of all shapes and sizes. Some of the non biodegradable and durable products of bioplastics are Automotive interiors like seats, head rests or arm rusts, mobile phones cases etc. Bioplastics have also found their use in electrical, cosmetics and several other consumer products.

Materials such as starch, cellulose, wood, sugar and biomass are used as a substitute for fossil fuel resources to produce bioplastics; this makes the production of bioplastics a mare sustainable activity compared to conventional plastic prodvction. Bioplastics production significantly reduces greenhouse gas (GHG) emissions and decreases non renewable energy consumption.

Although bioplastics are extremely advantageous because they reduce non renewable consumption and GHG emissions, they also negatively affect the environment through land and water consumption, using pesticide and fertilizer, eutrophication and acidification, hence ones preference for either bioplastics or conventional plastics depend on what one considers the most important environmental impact. □□□

# Marria Montessori

**Nekita Bhowal**

5th Semester



In 1906. Dr. Marria Montessori an Italian educator. Physician and international competition. On the subjects of scientific pedagogy and experimental psychology, was invited to a childcare center in san horizon, a poor, inner-city district of Rome. There she would be working with some of the area's most disadvantages and previously unschooled, children.

She Opened the doors on January 5,1907, calling the enter the case dei Bombini-Habian for 'Children's House'. Dr. Montessori was determined to make the case a duality educational environment for these youngsters, whom money had thought were unable to learn and she did.

Which the children were unruly at first, they soon should great interest in working with puzzles, learning to prepare nedls and clean their environment and engaging in bands on learning experiences, Montessori observed the before long, the children exhibited calm, peaceful behavior, periods of deep concentration of order in caring for their environment.

Utilizing scientific observation and experience gained from her earlier work with young children, Montessori designed unidue learning materials for them, many of which are stile in use in Montessori classrooms today and created a classroom environment that fastered childrens natural desire to learn.

News of the schools success soon spread through Italy. On April 7. 1907 Montessori opened a see and case dei Bombini, also in san harnzo, and on October 18. 1907 in Milan, she opened a third case.

❑❑❑





# HOW RATAN TATA 18 MAKING INDIA GROW

**Bitupan Deka**

B.Com 5th Semester



Usually we know nery well about Ratan tata and his tata grow. He is not a businessman but an industrialis as well as an entrepreneur. Who has given employment to cores Indians.

To grow a country, it necessary to develope economically, educationally and healthily.

Economically : The majon brand of TATA and Indian's second largest company TCS. In these, 2021 Tata earned 842 billion Indian rupees from the American market.

TATA is 50% share holder of 'STAR BUCKS'. So, Tata Rs 5807,99 crore revenue genorat.

TATA's turnover in 2015 was 70% of oldside.

In 2017 TATA pay tax Rs 47.196 crore. It means 2.24% of India's total GDP Is financed by tata's alone.

**Educationally :** Since 1892, Jansetji tata has given many scholarship. Lone etc.

TATA group support Indias 84 educational project with the help of which the lives of 3.6 million teachers and students of 145 districts have been changed.

In this lock down when 1.37 billion children at risk of stopping their studies, then TATA provided 'TCSION' desital classroom. In here, some feature like live classroom, assignment, work seat are provide by TATA.

**Health :** TATA Group has sent Rs. 2.500 crores for covid relief till now.

TATA Group has helped add 3,300 beds in hospitals, participated and increased oxygen capacity by 1,100 metric tomes in very day.

The project 'Annapurna always 12,000 student of 20 school's provide healthy food.

TATA provides mineral water to 6 million people in 7000 villagers of India.

❑❑❑

# মালালা ইউছুফজাই

জুনুমণি নাথ
পঞ্চম ষাম্মাসিক

**আৰম্ভণি** ঃ শিক্ষাৰ প্ৰয়োজনীয় আৰু উপযোগিতা সম্পৰ্কে এই ধাৰণা আৰু মতামত সৰ্বত্ৰে বিয়পাই দিয়া আন্তৰ্জাতিক নাৰী কণ্ঠস্বৰৰ নামেই হৈছে- মালালা ইউছুফজাই। মালালাই শিক্ষাৰ কাৰণে অধিকাৰ, সাহসিকতা আৰু ধৈৰ্যৰ পাঠ আমাক শিকালে। তেওঁৰ মহৎ কৰ্মৰ আৰু উদ্দেশ্যৰ ওচৰত মূৰ দোৱাবলৈ বাধ্য হৈছে।

১৯৯৮ চনৰ ১২ জুলাই তাৰিখে পাকিস্তানৰ এক চুন্নী মুছলমান পৰিয়ালত মালালা ইউছুফজাই জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ-মাতৃ হ'ল ক্ৰমে- জিয়াউদ্দিন আৰু তৰপেকাই আৰু দুই ককায়েকৰ নাম- খুশল আৰু অতল।

**বংশ পৰিচয়** ঃ জন্মসূত্ৰেই মালালাই সততা আৰু ইয়াৰ প্ৰতি থকা বিশ্বাস আৰু সমাজ সচেতনতা লাভ কৰিছিল। মালালাৰ পিতৃ জিয়াউদ্দিন আছিল একেধাৰে এজন সুশিক্ষিত, সমাজ-সচেতন ব্যক্তি আৰু তেখেতৰ নিজাকৈ এখন ব্যক্তিগত বিদ্যালয়ো আছিল। দেউতাকৰ পৰাই মালাই ইংৰাজী, উৰ্দু ভাষা দক্ষতাৰে শিকাৰ সুযোগ লাভ কৰিছিল। সমাজ, ৰাজনীতি আদি বিষয়েও দেউতাকৰ লগত চৰ্চা-আলোচনা হৈছিল মালালাৰ ঘৰতেই।

২০০৪ চনৰ ছেপ্টেম্বৰৰ মালালাই নাৰীশিক্ষা, শিক্ষাৰ অধিকাৰ আৰু প্ৰয়োজনীতাৰ বিষয়ে প্ৰতিবাদী কণ্ঠস্বৰ আৰম্ভ কৰে। 'How dare the Jaliban take away may base right to education. BBCৰ উৰ্দু বাতৰিত তালিবানসকলৰ বৰ্বৰতাৰ বিষয়ে বাতৰি পৰিৱেশনত উদ্যমী হৈ স্কুলীয়া ছাত্ৰী মালালাই দৃষ্টান্তৰ খোজ পেলালে। ইয়াৰ পাছত তালিবানসকলৰ অত্যচাৰ আৰম্ভ হয়। ছোৱালীৰ চৌহদৰ বাহিৰ ওলোৱা নিষিদ্ধ হয়। অমান্য কৰিলে এছিডৰ দ্বাৰা মুখমণ্ডল আৰু শৰীৰ নষ্ট কৰাৰ লগতে নানা ধৰণৰ অত্যাচাৰৰ হুমকি দিয়ে।

'গুলমাকাই' নামে মালালাৰ 'ব্লগ' প্ৰস্তুত হ'ল। তাত প্ৰতিবাদী লিখনি প্ৰকাশ হ'বলৈ ধৰিলে। তালিবানসকলে ছোৱালীৰ বাবে বিদ্যালয় সম্পূৰ্ণ বন্ধ কৰিছিল যদিও স্থানীয়



তালিবান নেতা মওলাল ফজলুল্লাই নিজৰ বেঁতাৰ বাৰ্তাত ছোৱালীবিলাকক কেৱল মাত্ৰ পৰীক্ষা দিবৰ অনুমতি দিয়ে যদিও তেওঁলোকে বোৰ্খা পৰিধান কৰি যোৱাৰ চৰ্ত ৰাখিলে। ২০০৯ চনৰ মাৰ্চত মালালাৰ ব্লগ শেষ হোৱাত মালালাৰ পিতৃক মৃত্যুদণ্ডৰ ভাবুকি দিয়া আৰম্ভ হ'ল।

**তালিবানী আক্ৰমণ** ঃ পৰীক্ষা দি ওভতাৰ পৰত লগৰীয়াসহ মালালাক তালিবান বিদ্ৰোহীসকলে ঘেৰি ধৰি সকলোৰে ওপৰত গুলী চলাবলৈ আৰম্ভ হয়। আন আন ল'ৰা-ছোৱালীৰ লগতে মালালাৰ কপালৰ বাওঁফালে গুলী সোমায় আৰু পাঁচ ঘণ্টা সময় ধৰি চলা অপাৰেচনৰ অন্তত সেই গুলী উলিওৱা সম্ভৱ হয়।

ভয়াৱহ পৰিস্থিতিৰ মাজত বিচৰণ কৰি থকা এজনী ছোৱালী, যাৰ চাৰিওফালে ঘেৰি আছে প্ৰতিকূল বিৰোধিতাৰ বাষ্প। তালিবানৰ হুমকি, অত্যাচাৰ এই সকলোবিলাকৰ সন্মুকত





সমানে দৌৰি থাকি নিজৰ লগতে বিশ্বৰ প্ৰতিটো শিশুৰ শিক্ষাৰ অধিকাৰ আৰু দাবীক বিশ্ববাসীৰ সন্মুখত তুলি ধৰা যি কণ্ঠ তাক প্ৰতিবাদী আন্তৰ্জাতিক নাৰী কণ্ঠস্বৰৰ বাহিৰে কি বুলি আখ্যা দিব পৰা যায়।

২০১৩ চনৰ ১২ জুলাই তাৰিখে তেওঁৰ জন্মদিনৰ এটি অনুষ্ঠানত ১২ জুলাইক তেওঁৰ সৎ উদ্দেশ্য তথা কৃতকৰ্মৰ বাবে 'মালালা দিৱস' হিচাপে ঘোষণা কৰা হয়।

২০১৪ চনৰ ১২ ডিচেম্বৰত মাত্ৰ সোঁতৰ বছৰ বয়সত তেওঁৰ সাহসিকতা, শিক্ষাৰ অধিকাৰৰ বিষয়ে বক্তব্য, নিৰ্ভীক চিন্তাৰ লগতে শান্তিৰ বাৰ্তাবাহক হিচাপে ন'বেল পুৰস্কাৰ লাভ কৰে। মালালা হ'ল পাকিস্তানৰ তৃতীয় ন'বেল জয়ী। ইয়াৰোপৰি মালালা আৰু তেওঁৰ পিতৃয়ে ছোৱালী শিক্ষাৰ বাবে 'মালালা ফাণ্ড' নামৰ এটি সংগঠন গঢ়ি তুলিছিল।

**শিক্ষা** ঃ মালালাৰ স্কুলীয়া জীৱন আৰম্ভ হৈছিল তাইৰ দেউতাকে প্ৰতিষ্ঠা কৰা খুছাল স্কুলখনৰ পৰা। লগৰ বান্ধৱীৰ সৈতে হাঁহি-স্ফূৰ্তি কৰি মালালাই পঢ়া স্কুলখন মালালাৰ অতি আপোন আছিল। তালিবানৰ ভয়ত কোনো ধৰণৰ নামফলক নিদিয়াকৈ তেওঁলোকৰ স্কুলখন চলোৱা হৈছিল। ছোৱালীবোৰে এখন ৰিক্সাত উঠি এখন বিশেষ দুৱাৰেৰে স্কুলৰ ভিতৰত প্ৰৱেশ কৰিছিল।

মালালাৰ জন্মৰ আগতেই দেউতাকে সেইখন স্কুল প্ৰতিষ্ঠা কৰিছিল। মালালাই সপ্তাহৰ ৬টা দিনেই পুৱাতে স্কুললৈ গৈছিল। নৱম শ্ৰেণীৰ ছাত্ৰী হিচাপে মালালাই ৰাসায়নিক সমীকৰণ আৰু ব্যাকৰণবোৰ পঢ়িয়াই বহু সময় পাৰ কৰিছিল। স্বাতত থকা তালিবানসকলে ভাবিছিল যে ছোৱালীবোৰ স্কুললৈ যোৱা উচিত নহয়। এইদৰেই মালালাই খুছাল পাব্লিক স্কুলৰ পৰাই স্কুলীয়া জীৱন আৰম্ভ কৰিছিল আৰু অতি সোনকালেই সমাপ্ত কৰিবলগীয়া হৈছিল তালিবানসকলৰ বাবে।

মালালা ইউছুফজাই অক্সফ'ৰ্ড বিশ্ববিদ্যালয়ৰ পৰা আনুষ্ঠানিকভাৱে স্নাতক ডিগ্ৰী লাভ কৰিছিল। মালালাই লাভ কৰা পুৰস্কাৰ আৰু অন্যান্য বঁটা আদিবোৰ হ'ল—

1. 2011 International Children's peace Prize.
2. 2011 National Youth Prize
3. 2012 Anne Trank Award for Maral Courage.
4. 2013 Hornorary Master of Arts degree Award by the university of Edinlwrgh.
5. 2014 Honorary caradion citizenship.
6. 2015 Grammy Award for Best Children Album.

মালালা ইউছুফজাই প্ৰমাণ কৰি দিলে যে প্ৰতিবাদৰ বাবে অথবা অধিকাৰ দাবীৰ বাবে বয়স এটা মাথোঁ অজুহাত। প্ৰয়োজন মাথো কেৱল মানসিকতা, শিক্ষা, সম্ভৱ আৰু ইচ্ছা শক্তিৰ। তালিবানসকলৰ অত্যাচাৰত তেওঁৰ ভয়, কুণ্ঠাবোধ নাইকিয়া হৈ ইয়াৰ বিপৰীতে প্ৰাণ পাই উঠিছে সাহসিকতা, প্ৰতিকূলতা জয়ৰ ক্ষমতাই।

□□□

# অৰণ্য মানৱ যাদৱ পায়েং

চয়নিকা কলিতা
পঞ্চম ষান্মাসিক



অসাধাৰণ ব্যক্তিত্ব সম্পন্ন এজন মিচিং লোক। সেউজীয়া আৰু প্ৰকৃতিৰ সৈতে যি গঢ়ি তুলিছে এক আত্মিক সম্পৰ্ক। সি সময়ত নিৰ্বনীকৰণে এক ব্যধিৰ দৰে আমাৰ সমাজ তথা প্ৰকৃতিলৈ ভাবুকি কঢ়িয়াইছে, ঠিক তেনে সময়তে প্ৰকৃতি সংৰক্ষণৰ বাবে নিৰলস সাধন কৰি গৈছে যাদৱ পায়েঙে। একনিষ্ঠ সাধনাই আজি যাদৱ পায়েঙক পৰিণত কৰিছে এক জীৱন্ত কিংবদন্তিলৈ।

যাদৱ পায়েঙৰ জন্ম হৈছিল ১৯৬৩ চনত যোৰহাট জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ মাজৰ বৰঘোগ নামৰ এটা চাপৰিত। পিতৃ লক্ষ্মীৰাম পায়েং আৰু মাতৃ আফুলি পায়েং। পৰিয়ালৰ ১৩ টা সন্তানৰ ভিতৰত যাদৱ আছিল তৃতীয় সন্তান। পায়েঙে শৈশৱত লোকৰ ঘৰত থাকি যোৰহাটৰ বালিগাঁৱৰ জগন্নাথ বৰুৱা আৰ্য বিদ্যাপীঠ বিদ্যালয়ত দশম শ্ৰেণীলৈকে অধ্যয়ন কৰিছিল। আৰ্থিক অনাটনৰ বাবে পিছত তেওঁৰ অধিক পঢ়া নহ'ল। সেই সময়বোৰত তেওঁ ড° যুদুনাথ বেজবৰুৱা নামৰ এজন উচ্চশিক্ষিত মানুহৰ সান্নিধ্যলৈ আহিছিল। তেওঁ অসম কৃষি বিশ্ববিদ্যালয়ৰ বিজ্ঞানী আছিল। পাণ ৰুই পায়েঙে সেই মানুহজনৰ পৰা পঁচিছশ টকা পাইছিল। মানুহজনৰ পৰা তেওঁ বহু প্ৰেৰণাও পাইছিল। পায়েঙে তেওঁক গুৰু বুলিও কয়।

১৯৮০ চনত গোলাঘাট জিলা প্ৰশাসনে ককিলামুখৰ ঔৱানা চাপৰিত বনানিকৰণৰ প্ৰকল্প হাতত লয়। এই প্ৰকল্পৰ এগৰাকী কৰ্মী হিচাপে তালৈ গৈছিল মুলাই অৰ্থাৎ যাদৱ পায়েঙ। কাম শেষ হোৱাৰ অন্তত সকলো তাৰ পৰা উলটি আহিল, কিন্তু গছপুলিবোৰ প্ৰতিপাল কৰি তাতেই থাকি ৰ'ল পায়েং। বৰ্তমান ঔৱান চাপৰিৰ নাম হৈ পৰিল মুলাই কাঠনি।

২০০৯ চনত জনচক্ষুত ধৰা পৰে যাদৱ পায়েঙৰ এই সাধনা। তাৰ পাছৰে পৰা বিভিন্নজন আহিছে মুলাই কাঠনিলৈ, কেনেকৈ বালিচৰৰ পৰা মুলাই কাঠনি অৰণ্য হ'ল তাক জানিবলৈ। বৰ্তমান মুলাই কাঠনিবাৰী নামেৰে জনা হাবিখনত টেঁকীয়াপতীয়া বাঘ, এশিঙীয়া গঁড়, এশৰো অধিক হৰিণা, শহাপহু, বান্দৰ আৰু অনেক প্ৰজাতিৰ চৰাই আছে। তাত থকা কেইবাহাজাৰো গছৰ ভিতৰত শিমলু, বাঁহ, শিশু, ডিমৰু, ভেলকৰ, অৰ্জুন, এজাৰ, সোণাৰু, কৃষ্ণচূড়া, চেগুণ আদি প্ৰধান। ৫৫০ হেক্টৰ জুৰি কেৱল বাঁহ গছেই আছে। ১০০ টা হাতীৰ এটা জাক প্ৰতিবছৰে হাবিখনলৈ আহে আৰু প্ৰায় ছমাহমান সময় থাকে। আজি যাদৱ পায়েং সমগ্ৰ বিশ্বতে সমাদৃত। ২০১২ চনত জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ে পায়েঙক প্ৰদান কৰে ফৰেষ্ট মেন অৱ ইণ্ডিয়া অৰ্থাৎ অৰণ্যৰ মানৱ উপাধি। সেই চনতে উইলিয়াম ভগলাছ মেক মাষ্টাৰ নামৰ এজন কানাডিয়াম ফটোগ্ৰাফাৰে নিৰ্মাণ কৰিছিল এখন তথ্যচিত্ৰ 'দ্য ফৰেষ্ট মেন'। ২০১৩ চনত সেই তথ্যচিত্ৰখনে কাঁ চলচিত্ৰ মহোৎসৱত শ্ৰেষ্ঠ তথ্যচিত্ৰৰ সন্মান লাভ কৰে।

২০১৫ চনত ভাৰতবৰ্ষৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী লাভ কৰে যাদৱ পায়েঙে। যাদৱ পায়েঙৰ এই প্ৰকৃতি সাধনাৰ কাহিনী মহাৰাষ্ট্ৰ চৰকাৰে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিছে। শেহতীয়াকৈ আমেৰিকাতো ষষ্ঠ শ্ৰেণীৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছে যাদৱ পায়েঙৰ জীৱন কাহিনী।

এটা বালিচৰৰ পৰা বিশ্বমুখী যাত্ৰা কৰা এইগৰাকী অসম সন্তানক লৈ গৌৰৱবোধ কৰিছে প্ৰতিগৰাকী অসমীয়াই। সমগ্ৰ বিশ্বৰ বাবে এক উদাহৰণ হৈ ৰ'ব যাদৱ পায়েং আৰু মুলাই কাঠনি।

❑❑❑





# সপোন গঢ়া জীৱনৰ লক্ষ্য

চাজিদা বেগম
প্ৰথম ষান্মাসিক

সৰুতে ল'ৰা-ছোৱালীক সোধা হয়- ডাঙৰ হ'লে তুমি কি হ'বা? প্ৰশ্নটোৰ এটা 'ৰেডিমেড' উত্তৰ থাকে- ডাক্তৰ বা ইঞ্জিনিয়াৰ। ডাঙৰে শিকাই থোৱা এনে এটা উত্তৰত প্ৰশ্নকৰ্তাজনে পোৱাৰ পিছত স্বাভাৱিকতে এটা পৰামৰ্শ দিয়ে— ভালকৈ পঢ়া-শুনা কৰিবা, ডাঙৰৰ কথা নেপেলাবা। তেতিয়াহে তোমাৰ লক্ষ্যত উপনীত হ'ব পাৰিবা। অংক, ভূগোল, বিজ্ঞান আদি জটিলতা সহজে আয়ত্ব কৰিব নোৱাৰা পাঠ্যবিষয়, শিশুসুলভ চঞ্চলতা আদি কাৰণত সৰুতে পঢ়া-শুনাত মন বহুৱাবলৈ বৰ অসুবিধা হয়। পঢ়াত মন বহুৱাবলৈ অভিভাৱকৰ শাসন প্ৰলোভন সমানে চলে।

এনেকুৱা লক্ষ্যত উপনীত হোৱাৰ বাবে বয়সৰ নিৰ্দিষ্ট সীমা এটা নিশ্চয় থাকে। সেই লক্ষ্যত উপনীত হোৱাৰ পিছত বা ব্যৰ্থ হোৱাৰ পিচতো জীৱনৰ সৰহখিনি সময় বাকী থাকে এই পিছৰ ছোৱা সময় কেনেদৰে পাৰ হ'ব? উপভোগ, আমোদ প্ৰমোদ? কিন্তু মানুহৰ বাবে নিৰ্মম সত্যটো হ'ল যে কেৱল খাই-বৈ কিবা লাহ-বিলাস কৰি জীয়াই থকাটো মানুহৰ বাবে অসম্ভৱ কথা। গভীৰভাৱে চালে দেখা যায় - মানুহৰ জীৱনৰ কোনো বিশেষ উদ্দেশ্য নাই। অৰ্থাৎ আমি কিয় জীয়াই থাকো তাৰ কাৰণ বিচাৰি উলিয়াব নোৱাৰোঁ। জীৱন কোনো অৰ্থ বা উদ্দেশ্য আমি সন্ধান কৰি উলিয়াব নোৱাৰোঁ। জীৱনৰ অৰ্থ বা উদ্দেশ্য আমি সন্ধান কৰি উলিয়াব নোৱাৰিলেও আমি জীয়াই থাকিব লগা হয়। কিন্তু কৰ্মহীন হৈ আমোদ-প্ৰমোদৰ মাজতে জীৱন পাত কৰাটো অন্ততঃ স্বাভাৱিক মানুহৰ কাৰণে সম্ভৱ নহয়। সেইবাবে মানুহ ব্যস্ত হৈ থাকিবলৈ কিছুমান কাম বিচাৰি লয়। আমোদজনক কথাটো হ'ল মানুহে কৰা সৰু সৰু উদ্দেশ্য পূৰ্ণ কৰ্মবোৰেই সামগ্ৰীকভাৱে জীৱনটো অৰ্থপূৰ্ণ কৰি গঢ়ি তোলে। সেইবাবে জীৱনৰ বিভিন্ন সময়ত মানুহে বিভিন্ন উদ্দেশ্য আগত ৰাখি কৰ্মত প্ৰবৃত্ত হয়। কিয়নো জীৱনটো অৰ্থপূৰ্ণ কৰি তুলিবলৈকে সৰুতে লক্ষ্য ঠিক কৰি ভালদৰে পঢ়া-শুনা কৰিব লাগে।

মানুহে সপোন দেখিব লাগে। তাক দিঠকত পৰিণত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগে। সপোন নেদেখিলে তাক বাস্তৱত পোৱাৰ আশংকা জন্মিব জন্মিব ক'ত। তাক বাস্তৱত পোৱাৰ আশংকা নাথাকিলে কৰ্মত প্ৰবৃত্ত হোৱাৰ তাগিদা বা আহিব কৰ পৰা। কৰ্ম কৰাৰ তাগিদা নাথাকিলে জীৱনৰ অৰ্থ কেনেকৈ পৰিষ্কাৰ হ'ব।

❑❑❑

# অসম গৌৰৱ - অসমীয়া নাৰী

ৰাজশ্ৰী কলিতা
তৃতীয় ষান্মাসিক



সময়ৰ অগ্ৰগতিৰ লগে লগে দেশ তথা সমাজৰ পৰিৱৰ্তন হৈছে। এই পৰিৱৰ্তনৰ সৈতে ফেৰ মাৰিবলৈ নাৰীয়ে নিজ প্ৰয়াসেৰে সাম্প্ৰতিক সময়ৰ বৌদ্ধিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ক্ৰীড়া আদি সকলো দিশতে নিজকে আগুৱাই নিবলৈ যৎপৰনাস্তি।

যুগে যুগে ভাৰতীয় নাৰীয়ে স্বমহিমাৰে নিজৰ শক্তি আৰু সামৰ্থ অনুয়ায়ী ৰাজনৈতিক ক্ষেত্ৰৰ পৰা সামাজিক ক্ষেত্ৰ পৰিয়াল পৰিজনলৈকে প্ৰদৰ্শন কৰি আহিছে। ভাৰতীয় সাহিত্য-সংস্কৃতিত অতীজৰে পৰা নাৰীক কোনো কাৰণতে অৱহেলা বা অৱজ্ঞাৰ দৃষ্টিৰে চোৱা নাছিল। সন্মানৰ দৃষ্টিৰে চোৱা হৈছিল।

পৌৰাণিক আখ্যানৰ পৰা যদি চাওঁ অনুসূয়া, শকুন্তলা, সাবিত্ৰী, সীতা, গান্ধাৰী, কুন্তী, দ্ৰোপদী, আদি নাৰীয়ে নিজ নিজ সাধনা কৰ্মশক্তি ত্যাগ আৰু স্বমহিমাৰে নাৰী শক্তি কাললৈ যুগমীয়া কৰি থৈ গৈছে। আনহাতে, অসমৰ গৌৰৱ কনকলতাই অসম ৰাজ্যত শক্তিৰ প্ৰতীক দেখাই গৈছিল। কনকলতা বৰুৱা আছিল অসমৰ অন্যতম মহান যোদ্ধা যিয়ে বিদেশী শক্তিৰ পৰা স্বাধীনতাৰ হকে যুঁজ দি অসমৰ বাবে অমৰ হৈ ৰৈছিল। আকৌ, এগৰাকী মহীয়সী নাৰীৰ ভিতৰত মূলাগাভৰু এক অন্যতম। এগৰাকী আহোম কুঁৱৰী আৰু এগৰাকী মহীয়সী আহোম যুঁজাৰু মহিলা যি আহোম সৈন্যৰ সেনা মুখ্য আছিল। মূলা গাভৰুৱে মুছলমান আক্ৰমণকাৰী সেনাৰ বিৰুদ্ধে যুঁজ দি সাহসৰ পৰিচয় দিছিল। স্বদেশ আৰু স্বজাতিৰ হকে হাঁহি মুখে মৃত্যুবৰণ কৰা তেনে এগকাৰী বীৰঙ্গনা নাৰী হ'ল মূলাগাভৰু।

কিছুদিন আগত আমাৰ সকলোৰে পৰিচিত লাভলীনা বৰগোহাঁই আৰু হিমা দাসে অসমৰ হকে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছিল। কমনৱেল্‌থ গেমছ্‌ত ভাগ লোৱা অসমৰ প্ৰথমগৰাকী মহিলা বক্সাৰ হিচাপে পৰিগণিত হয় লাভলীনা বৰগোহাঁই। শেহতীয়াকৈ লাভলীনাই নতুন দিল্লীত অনুষ্ঠিত বিশ্ব মহিলা বক্সিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক দখল কৰি পুনৰবাৰ ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়।

গতিকে, অতীজৰে পৰা বৰ্তমানলৈ কনকলতাৰ পৰা মূলাগাভৰু জয়মতীলৈকে চালে দেখা যায় একো একোগৰাকী নাৰীয়ে বিভিন্ন দিশত নিজস্ব দক্ষতাৰে গধূৰ দায়িত্ব পালন কৰি অশেষ ত্যাগ স্বীকাৰ কৰি নিজৰ লগতে পৰিয়াল আৰু সমাজৰো দায়িত্ব নিষ্ঠাৰে পালন কৰি আহিছে। সুসংস্কৃত সমাজ আৰু পুৰুষৰ মনে নাৰীৰ প্ৰগতিত হেঙাৰ নহৈ সহায়ক হ'লে পৰিয়ালৰ লগতে সমাজখনো আগবাঢ়ি যাব।

❑❑❑





# উপদেশতকৈ আৰ্হি ভাল

ধৃতিস্মিতা কলিতা
প্ৰথম ষান্মাসিক



উপদেশতকৈ আৰ্হি ভাল। বহুত মানুহেই আনক উপদেশ দিয়ে, কিন্তু নিজেও আনক দিয়া উপদেশৰ নিয়ম মানি চলে। আন কিছুমান মানুহে আকৌ উপদেশ দিয়ে; কিন্তু নিজে নীতি-নিয়ম একো নামানে। এইবোৰ মানুহৰ বাবে, আনৰ ভালৰ বাবে ক'লে উপদেশতকৈ আৰ্হি ভাল বুলি প্ৰত্যুত্তৰ দিয়ে। অৰ্থাৎ আজিকালি মানুহে ভুল কৰিলে নিজৰ ভূলবোৰ লুকাবলৈ একোজন ভাল উকীল হৈ পৰে, আকৌ আনক ভুল কৰা দেখিলে একোজন ভাল বিচাৰক হৈ পৰে। নজনাকৈ কোনো মানুহে যিকোনো এটা কথা নকয়, কিবা ক'বলৈ হ'লে সেই বিষয়ে অলপমান হ'লেও জানিব লাগিব। আনক শুদ্ধ কৰাৰ আগতে নিজে শুদ্ধ হ'ব লাগিব। নিজে নিকা হ'ব পাৰিলেহে আনকো শুধৰাব পাৰি। নিজৰ মাক-দেউতাকক বৃদ্ধাশ্ৰমত থোৱা মানুহজনে বিলাসী জীৱন কটাবলৈ লৈ সন্তানক উপদেশ দি তেওঁ মাক-দেউতাকে কৰা কষ্টৰ মূল্য এবাৰলৈও ভাবি নাচায়। গছ কটা মানুহজনে নিজৰ সন্তানক গছপুলি ৰুব লাগে; গছ থাকিলেহে আমি থাকিম। এইবোৰ কওঁতেও তেওঁ এবাৰো ভাবি নাচায় তেওঁ কি কৈ আছে আৰু কৰি আছে।

আমি দিয়া সেইটো উপদেশ মানুহে পালন কৰিব, যিটো উপদেশ প্ৰথমে আমি পালন কৰিম আৰু তেতিয়াই উপদেশতকৈ আৰ্হি ভাল বুলি কোৱাজনক আমি কৰা কাম প্ৰমাণ সহকাৰে দেখুৱাব পাৰিম। তেতিয়া বুজিব সকলো মানুহে নিজে পালন নকৰাকৈ উপদেশ নিদিয়ে।

❑❑❑

# खिथिर

दिलिप बर'
एम.ए. नैथि सेमिस्टार

सानजुफुनि 1:00 रिंगासो सम, बा बोसोरनि उनाव दिनैसो बालेंआ नआव गिबि आगान सुरदों। बालेंआ .... आन्जादनि फिथाइ फोसावनाय सप्थायावनो सिनाय मौनै दृथांफोरा जौ नायगिरनो थांनानै नखराव रावबो गोयै सुबिदा लानानै बालेंखौजिनाहारि खालामनानै गालाङो, दृथां अनागारिफोरजों जिनाहारी खालामजानानै बालेंआ न नागारनानै गुवाहाटी नोगोराव भारा लाना थाहैनाया बा बोसोर जाबाय। दा बियो गुवाहाटीनि कटन कलेजाव B.Sc आन्जादखौ 1 थि मासियाव उनथ्रिनानै दिनै आरो UPSC आन्जादखौ 1st Rank लानानै Pass खालामबाय, थाँनैो बियो बर' हारिनि जोबोद गोग्गाथाव, बालेंआ आन्जादनि फिथायखौ मोननानै गोजोन्नायजों बिदा फुंखाखौ कॉल खालामो-

हेलो... आदा

हेलो आगै बुं मा?

आदा आ... आं UPSC आन्जादखौ 1st Rank आव उनथ्रिनो हाबाय।

मा... नों... नो UPSC आन्जादखौ Pass खालामबाय आं जोबोद खुसि आगै आ... आं जोबोद खुसि।

औ आं UPSC आन्जादखौ पास खालामबाय, दा आं नआव थांगासिनो दं आदा। बालेंआ बुङो आरो कॉलखौ दाननानै होयो।

दिनैनिसाना जोबोद गोजोन्नायनि सान। बालेंनि UPSC आन्जादनि फिथाइखौ मोननानै बिदा फुंखा आरो बिमा नालेबनि गोसोआव जोबोद रंजानायनि बाना असिफावदों। बालेंनि UPSC आन्जाद पास जानाय रादाबखौ मोननानै नालेबनि ननि सिला आरो लांगोना मोखाङाव गामिनि राज्योफोरा खाम सिफुं, सेरजा, जथा लानानै बरायनो नेगासिनो दं आरो बियाब, जिल्लानि बायदि बायदि आफादनि गेदेमा बिथांमोना आखायाब बिबार माला आरो आरनाय फालि गांफा गांफा लानानै बरायनो नेफैनाया जोबोद हाँगो-दोंगो जादों, आरो बालेंखौ बरायनो थाखाय हाँगो-दोंगो सुबुंनि बाना जानायखौ रादाब फोसावगिरि फोरा Live होगासिनो थादों आरो मा समाव सफैगोन बुंगासिनो दं। फारसेथिं गामिनि मानसिफ्रा गोमोहाबदों खोनानानै, सोरबा सोरबाया सिरि सिरि रायज्लाइखोमादों - बालेंआ UPSC आन्जाद पास जाबाय आं फोथायनो गोब्राब मोन्दों बिखौथ गुवाहाटीयाव खामानि मावनोसो थाहैदों होननानै खोनदोंमोन बायदि बायदि। गामिनि रावबो सुबुं आरो बियाब आफाद आरो जिल्ला आफादफोरा मोनथियामोनदि बालेंयादि फरायनो थाहैदों। दिनैसो UPSC आन्जादनि फिथाइखौ मोननानै बयखौबो सोमो नांहोदों।

उन्दै समावनो बिफा थैजानाय बालेंआ उन्दै समनिफ्रायनो लिरनाय, फरायनाय आरो बाथ्रा दानथेनायफोराव जोबोद आखा-फाखा खामोन जेब्लाबो फरायसालिनि थाखोयाव 1थि मासि लानो हानायमोन, मेट्रिक, HS आन्जादखोबो सेथि मासियाव अनथ्रिनो हादोंमोन, फरायसालिनि कलेजनि फोरोंगिरि फोरखौबो जोबोद मान होयोमोन आरो लोगोफोरजोंबो जोबोद अनज्लायना थायोमोन, बिदा आरो बिमायाबो बिखौ जोबोद अनसेगारोमोन आरो बिनि फरायनाय खरसाखौ नआव जानो थोस्लाबाबो बिदा फुंखा आरो बिमा नालेबा आजिरा खामला मावनानैब्लाबो इसेबो खाम जानो होयामोन।

बालेंआ न फारखे फैबाय थानाय समावनो गावनि जिउयाव जाथाय जाखांलांनाफ्रोरखौ गोसोखांनानै गोर्बोयाव गाबखोमादों, हरखाब मिथिस्लाबाजासे मेगनाव रर मोदै गदों, खास्रि-बिस्रि साया माया नुजाखांदों-

हगार आंखौ हगार, गुन्दाफोर, सैमाफोर आदै आ... आ... आइदै...। बालेंआ दुथांफोरजों अनागारि खालाम लानानै गाबै गाबै हरस्रिखाव हरस्रिखाव गाबो, दुथांफोरनि आखाइनिफ्राय रैखा मोननो जोब्राब-जोसि बाब्राबबायजो, दुथांफोरा बालेंनि खुगा मुथेनानै, आखाइ-आथिं हमख्रबनानै जेबो राव होयालासे जाय जेरै हायो बालेंनि गोथारथि सेलेराव बारसिननो।

बालेंआ दुथांफोरजों जिनाहारी खालामजानानै दुखुजों लाजिनायजों गाबै गाबै सियार सायाव गाखोनानै न मुदानि मानदालियाव दिरुंजों आलायना खाबाय थानायखौ फुंखाया नुसुनफैनानै हाखु-दाखुयै बुंफैयो-

आगै ओइ आगै मा खालामनाय जादों बे।

आंखौ थैनो हो आदा, आ... आंखौ थौनो हो।

बालेंआ गाबना हाखु-दाखुयै बुंनानै गोदोनायाव दिरुंखौ सोनो नायगिरो।

आगै... आगै... फुंखाया रागा जोंनानै खावलायाव खनसे गोसायै सोबायो आरो बालेंखौ सियारनिफ्राय बोख्लायनानै बिखायाव गोबाख्रबना गाबो।

हगार आंखौ हगार, आंखौ थैनो हो, आ... आं आरो थां... ना... था... नो गोसो गैला। बालेंआ गाबै गाबै बुङो।

नो... नों थैनो मोना आगै, नोंखौ आं थैनो होआ।

आं आरो मा बिखा लाना थांना थाबाबनो आदा।

बालेंआ गोसो बायग्लिना हांमा सुरहाब सुरहाब गाबनानै बुङो। बे समावनो बिमा नालेबा खामानि मावनानै फैबाय थानाय समाव गामिनि सासे आइजो आ लोगो मोन्नानै जाथायखौ खोन्थायो, अब्ला समा मोनारोमरोम खोमसिया साग्लोब हांबायमोन, जाथायखौ खोनानाय लोगो लोगोनो गाबै खारबोना बालें थानाय खाथायाव हाबफैयो आरो बालेंखौ गोबाख्रबनानै हांमा सुरहाब सुरहाब गाबो आरो बालें आबो बिमानि बिरखायाव उफ्ले उफ्ले गोबाख्रबनानै गाबो।

दा गाबसै माइनाव दा गाबसै। बिमा नालेबा गोबाख्रबनानैनो गाबै गाबै बुङो।

आइयै... आ... आं... आ... रो... थांना था... नो गोसो गैला। बालेंआ बांसिनै गाबनानै बुङो।

नङ माइनाव फिसा नों बिब्दि दा बुं नो... नों थांना थानांगोन फिसा, नों, नों थांना थानांगोन। बिमाया फिसाजोनि मेगन मोदैखौ हुगारनानै बुङो।

गा... आ... गाब आइयै गाब हस्रिखाव हस्रिखाव गाब दुखुजों हांमा सुरहाब सुरहाब हाजासे गाब। नोंहा गुबुन खायानियानो गैयामोन नालाइ जौ फाननानै लानायानि अनगा, आं सिगांयावनो बुंखादोंमोनना जौ संनाया फाननायखौ नागारना गुबुन मोनसे थांना थानायनि राहा लादों होआ दिनै जोंनि समाजाव जौ लोङै लोङै माखासे खुदिया गथफोरा बेखार लामाजों आगान सुरबाय जेब्लाबो बिसोर निसा बेसादजोंल थासै, जौ लोंनानै गोबां सुबुंनि जिउ बरबाद जाबाय, गाहेला बोराइफोरबो खामानियाव आखाइ होया होया जाबाय जेब्लाबो जौ जोंनो सम थांहोसै। आरो आफायाबोथ जौ लोङै लोङैनो गावखौ फोजोबनानै लाबाय। जौ सना फानामोनब्लाथ बिब्दि दिनै खास्रि-बिस्रि बिनानावनि जिउयाव जानाय नङमोन। दिनैनि समाव हांमा सुरै सुरै गाबनानै मा मोनबावनो, नो... नों... आइयै। फुंखाया गाबनानै रागा जोंना गावनि मेगन मोदैखौ हगार हगार रांमा सुरनानै बुङो।

जाबाय फिसा आरो दा लाजि फोनांसे आंखौ निमाहा होदो, आंखौ, आरो आं दिनैनिफ्राय जौ फाननायखौ गारसिगोन फिसा नो... नों... आ... आं... खौ... नि... नि... म... हा होदो। बिमाया गाबै गाबै थेरनाय गारांजों फिसाज्ला फुंखानि खाथियाव जग्रबनानै आखाइ खबजबना निमाहा बियो।

सिखार आइयै सिखार। फुंखाया बिमाखौ बोखांना बिखायाव गोबानानै लायो।

मोनासं आगै नों गोसोखौ हमथा गोसोयाव लोरबां आरो दा जासै, नों थांना थानांगोन आगै... नों... थां... ना... था... नां... गोन इनाय अनागारिनि बेरेखा नों गसंथेनो नों थांना थानांगोन। नो... नो बायदि दुलाराय सुबुं सयालाव गोबां आइजोफोरा दुथांफोरनि आखायाव जिनाहारी जानांदों। उन्दै-गेदेर रावखौबो नागाराखै जाय, जायाखौ खाबु मोन्दों बेखौनो बारसिनदों, सोरबाया लाजिनाय गिनायजों गावखौ फोजोबना लादों, सोरबाया लाजिनाय आरो नासयजानायखौ बबेबा खनायाव दोनखोमानानैलाबो गावखौ दैदेनबोदों, दिनै गाबोन बारानिफ्राय बारा आइजोफोरनि रैखाथि गैया जादों, रावखौबो फोथायनो हाया जालांदों। बेनिखायनो नों बैसोर रोजा रोजा आइजोफोरनि रैखाथिनि थाखै नों आयेनानि मोजौ मासिसिम सहैनांगोन, आयेनखौ आखायाव लानानै इनाय अनागारिनि बेरेखा गसंथेनांगोन बिनानाव।'' फुंखाया बायग्लिनाय गोसोखौ दाद खालायनानै बुङो।

''आदा'' - बालेंआ हब्रानाय गारांजों बुङो।

''आगै नों फरायफ्रिननांगोन, नों गोसोखौल' हमथा गासैबो थिन जागोन, जाखांनाय जाथायखौ आरो दा गोसो खांसे गोसोआ थावरिनो बोलो मोना जायो। आं नोंखौ गाबोननो गुवाहाटीयाव कटन कलेजाव मुं थिसननानै होनोसे बेवहायनो थानानै दिदोम गोसे लाना फरायफिननांगोन नों आगै। नो... नों... नों दिनैनिफ्रायनो थांखि ला आगै सासे मोजां गिदिद मानसि जागोन आरो आयेनखौ आखाइ मुथियाव लानो हायोब्लासो फिन न' फारसे फैफिनगोन, हान्थिनायनि सिगाङाव जेसेबां जेंना-जेंस्रि थायामानो आं सौसिलांगोन आरो... आरो बैसोर समाजनि बेरेखा खामानि भावनाय

अनागारि दुथां सुबुंफोरनि बेरेखा गसंथेनांगोन।''

''आदा..., आइयै।''

''आगै''

''माइनाव'' - बिमा फिसा साथामजो दुखुनि गोलाव हांमा सुरनानै गोबालायो।

बालेंआ गारियाव गाखोना फैबाय थानायावनो गोसो दिदोम जाखांनानैसो गोसो बायग्लिना मेगन मोदै र' र' गनायखौ आखाइ फारनैजों हुगारनानै गावखौनो सामलायो आरो आखाइखौ गोरा मुथि हमनानै बिनि खुगानिफ्राय हरखाब बाथ्रा गोमसारलायनाइ ओंखारबोयो -

''लागोन आदा, आं लागेन, समाजनि बेरेखा खामानि मावग्रा दुथां अनागारिफोरनि बेरेखा आं खिथिर लागोन। आरो बै रोजा रोजा आइजोफोरनि रैखाथिनि थाखाय आं गसंथेगोन आदा... आं गसंथेगोन...।''

❑❑❑





# আত্মবিশ্বাস আৰু ভয়

ত্ৰিদীপ ডেকা
পঞ্চম যান্মাসিক

সকলো মানুহৰ একোটিকৈ লক্ষ্য থকাটো স্বাভাৱিক বা থাকিব লাগে। এই লক্ষ্যত উপনীত হ'বলৈ লাগে মনত আত্মবিশ্বাস। আত্মবিশ্বাসে কোনো এটা লক্ষ্যৰ পৰিপূৰক হিচাপে কাম কৰে। আত্মবিশ্বাস ৰাখি জীৱনৰ প্ৰতিটো লক্ষ্যত উপনীত হোৱাটো হ'ল এটা অতি গুৰুত্বপূৰ্ণ মনোভাৱ। মনত বিশ্বাস ৰাখি শুদ্ধ মনোভাৱ লৈ কাম কৰিলে এই বিশ্বাসে হ'ব কামটোৰ সাফল্যৰ বাট। সকলো কামতে আত্মবিশ্বাস ৰাখি মানুহে আগবঢ়াটো উচিত।

বৰ্তমান এই ধুনীয়া ধৰণীত ভয় অৰ্থাৎ বিশ্বাস নৰখা বা বহু কোটি কোটি মানুহে জীৱনৰ পৰিপূৰ্ণ আনন্দ লাভ কৰাৰ পৰা করুণভাৱে বঞ্চিত হ'ব লগা হয়। প্ৰকৃতাৰ্থত মই ভাবো যে ভয় এক শক্তিশালী নেতিবাচক চিন্তা। ভয়ে মানুহক সহজতেই প্ৰভাৱিত কৰিব বিচাৰে। এইবোৰ পূৰণ কৰাৰ ক্ষেত্ৰত ভয়ে নানাভাৱে মানুহৰ বাধা দিয়া পৰিলক্ষিত হয়। ভয় এটা মনোবৈজ্ঞানিক সংক্ৰমণৰ পৰিণাম বুলি নানা পৰীক্ষাৰ পৰা জানিব পৰা গৈছে। ভয়ৰ পৰা আঁতৰি থাকিবলৈ হ'লে আত্মবিশ্বাসৰ প্ৰয়োজন হয়। ভয় দূৰ কৰাৰ বাবে আত্মবিশ্বাসে হ'ল এটি সু-চিকিৎসা। কিন্তু বৰ্তমান সমাজত বহু কম সংখ্যক মানুহৰ আত্মবিশ্বাস থকা দেখা যায়। বৰ্তমান সমাজত বহু সংখ্যক মানুহে আত্মবিশ্বাস নাৰখি কেৱল ভগৱানৰ ওপৰত নিৰ্ভৰ হৈ থাকে। এই মহামূল্যবান আত্মবিশ্বাস নথকা বহুতে সাফল্যৰ বাটতে হেঙাৰ হৈ ৰয়।

মানুহৰ মনত কোনো কামত ব্যৰ্থ হোৱাৰ ভয়, পৰিশ্ৰম কৰিব নোৱাৰাৰ ভয়, বাধাৰ সন্মুখীন হোৱাৰ ভয়, ডাঙৰ চিন্তা কৰাৰ ভয় ইত্যাদি। উক্ত এই আটাইবোৰ ঘটে আত্মবিশ্বাসৰ অভাৱত। এজন আত্মবিশ্বাসী মানুহে কেতিয়াও এনেবোৰ কামত ব্যৰ্থ নহয় বুলি ভাবো।

আত্মবিশ্বাস মানুহে আয়ত্ব কৰি লোৱাটো অতিকৈ প্ৰয়োজনীয়। ইয়াক বিকশিত কৰিব পাৰি। মাত্ৰ এটি সুস্থিৰ মন তথা ইচ্ছাশক্তিৰ প্ৰয়োজন। আত্মবিশ্বাস থাকিলে ভয়ক জয় কৰিব পাৰি বুলি পণ্ডিতসকলে কাহানিৰ পৰা কৈ আহিছে।

আত্মবিশ্বাসে মানুহক জীৱনৰ লক্ষ্যত আগবাঢ়ি যোৱাৰ বাবে গুৰুত্বপূৰ্ণ বৰঙণি আগবঢ়ায়। শিক্ষা গ্ৰহণ কৰি মানুহে বহু কামত সাৱলীলভাৱে আগুৱাই যোৱাত আত্মবিশ্বাসৰ ভূমিকা থাকে। সকলো মানুহৰ তথা ছাত্ৰ-ছাত্ৰীসকলৰ একোটা লক্ষ্য বা সপোন থাকে। এই লক্ষ্যত উপনীত হ'বলৈ মানুহৰ বহু অভাৱ, দুখ-কষ্টৰ সন্মুখীন হ'ব লগা হয়। কিন্তু সকলো দুখ-অভাৱৰ মাজত লুকাই থাকে সুখ-শান্তিৰে ভৰি থকা এটি নিজৰা। মনত আত্মবিশ্বাস ৰাখি কাম কৰি গ'লে সকলোৱে নিজৰ লক্ষ্যত উপনীত হ'ব পাৰে বুলি সকলোৱে বিশ্বাস কৰে।

মানুহৰ জীৱনৰ লক্ষ্য পূৰণৰ ভয়ে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। ভয় এটা নঞাৰ্থক শক্তি। আত্মবিশ্বাস ৰাখিলে মানুহৰ মনৰ ক্ৰমে নঞাৰ্থক শক্তিক নিৰাময় কৰাত সহায় কৰে। এই বাবে সৰস আত্মবিশ্বাস গঢ়ি তোলাটো আমাৰ চিন্তা হ'ব লাগে বা হোৱা উচিত। আত্মবিশ্বাসহীন মানুহে সকলো কামত ভয়ত কোঙা হৈ থাকিব লগা হয়। এজন ভয়াতুৰ মানুহে কোনো কামেই ভালদৰে আৰম্ভ কৰিব নোৱাৰে। আৰম্ভ কৰিলেও তাক বেছি দূৰ আগবঢ়াই নিয়াটো চিন্তাৰ বিষয় হৈ পৰে। কিয়নো আত্মবিশ্বাসৰ পৰিৱৰ্তে ভয়ে কোঙা কৰি পেলায়।

ভয়ে মানুহক পংগু কৰি পেলায়। দুৰ্বল কৰি পেলায় নিৰ্বাক কৰি পেলায় ফলত তেনে মানুহে জীৱনৰ বাটেৰে স্বচ্ছন্দে আগুৱাই যাব নোৱাৰে। জীৱনত উন্নতি কৰিব বা লক্ষ্যত উপনীত হ'বলৈ ভয় নামৰ এই নঞাৰ্থক শক্তিৰ বীজাণুক আঁতৰাই আত্মবিশ্বাস মনত বান্ধি ল'ব লাগিব।

আত্মবিশ্বাস গঢ়ি উঠাৰ বাবে সদৰ্থক চিন্তাশক্তি তথা সুস্থিৰ মনোভাৱৰ প্ৰয়োজন হয়।

অৱশেষত মই কওঁ যে ভয়ে মানুহৰ সাফল্যৰ হেঙাৰ স্বৰূপে থিয় দিয়ে। যাৰ ফলত আমি পিছ পৰি আছো। আমি সকলোৱে ভয়ক চিৰদিনৰ বাবে বিদায় দি আত্মবিশ্বাস আদৰি লওঁ আহক।

আত্মবিশ্বাস মানুহে আয়ত্ত কৰি লোৱাটো প্ৰয়োজনীয়। ইয়াক বিকশিত কৰিব পাৰি। মাত্ৰ এটা সুস্থিৰ আৰু ধৈৰ্যশালী মনৰ প্ৰয়োজন হয়। আত্মবিশ্বাস থাকিলে ভয়ক জয় কৰিব পাৰি বুলি আত্মবিশ্বাস থাকিলে ভয়ক কৰিব পাৰি বুলি পণ্ডিতসকলে বিশ্বাস কৰে।

❑❑❑

# ভুলৰ পৰা শিকিব নোৱাৰিনে ?

গৌৰাংগ পাল
পঞ্চম যান্মাসিক

'Anyone who has never a mistake
has never tried anything new'

**–Albert Einsten**

সকলো মানুহেই নিজৰ জীৱন কালত ইচ্ছা কৰা মতে সকলোবোৰ নাপাব পাৰে, কিন্তু প্ৰয়োজন পূৰণ কৰিব পৰাকৈ একোটা সামৰ্থ লাভ কৰা দেখা যায়। এই সমৰ্থতায়ে মানুহৰ জীৱনলৈ নমাই আনিব পাৰে জীয়াই থকাৰ তৃপ্তি আৰু প্ৰেৰণা। পোৱা-নোপোৱা, কৃতকাৰ্যতা-অকৃতকাৰ্যতা, সুখ-দুখ সকলোবোৰৰ মাজত মানহৰ জীৱনে উঠা-নমা কৰি থাকে। সাময়িক যুদ্ধত আমি দেখা এটা পক্ষৰ জয় আৰু আনটো পক্ষৰ পৰাজয়। তেনেদৰে মানুহৰ জীৱন যুদ্ধতো জয়-পৰাজয়, জিকা-হৰা চলি থাকে। তেনে ক্ষেত্ৰত পৰাজিত হোৱাজনৰ বাবে ই পৰাজয় নহৈ যদি প্ৰত্যাহ্বানৰ এক নতুন পদক্ষেপ হয় তেতিয়া জীৱনে গতিশীলতা লাভ কৰে। নেতিবাচক ফল বা ভুলক সেইবাবেই ইতিবাচক ফল বা কৃতকাৰ্যতাৰ দৰে জীৱনৰ এক সফলৰূপে ল'ব পাৰে বুলি মনিষীসকলে পৰামৰ্শ দিয়ে।

ভুলেই হওঁক বা ভ্ৰান্তিয়ে হওঁক এই সকলোবোৰ হ'ল জীৱনৰ কিছুমান অভিজ্ঞতা, যিবোৰৰ সহায়ত মানুহে জীৱন পথত আগবাঢ়ি যাব পাৰে। আমি কৰা ভুলবোৰ বহু সময়ত শিক্ষকৰ দৰে হৈ পৰা দেখা যায়। এনে বহু ভুল দিয়া শিক্ষাই মানুহৰ জ্ঞান দিয়ে, শিকায়। ভুলৰ পৰা শিকিবলৈ অৱশ্যে মানুহে ভুলৰ মূল্য দিব জানিব লাগিব। যিহেতু ভুলে মানুহক জীৱন পথত শিক্ষা দিয়ে, সেয়ে ভুলবোৰ অতি মূল্যবান নিৰ্দেশক। কিন্তু এজনে কৰা ভুলক আনে জানি-শুনি যেতিয়া এটা মূল্য দিয়ে, তেতিয়াই ভুল কৰোঁতাজনে সেই ভুলৰ পৰা শিক্ষা ল'ব নোৱাৰা হয়। অৰ্থাৎ শিকাৰ সুবিধাকণ তেতিয়া হেৰাই যায়।

हाबाब हाबाब मा मोनखांदों सानथिं बाथिं उन्दुबाय थानोलाय दहायनो उन्दुनाया दाबो सिखाराखै। खोनादोंना खोनायाखै हनै सम्फाखौ हमखब हमनि गारियाव सोनो जुजि बायदों हब्रा हब्रा गाबना मा जाखोथाय? तेजपुराव मानोबा लांनो नागिरदों। मानसिफोर बिराद जोम जोम नायसोदों अनथाव बाथाव गथवा मा जाखो? नायनो हायिनि थाब फैबाय आं। आइनिफ्राय सम्फानि राव खोनाना बाग्दाव खांना हाखु दाखु बायजोआव ओंखार बोना बबि जाहाबना थाइनै मेगननिफ्राय दुंब्रुद मोदै बोहै बोयो मोथिस्लाब मोनै।

आंनि उन्दैनिनो लोगो सम्फा आं मोनथिगौ नोंनि थाखाय दक्टर अजानि गोनांथि जायाखै जायनि थाखाय नों बेफोरखौ जेबो जाया ताबिज मुलि गाना। सोर बुजिगोन नोंनि दुखु। नोंनि जिउआव बै सेंग्राया फैफिनना नोंखौ मोजां खालामफिनगोना बहाबाव। नोंनि जोंथि आलारिया दिनै जोंथि आलारिया दिनै खोमसिनि महर लाबाय जिउआव हांमा थाबाय नों संसार जालांनो। गसाइ नों ना.हरफिन आंनि लोगो सम्फाखौ। नेनानै थाबाय आं नोंनि मोजां जानानै फैफिनगोनखौ।

□□□

# Women Empowerment

**Ashmita Rajbongshi**
5th Semester




Women empowerment can be defined to promoting women's sense of self worth, their ability to determine their own choices and their right to influence social change for themselves and others. It is closely aligned with female empowerment- a fundamental human rights that's also key to achieving a more peaceful , prosperous world.

In western countries female empowerment is after associated with specific phases of the women's right movement in history. The movement tends to be split into three waves the first beginning in the 19th and early 20th century where suffrage was a key feature. The second wave of the 1960 & included the sexual revolution and the role of women in society. Third wave feminism in aften seen as beginning in the 1990.

In India women empowerment is the most effective tool for development as these days, women across the world are actively working as a leader and surpassing others in all the spheres of life women empowerment in India is dependent to a great extant on rumerous selling (urban/rural), social statis (caste and class). Edicational status and age factor. Actions on the women empowerment exist at the state local (Panchayat) and national levels. (rafting and execution of a concrete policy framework dispersing civic awareness and education concerning the empowerment of women can usher to accomplishing the desired missions in eradicating the plight of women empowerment in the society of India. Our NGO for women empowerment in India is working as a Miracle in Disguise.

The Government of India has taken many policies for women empowerment like Beti Bachao Beti Padhao scheme, one step centre scheme, women helpline scheme. Ujjawala, working women hostel etc. The principles of gender quality is enshrined in the India constitution in its Preamble, Fundamental Rights, Fundamental Duties and Directive principles. The constitution only grants equality to women, but also empowers the stable to adopt measure oof positive discrimination in favor of women.

Women empowerment and promoting women's rights have emerged as a part of a major global movement and is continuing to break new ground in recent years. Days like International women's empowerment Day are also gaining momentum.

□□□





# Padma Shri Awarded Sindhu Sapkal mother of Orphans

**Sikha Jiuari**
5th semester

Sapkul was born on 14 November 1948 in Pinpri Meghe Village in Wardha district in the central provinces and Berar of Brisish India to Abhimanya Sathe, a coherder. Being an unwarted child, she was refered to as chindhi (Marathi for 'torn piece of cloth'). Object poverty family responsibilities and an early marriage fored her to guit formal education after she successfully passed the fourth standard. Sapkal was married off at age 12 to Shrihari Sapkal, who was 20 years elder to her, and movedto Nawargaon village. Seluo in Vardha. The marriage did not last long amd at the age of 20. She was left on her own to care for a girl child.

Early work with Adivasis Sindhutaj Sapkal later fand herself in chokhaldara, where she stated begging herself on railway platforms for food. In the process, she realized that there were many children abandoned by theirs parents and she adopted then as her own. She decided to become a mother then as her own. She decided to become a mother. to everyone who come across to her as an orphan. After informed of the plight or orphaned and abandoned Adivasi Children, Sapkal took care of the children in return for meager amont of food. Shortly, therefore it become the mission of her lif.

**Orphanages**

Sapkal devoted herself to orphans. As a result she was foundly called 'Mai' which means 'Mother'. She natured over 1,500 orphaned children and through them had a grand family of 382 sons-in-low and 49 daughters-in-law. She has been honoured with more than 700 awards for her work. She used award money buy card to make a home for orphaned children.

Awards

2021 - Padma Shri in social work category.

2017 - Nari Sakti Purasjar from the Precident of India.

2016 - Honorary Doctorate by the Dr, D. Y. Patil college social of Engineering, Pune.

2016 - Social worker of the year Award, from Nokward foundation.

2014 - Ahmadiya Muslim Peace Prize

2013 - Mother Teresa Awards for Justice.

2012 - Real Heroes Awards, given by CNMIBN and Reliance Foundation.

2012 - COEP Gaurav Puraskar, given by college of engineering Pune.

2010 - Ahilyabai Hokar Award, given by the government of matharastra to social workers in the field of women and child welfare.

2008 - Women of the year award, given by daily Marathi newspaper hoksatta.

1996 - Dattak Mata Purasher given by non-profit organization Sunita Kalaniketan Trust.

* Sahyadri Hirkani Award
* Rajai Award
* Shivlila Mahila Gaurav Award

**Death**

She died of a heart attack in Pune, Maharastra, on 4 January, 2022, at the age of 75.

## Outdoor Education on Environment

Natural environment referes all ecological

units naturally present on earth in the form of land, water, air, soil, forest, sunlight, minerals etc. All the surroundings of natural things. Which are counted as the creator and operator of life on this earth are called as the environment. The declining environment has now becoming very serious issue for all as the beauty on even existence of environment is in big danger due to some objectional acts of human being on this earth. The element comes in cate gories of biotic and abiotic, fun=rther can be divided among four types of sphere like biosphere, hydropsphere, lithosphere and atmosphere.

Biotic and biotic elements react with each other in some manner like fresh water, sunlight and soil are used for growing plants same as plants produce Oxygen that is highly required by all the living organisons existed on the earth. Human beings use the available natural resources in a different manner for better living on earth.

Use of natural resources should be carefully planned and executed. It is complete wrong to cut the forest as trees are the key operator of a natural cycle. Forest cutting may cause the poor situation of drought, increased heating temperature, unstable seasons, flood decreased agricultural quality or the worst one. 'Global warming' which is completely not acceptable for the existence of life on earth.

We, the people should try to plant more trees. More importantly trees sequester carbon, helping to remove carbon-Di-Oxide and other greenhouse gases from the air, which cool the earth. Burried in a land fill, the typical plastic trash bag takes 1000 years to degrade giving to toxins as it does.

❑❑❑

## The 5 Most Inspirational Sports Quotes of all Time

**Jaydeep Boro**
6th Semester (Geography Department)

1) 'Listen, The work is behind the Scenes. Competition is the Easy part.'

2) 'Don't dream of winning, Train for it." — - Usain Bolt

3) "Win, win, win
We will fight for
Every thing." — - MO FARAH

4) 'People throw stones at you
And you convert them
Into mitestones' — - N' GOLO KANTE

5) "It's not how you start,
But its how you finish." — - Sacken

MICHAEL PHELPS



## কীৰ্তি চন্দ্ৰ লহকৰ শিতান
## (এমুঠি সাক্ষাৎকাৰ)

সৰ্বভাৰতৰ লগতে অসমতো ১৮৫৭ চনত চিপাহী বিদ্ৰোহৰ মাজেৰে স্বাধীনতা আন্দোলন আৰম্ভ হৈছিল।
চিপাহী বিদ্ৰোহৰ পিছত ৰায়ত সভা আৰু ৰাইজ মেল সমূহৰ সংগ্ৰাম আৰম্ভ হৈছিল। ৰঙিয়াৰ ৰাইজমেল অনুষ্ঠিত হৈছিল ১৮৯৪ চনৰ ১০ জানুৱাৰী তাৰিখে, এই ৰাইজমেলত ৰঙিয়া অঞ্চলক নেতৃত্ব দিছিল গুৰকুছি গাঁৱৰ পণ্ডিত কীৰ্তি চন্দ্ৰ লহকৰদেৱে।

# অনুৰাধা শৰ্মা পূজাৰীৰ সৈতে বাৰ্তালাপ

*সাক্ষাৎকাৰ—* **হৃষিকেশ কলিতা**
সম্পাদক, ৰঙ্গণ



হৃষিকেশ : আধুনিক অসমীয়া সাহিত্যৰ স্বৰূপক আপুনি কিভাৱে অৱলোকন কৰিব।

অনুৰাধা শৰ্মা : আধুনিক অসমীয়া সাহিত্য, মই ভাৱো যে বিশ্ব সাহিত্যৰ সৈতে সমকক্ষ নহ'লেও বিশ্ব সাহিত্যৰ এতিয়া যিটো ভূমিকা, এতিয়া যিটো বিশ্ব সাহিত্য তাৰ বেছি তলত নাই আৰু বহুক্ষেত্ৰত আমি দেখিছো যে আমাৰ অসমীয়া সাহিত্যৰ বহু কথা ভাল অনুবাদ নোহোৱা কাৰণে বিশ্ব সাহিত্যৰ লগত ফেৰ মাৰিবলৈ অক্ষম হৈ আছে। কিন্তু যদি ভাল অনুবাদ হয়, যেনেকৈ অন্যান্য দেশবোৰৰ আঞ্চলিক ভাষাৰ যিবিলাক সাহিত্য সেই সাহিত্যবিলাক যেনেকুৱা ধৰণৰ ইংৰাজীলৈ অনুবাদ হয়, তেনেকুৱা ধৰণৰ যদি অনুবাদ হয় তেনেহ'লে মই ভাবো যে অসমীয়া সাহিত্যই আজিৰ যি সাহিত্য অন্ততঃ যোৱা আশীৰ দশকৰ পৰা এতিয়ালৈকে মই কৈছো। আশীৰ দশকৰ পৰা এতিয়ালৈকে বহুকেইখন এনেকুৱা আমাৰ কবিতা সংকলন বা গল্প, নাটক আছে যিখিনি বিশ্ব সাহিত্যৰ সৈতে ফেৰ মাৰিব পৰা।

হৃষিকেশ : আপুনি প্ৰাৰম্ভিককালৰে পৰা বৰ্তমান সময়লৈকে বিভিন্ন উপন্যাস ৰচনা কৰিলে বা বিভিন্ন সাহিত্যৰ সৃষ্টি কৰিলে। এই সাহিত্য সৃষ্টিসমূহৰ আপোনাৰ অনুপ্ৰেৰণাৰ উৎসটো কি?

অনুৰাধা শৰ্মা : মোৰ পাঠকেই উৎস চাবলৈ গ'লে নিজৰ লেখাৰ পৰা নিজেই অনুপ্ৰেৰণা পায় আৰু পাঠকে যেতিয়া আদৰি লয়, পাঠকে যেতিয়া দিমাগু কৰিবলৈ আৰম্ভ কৰে, যেতিয়া পাঠকে য'তেই লগ পাওঁ ত'তেই যদি কৈ দিয়ে যে আপোনাৰ শেষৰখনো পঢ়িলো আৰু কেতিয়া পাম নতুন কিতাপ। মই ভাবো তাতকৈ আৰু ডাঙৰ অনুপ্ৰেৰণা একো থাকিব নোৱাৰে।

হৃষিকেশ : নতুন লেখকসকলেও এনেকুৱা ধৰণৰ অনুপ্ৰেৰণা লোৱা উচিত নেকি?

অনুৰাধা শৰ্মা : হয়, নিশ্চয়। তেওঁলোকৰ কিতাপক যদি সমাদৰ কৰে পাঠকে আৰু পাঠকে যদি তেওঁলোকৰ প্ৰতি মনোযোগী হৈ পৰে, তেওঁলোকৰ কি কিতাপ ওলাইছে প্ৰথমখন পঢ়াৰ পিছতে যদি দ্বিতীয়খনৰ বাবে অপেক্ষা কৰি থাকে, তেতিয়াহ'লে মই ভাৱো নতুন লেখকসকলৰো সেয়ে অনুপ্ৰেৰণা হ'ব।

হৃষিকেষ : আপোনাৰ দৃষ্টিৰে অসমীয়াত্ব বা অসমীয়াত্বৰ স্বৰূপ?

অনুৰাধা শৰ্মা : কোনো অসমীয়াত্ব বুলি মই বিশ্বাস নকৰো। আচলতে নিজৰ ভাষা, দেশ যেতিয়ালৈকে স্বতঃস্ফূৰ্তভাৱে ভাল পাব কৃত্ৰিমভাৱে নহয়, স্বতঃস্ফূৰ্তভাৱে যেতিয়ালৈকে নিজৰ ৰাজ্যখন আৰু নিজৰ ভাষা বিশেষভাৱে

ভাষা, ভাষা যেতিয়া নিজৰ কৰি ৰাখিব স্বতঃস্ফূৰ্তভাৱে আপোনা কৰি ৰাখিব, তেতিয়ালৈকে আচলতে অসমীয়াত্ব থাকিব। তাৰ বাহিৰে আৰু অন্য কথা নাথাকিব। ভাষাই মূল। ভাষাকেই প্ৰথমতে নিজৰ কৰি ৰাখিব লাগিব তাৰ পিছতহে বাকীবোৰ।

হৃষিকেশ : অসমীয়া যুৱ প্ৰজন্মক অসমীয়া ভাষাৰ প্ৰতি কিদৰে সচেতন কৰি তুলিব পাৰি?

অনুৰাধা শৰ্মা : সচেতনতো মোৰ দুখ লাগিছে সেইটোৱেই। নিজৰ ভাষাৰ প্ৰতি সচেতনতা আমি অসমীয়া মানুহে অসমীয়া মানুহক কৰিবলগা হৈছে। সেইটোৱেই দুখৰ কথা তাৰ মানে আমি নকৰো। কিন্তু অন্যান্য বহু ৰাজ্যত আমি দেখিছো তেওঁলোকক সচেতন কৰিবলগা নহয়। নিজৰ ঘৰখনেই ভেটি। গতিকে ঘৰখনতেই যেতিয়া অভিভাৱকে সৰুৰে পৰাই ইংৰাজী মাধ্যমত পঢ়া সকলকো অসমীয়া মাধ্যমৰ অসমীয়া কিতাপসমূহো পঢ়িবলৈ অনুপ্ৰাণিত কৰিব প্ৰত্যেকৰে ঘৰত যেতিয়ালৈকে অসমীয়া আলোচনী, অসমীয়া বাতৰি কাকত এখন থাকিব, তেতিয়াই কিন্তু সেই সচেতনতা নিজে নিজে আহিব। আৰু এতিয়া যিমান দেখিছো ৩ কৌটি ২৫ লাখ মানুহৰ মাজত মাত্ৰ ৩ লাখ মানুহে বাতৰি কাকত আৰু অসমীয়া ভাষাৰ আলোচনী পঢ়ে। ৩ লাখো নহয় চাগে এতিয়া আৰু কমি আহিছে। গতিকে তাৰ পিছত আৰু অসমীয়াত্ব, অসমীয়া ভাষা এইবিলাকৰ ক'ত চৰ্চা কৰা হ'ব।

হৃষিকেশ : হয়, সম্পূৰ্ণৰূপে মাক-দেউতাকৰ ওপৰত নিৰ্ভৰ কৰে আৰু আপুনি এইটো ক'ব বিচাৰিছে?

অনুৰাধা শৰ্মা : নিশ্চয় মাক-দেউতাকৰ ওপৰত নিৰ্ভৰ কৰে। মাক-দেউতাকে যদি ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমত পঢ়ুৱাই কয় অসমীয়াটো নাজানে বুলি, তাৰ পিছত আৰু অসমীয়া কথা কৈ কি লাভ। ইংৰাজী মাধ্যমতে পঢ়ক কিন্তু অসমীয়া ভালকৈ জানে সেইকথাটো যিদিনা গৌৰৱেৰে ক'ব পাৰিব যে যদিও ইংৰাজী মাধ্যমত পঢ়িছে কিন্তু অসমীয়া বৰ ভাল জানে, তেতিয়াহে সচেতনতাৰ কথাটো আহিব। এইটো ঘৰৰ বাদে কোনেও কৰিব নোৱাৰে, নিজা ঘৰখনেই কৰিব লাগিব।

হৃষিকেশ : আপুনি অলপতে "ইয়াত এখন অৰণ্য আছিল" উপন্যাসখনৰ বাবে সাহিত্য অকাডেমী বঁটা পালে তাৰ বাবে অশেষ শুভেচ্ছা জনাইছো।

অনুৰাধা শৰ্মা : হয়, ধন্যবাদ।

হৃষিকেশ : এইটো আমাৰ শেষৰটো প্ৰশ্ন এই বঁটা-বাহনবিলাকক আপুনি কিমান গুৰুত্ব দিয়ে?

অনুৰাধা শৰ্মা : বঁটা-বাহন কেতিয়াও মানুহৰ পৰিচয় নহয়। লেখকৰ পৰিচয় বা শিল্পীৰ পৰিচয় বঁটা-বাহন নহয়; তেওঁৰ কৰ্মইহে হৈছে তেওঁৰ পৰিচয়। বঁটা-বাহন হৈছে এটা সামূহিক স্বীকৃতি। সেই স্বীকৃতিটো যদি তেওঁ উল্লেখযোগ্য কিবা বৰহণি আগবঢ়াইছে, তাৰ প্ৰতি যদি স্বীকৃতি এটা দিয়ে তেওঁ অনুপ্ৰেৰণা পায়। কিন্তু সেই অনুপ্ৰেৰণা পোৱা কথাটো তেওঁৰ পৰিচয় হ'ব নোৱাৰে। তেওঁৰ পৰিচয় তেওঁৰ কৰ্ম।গতিকে বঁটা-বাহনটো এটা অলংকাৰহে। কিন্তু এই অলংকাৰে তেওঁৰ কৰ্মক বিশেষভাৱে মূল্যায়ন কৰে বুলি মই নাভাবো। তেওঁ যদি কৰ্ম নকৰা হৈ যায়, বহু আছে এনেকুৱা মানুহ যে বঁটা-বাহন পাই তেওঁলোকে আৰু দ্বিতীয়বাৰ ভাল পিছৰ লেখাবোৰ বা গীতবিলাক যিয়ে হওঁক শিল্পীয়ে হওঁক বা সাহিত্যই হওঁক তেওঁলোকৰ কৰ্মবোৰ ভাল নোহোৱা হয়। কাৰণ তেওঁলোকৰ আত্মসন্তুষ্টি আহি যায়। গতিকে পুৰস্কাৰক যেতিয়ালৈকে গুৰুত্বপূৰ্ণ বুলি ভাবিব তেতিয়াৰেকে সৃষ্টি কেতিয়াও বলিষ্ঠ হৈ থাকিব নোৱাৰে।

হৃষিকেশ : নতুন লেখকসকলেও বঁটা-বাহনৰ প্ৰতি আসক্ত নোহোৱাকৈ সাহিত্য কৰ্ম কৰাটো আপুনি বিচাৰে?

অনুৰাধা শৰ্মা : এতিয়া আটাইতকৈ দুখৰ কথা হৈছে আজিকালি পইচা দি বঁটা-বাহন লোৱা হৈছে। বহু অনুষ্ঠানক পইচা দিয়ে আৰু বহু নতুন লেখকক প্ৰলোভিত কৰে। তেওঁলোকে ঘৰৰ পৰা মাক-দেউতাকৰ পৰা পইচা লয় আৰু লৈ পেলাই বহু অনুষ্ঠানে বেলেগ বেলেগ প্ৰতিভাৰ বঁটা দিবলৈ আৰম্ভ কৰিছে, ইয়াতকৈ আৰু কু-পৰম্পৰা একোৱে হ'ব নোৱাৰে। বঁটা-বাহনৰ প্ৰতি যদি দৃষ্টি নিক্ষেপ কৰি কোনোৱে সৃষ্টি কৰে, তেতিয়াহ'লে সেই সৃষ্টিয়ে কেতিয়াও সাফল্য লাভ নকৰে। প্ৰথম কথা হৈছে তেওঁৰ সৃষ্টিক মানুহে গ্ৰহণ কৰিব লাগিব, সমাজে গ্ৰহণ কৰিব লাগিব। সমাজে যদি তেওঁৰ সৃষ্টিক গ্ৰহণেই নকৰে, তেতিয়াহ'লে যিমান বঁটা দিলেও তেওঁৰ জানো কিবা কামত আহিব? প্ৰথম কথা তেওঁক পাঠকে গ্ৰহণ কৰিব লাগিব, শিল্পী হ'লে শ্ৰোতাই গ্ৰহণ কৰিব লাগিব, গীতিকাৰ হ'লে তেওঁৰ গীত মানুহৰ মুখে মুখে থাকিব লাগিব। তেতিয়াহে তেওঁৰ সৃষ্টিৰ সাৰ্থকতা থাকিব।

হৃষিকেশ : পাঠকে গ্ৰহণ কৰাটোৱেই আটাইকৈ ডাঙৰ বঁটা?

অনুৰাধা শৰ্মা : হয়, পাঠকৰ ওপৰত আৰু ডাঙৰ বঁটা নাই।

হৃষিকেশ : ধন্যবাদ বাইদেউ, আমাৰ এইকেইটাই প্ৰশ্ন আছিল।

অনুৰাধা শৰ্মা : ধন্যবাদ।

□□□

# আমেৰিকা যুক্তৰাষ্ট্ৰৰ অ'হায় (OHIO) বিশ্ববিদ্যালয়ত যোগাযোগ আৰু সাংবাদিকতা বিষয়ৰ গৱেষক ছাত্ৰ হিচাপে অধ্যয়ন কৰিবলৈ সুযোগ পোৱা ৰাজা দাস (ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক)ৰ সৈতে এমুঠি আলাপ

*সাক্ষাৎকাৰ*— হৃষিকেশ কলিতা
সম্পাদক, ৰঙ্গণ



হৃষিকেশ : আপুনি বহু কষ্ট কৰি এই সফলতাটো পালে। এই কষ্টৰ যিটো বাট তাৰেই গোটেই বাধাসমূহ আঁতৰাই সেই সফলতাটো পাবৰ বাবে আপোনাক কি শক্তিয়ে প্ৰেৰণা যোগাইছিল।

ৰাজা : প্ৰথম কথাটো হ'ল সফলতা বুলি মই নকওঁ। সফলতা বুলি ক'লে এইটো এটা কৃতিত্ব হ'ব পাৰে। কৃতিত্ব আৰু সফলতাৰ মাজত পাৰ্থক্যটো এইটো যে সফলতাই জীৱনৰ শেষ মুহূৰ্তটোকহে বুজায়। জীৱনৰ শেষ মুহূৰ্তত যদি তুমি সুখী হ'ব পাৰিছা তেনেহ'লে মই ভাবোঁ সেইটোৱে সফলতা। আৰু সুখী হোৱাৰ বাবে তুমি জীৱনটোত কিমান খিনি উপলব্ধি কৰিছা! তোমাৰ কি লাভ হৈছে সেইটোৱে গুৰুত্বপূৰ্ণ নহয়। আচল কথাটো হ'ল, তুমি কি খুজি আছিলা, তুমি কি সপোন দেখিছিলা, তুমি কি ভাবিছিলা সেইবোৰ পূৰণ কৰিব পাৰিছা নে নাই তাতকৈ ডাঙৰ কথাটো হ'ল তুমি সমাজৰ কাৰণে কিবা এটা কৰিব পাৰিলা নে নাই? সফলতাৰ পৰিভাষাটো বহুতৰ কাৰণে বেলেগ বেলেগ হয়। কিন্তু মই এইটোক সফলতা বুলি নকওঁ। এইটোক মই এটা কৃতিত্ব বুলি ক'ম। আৰু এইটো মোৰ বাবে গোটেই জীৱন কালৰে কৃতিত্ব। আজিৰ তাৰিখলৈ মোৰ যিটো যাত্ৰা সেই যাত্ৰাটোত মই ক'তো ৰখা নাই আৰু মই নৰখাৰ কাৰণ এইটোৱে যে মই পথে পথে এনেকুৱা বহুতো মানুহৰ জীৱন ক'ত অনুশীলন কৰিছোঁ আৰু সেই মানুহখিনিৰ পৰা মই যথেষ্ট উৎসাহো পাইছোঁ আৰু ক'ৰবাত সেই মানুহখিনিয়ে বিপদৰ অৱস্থাত মোক আগুৱাই যাবলৈ যি উৎসাহ দিলে সেই উৎসাহৰ পৰাই বা কথাটোৰ পৰাই যে মই জীৱনত আগলৈ গৈ কিবা এটা কৰিম তাৰ উৎসাহটো আহিছে। মোৰ যিটো যাত্ৰা সেইটো এটা বহু দীঘল যাত্ৰা বুলিয়ে ক'ব লাগিব। কাৰণ বৰ্তমান মোৰ বয়স ২৯। জুলাই মাহত মই ৩০ বছৰত সোমাম। যদি মই নিজাকৈ নিৰ্দ্ধাৰণ কৰি চাওঁ মই জীৱনটোৰ প্ৰায় ৩০ বছৰ শিক্ষাত দিলোঁৱেই। আৰু পিছৰ পাঁচটা বছৰ মোৰ শিক্ষাত দিবলৈ আছে। মই নিজে ভাবোঁ বৰ্তমানটো মানুহ ৮০ বছৰ জীয়াই নাথাকে। প্ৰায় ৬০ বা ৭০ বছৰ বয়সলৈ জীয়াই থাকে। গতিকে মই সেই হিচাপত অংকটো কৰোঁ যে আজিলৈকে ধৰা মোৰ ৩০টা বছৰ শিক্ষা ল'লোঁ। আৰু ৫টা বছৰ যদি মই পি. এইচ. ডি. কৰোঁ মই ৩৫ বছৰৰ হ'লোঁ। আৰু এই ৩৫টা বছৰ যদি মই কাটি দিওঁ মোৰ হাতত থাকিব ২৫টা বছৰ। মই শংকিত এইটোক লৈ যে শেষ মুহূৰ্তত মোৰ শিক্ষা জীৱনৰ শিক্ষাৰটো কোনোদিনে শেষ নাই তথাপিও মোৰ এটা আশা যে মোৰ শিক্ষা জীৱনৰ এটা সমাপ্তি ঘটক আৰু তাৰ পিছত মই যাতে যথেষ্টখিনি সময় সমাজক দিবলৈ সুযোগ পাওঁ। সেই কথাটো মই সদায় ভাবোঁ আৰু মই ভাবোঁ ৫টা বছৰ পাছত সমাজক দিবলৈ সাজু হ'ম। বাকী মোৰ যিটো যাত্ৰা এইটো মোৰ নিজৰ এটা দৃঢ় সংকল্প আছিলে। সকলোৱেই নিজৰ জীৱনত নিজৰ ক্ষেত্ৰত ঠেকা এটা পায়। সকলোৱে সেই ক্ষেত্ৰটো বেলেগ বেলেগ। ময়ো সেই ঠেকাটো পাইছোঁ। মানুহে যেতিয়ালৈকে সেই ঠেকাটো নাপায় বা যেতিয়ালৈকে কষ্টৰ মাজেৰে নচলে মই ভাবোঁ। তেতিয়ালৈকে তেওঁ জীৱনটো উদ্‌যাপন কৰিব নোৱাৰে। সেয়ে মই ভাবোঁ মই যদিও জীৱনত বহুতো বিপদৰ সন্মুখীন হৈছোঁ মই জীৱনক উদ্‌যাপন কৰিছোঁ। মই যে জীৱনত এই সৰু সৰু কৃতিত্ববোৰ পাইছোঁ সেইবোৰেই আচলতে প্ৰমাণ মই যে জীৱনটো উপভোগ কৰিছোঁ। কাৰণ আজি মই দুটা বিষয়ত স্নাতক লৈ এম ফিল কৰিলোঁ। তাৰ পিছত বাহিৰত এতিয়া এখন ভাল স্কলাৰশ্বিপ তথা এখন ভাল বিশ্ববিদ্যালয়ত অধ্যয়ন কৰিবলৈ সুযোগ পাইছোঁ। সেইটো মোৰ বাবে বহুত ডাঙৰ কথা। আৰু তাক মই সফলতা বুলি নকওঁ সেইটো মোৰ বাবে কৃতিত্ব। সফলতা বুলি মই সেইদিনা ক'ম। যিদিনা মই ইমানখিনি শিক্ষা যে আহৰণ কৰিলোঁ সেইখিনি মই বাস্তৱত মানুহৰ কল্যাণৰ বাবে প্ৰয়োগ কৰিব পাৰিম সেইদিনা মই সফল হ'ম।

হৃষিকেশ : গতিকে মূল শক্তি বুলি ক'বলৈ গ'লে প্ৰথমতে কিছুমান বিশেষ ব্যক্তিৰ সান্নিধ্য। দ্বিতীয়তে আপোনাৰ মনৰ দৃঢ়তা আৰু শেষত আপুনি জীৱনত যিবোৰ বাধা পাইছে এই তিনিটাই মূল?

ৰাজা : হয় এই তিনিটাই মূল।

হৃষিকেশ : দ্বিতীয়তে আপোনাৰ যাত্ৰাটোৰ বিষয়ে সবিশেষ কওঁক। বা কেনেকৈ আপুনি এখন বিশ্বমানৰ বিশ্ববিদ্যালয়ত স্কলাৰশ্বিপৰ সুযোগটো পালে?

ৰাজা : যদি মোক ভগৱানে দিয়ে মই মোৰ কামবোৰ সঠিককৈ কৰি যাব পাৰোঁ। তেনেহ'লে মই নিশ্চয়কৈ সংক্ষেপে মোৰ এই যাত্ৰাৰ বিষয়ে মোৰ নিজৰ আকাৰত ক'ৰবাত লিখিম। কিন্তু তুমি যিহেতু সুধিছা মই মোৰ জীৱনৰ এটাক দুটা খুব স্মৰণীয় মুহূৰ্ত্ত ক'ব বিচাৰিম। যিবোৰ আচলতে মোৰ যাত্ৰাৰ অন্তৰঙ্গ অংশ বুলি কম। এনেকুৱা ধৰণৰ স্মৃতি আৰু বহুত আছে। কিন্তু আজি কম সময়ত সংক্ষেপে ক'ব লাগে যেতিয়া মই এটা মুহূৰ্তৰ বিষয়ে কম। মোৰ মনত আছে যে এজন ব্যক্তি যাক মই মোৰ নিজৰ শিক্ষাগুৰু বুলিয়েই নহয় তেওঁ মোৰ নিজৰ দাদাৰ স্থানো লৈছে, পিতৃৰ স্থানো লৈছে। কেৱল মোৰেই নহয় মই যেতিয়া পিছত মানুহজনক অধ্যয়ন কৰি চালোঁ গম পাইছিলোঁ তেওঁৰ আন বহু ছাত্ৰ-ছাত্ৰীৰ জীৱনত প্ৰভাৱ আছে। সেই মানুহজনৰ লগত মোৰ এটা স্মৃতি সদায় মনত থাকিব। যেতিয়া মই হায়াৰচেকেণ্ডাৰী প্ৰথম বৰ্ষৰ ছাত্ৰৰ আছিলোঁ আমাৰ হায়াৰ চেকেণ্ডাৰী পঢ়ি থকা অৱস্থাত ইতিমধ্যে এটা Adolation Age আহি যায়। যিটো স্কুলত পঢ়ি থকা অৱস্থাত

আৰম্ভ হয়। এই কৈশোৰ বয়সত Adrenaline rush নামৰ এটা প্ৰক্ৰিয়া চলি থাকে। এই প্ৰক্ৰিয়াটো তুমি কোনটো ফালে ব্যৱহাৰ কৰিছা সেইটোৰ লগত কথা। তুমি যদি ভাল ক্ষেত্ৰত ব্যৱহাৰ কৰিছা সেই উদ্যম যিটো শক্তি তেনেহ'লে ভাল হ'ব। আৰু বেয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰিলে বেয়া হ'ব। তাতোকৈ ডাঙৰ কথা সেইখিনি সময়ত তোমাৰ লগত কোনজন ব্যক্তি আছে সেইজনৰ আটাইতকৈ ডাঙৰ ভূমিকা। সেই সময়ত মোৰ লগত মোৰ মা, দেউতা আৰু কোনো নাছিলে। আৰু সেই সময়ত মই নিজে ক'ম মই ইমানখিনি চিন্তা কৰিব হৈছিলোঁ যে মই নিজে উপাৰ্জন কৰি চলিছিলোঁ আৰু মোৰ কোনো অভিযোগ নাছিল। তাৰ পিছতো এই ব্যক্তিজনে মোক এটা দিশ দেখুৱাই দিছিল একো নোকোৱাকে। এই মুহূৰ্তত যদি মই ক'বলৈ যাওঁ কথাটো এনেকুৱা হ'ব কথাটো যে হায়াৰ চেকেণ্ডাৰী প্ৰথম বৰ্ষত মই প্ৰেমত পৰিছিলোঁ। আচলতে এইবিলাক কথা আমি ক'লেহে এতিয়াৰ ল'ৰা-ছোৱালীয়ে বুজি পাব। আচলতে বস্তুবিলাক কিমান পাতল আৰু ভাবোঁতে আমি কিমান গাম্ভীৰ্যপূৰ্ণভাৱে ভাবিব লাগে। কিন্তু আমি নাভাবো। যদি আমি এনে বয়সতে এনেকুৱা ধৰণৰ বয়সৰ ব্যক্তিৰ সান্নিধ্য লাভ কৰিব পাৰোঁ তেনেহ'লে এনে ধৰণৰ চিন্তা-চৰ্চা সঁচাকৈ আমি কৰিব পাৰোঁ। সেই সময়ত সেই মানুহজনে মোক যি এটা দিশ দেখুৱালে সেইটো মই টাৰ্নিং পইণ্ট বুলি ক'ম মোৰ জীৱনৰ ক'ৰবাত হয়তো। সেই মানুহজনে একো নোকোৱাকৈ এটা সঠিক পথ দেখুৱাই দিলে যে জীৱনটোত বহুত কৰিবলৈ আছে। জীৱনটো এই ভালপোৱা, মৰম আজুৰিবলৈ হ'লে এই জীৱনটো আৰু কিমান কৰিব লাগিব। যিজন মানুহে ৰাতি মই ভাত খাইছোঁ ঃ খোৱা নাই সেইটো খবৰ ল'বলৈ যায়, যিজন মানুহে ৰখি থাকে মই টিউচন কৰি কেতিয়া আহো, তাৰ পিছত সেইজন মানুহে মোক ভাত খাবলৈ ঘৰলৈ মাতি নিয়ে সেইজন মানুহজনৰ লগত হায়াৰ ছেকেণ্ডাৰী পঢ়ি থকা সময়ত এটা দূৰত্ব আহি পৰিল। সেই দূৰত্বৰ কাৰণ হ'ল সেই সময়ত মোৰ বুজা শক্তি অতি কেঁচা আছিলে। মই যেতিয়া ছোৱালী এজনীৰ প্ৰেমত পৰিছোঁ, তেতিয়া মই ভাবিছিলোঁ ময়ে শ্ৰেষ্ঠ। এনেকুৱাকৈ এতিয়াও বহু ল'ৰা-ছোৱালীয়ে ভাবে কলেজীয়া ল'ৰা-ছোৱালীবোৰে বুজি পাব যিটো মই এতিয়া উপলব্ধি কৰোঁ। সেই সময়ত মোৰ এটা অভিমান জাগি উঠিছিল। মই ছাৰৰ লগত মাত-বোল বন্ধ কৰি দিছিলোঁ। কাৰণ সেই মানুহজনে মোক প্ৰেম কৰিবলৈ বাধা দিছিলে যে তোৰ কি পৰিৱেশ, তই যদি এতিয়া প্ৰেমত পৰ কি হ'ব এনেদৰে তেওঁ বুজাব পাৰিলে হয় কিন্তু তেওঁ নিজে নিজে মোৰ লগত কথা কোৱা বন্ধ কৰি দিছে এই কথাটো মই অনুভৱ কৰিছোঁ। এনেকুৱা হোৱা ক'ৰবাত ময়ো এটা অশান্তি পাইছিলোঁ যে সেইজন মানুহে কিয় ইমান হঠাতে খবৰ নোলোৱা হৈ গ'ল, কি হ'ল। মই নিজেও এটা শান্তি অনুভৱ কৰিছিলোঁ যে ছাৰ আঁতৰি গ'ল এতিয়া মোৰ প্ৰেমৰ জীৱন সফল হ'ব। কিন্তু প্ৰেম বুলি ক'লে কেৱল এজনী ছোৱালী বা আমি কৈশোৰ কালত আমাৰ যি প্ৰেম জাগে সেয়াই প্ৰেম নহয় আচলতে। ভালপোৱাটো হ'ল মনৰ আন্তৰিকতা। ভালপোৱা মানুহজনৰ অনুপস্থিতিয়ে ক'ৰবাত তোমাক এটা চিন্তাৰ সৃষ্টি কৰে। সেয়ে এদিন মই ৰাতি টিউচন কৰি আহি ১১টা ১১.৩০টা বজাত ছাৰৰ লগত এই দূৰত্ব হোৱাই অশান্তি পোৱাত তেওঁক লগ কৰিলোঁ। তেওঁ একো মতা নাই কৈছে ৰাজা বহ। তাৰ পিছত ছাৰক এটা কথা ক'বলগীয়া থকা বুলি কোৱাত ছাৰে ইমানদিনে একো কথা নপতা সত্ত্বেও সহজতে কৈছে কি কথা কচোন বুলি। এনেকৈ কোৱাৰ পিছতে মোৰ চকুপানী ওলাই আহিল। ছাৰে মোৰ মূৰটো তেওঁৰ কান্ধত বৈ কেৱল সান্ত্বনা দিছে যে কি কাৰণে কান্দিছ সেইটো তই নিজেই উপলব্ধি কৰিব পাৰিছ। সেই নিজে নিজে যিটো বুজা শক্তি আহিল সঁচাকে তেওঁৰ মোৰ জীৱনত যথেষ্ট অৰিহণা আছে। এই অৰিহণাটোক তুমি কেতিয়াও পাহৰিব নোৱাৰা। এইটোক মই turning point বুলি এইবাবেই ক'ম যে আজিলৈকে মোৰ তেওঁৰ লগত দূৰত্ব হোৱা নাই আৰু সেই সময়ৰ পৰাই প্ৰতিটো মুহূৰ্তত তেওঁৰ আশীৰ্বাদ, তেওঁৰ মৰমে মোক ইমানখিনি আগুৱাই অহাত সহায় কৰিছে। গতিকে মই এইটোই ক'ব বিচাৰিছোঁ যে মোৰ যাত্ৰাটো বহুত কষ্টকৰ আছিলে। মই কিমান ৰাতি কেই সাজ নোখোৱাকৈ আছো নাজানো আৰু এইজন ব্যক্তিয়ে মোক খুৱাইছে, ৰাতি দিছে, জীৱন দিছে, বেমাৰ হোৱাত চিকিৎসা কৰাইছে। গতিকে এই যে দায়িত্ব, তেওঁ এজন যুৱ শিক্ষক আছিলে। গতিকে এজন যুৱকে যদি সমাজত এনেকুৱা ভূমিকা পালন কৰিছে, তেতিয়া মই অনুভৱ কৰোঁ যে মোৰ বহু দায়িত্ব আছে। মোৰ এই যাত্ৰাটোত যিমান কষ্ট পাৰ কৰি আহিলোঁ তাৰ শেষত মোৰ এইটোৱে আশা যে সেই কষ্টবোৰৰ যি মূল্য মই একমাত্ৰ সমাজক কিবা এটা দিহে গ্ৰহণ কৰিব পাৰিম। মোৰ উদ্দেশ্য সেইটো নাছিলে যে সেই মানুহজনক মই কিবা এটা দিম। কেৱল সেই মানুহজনেই নহয় আৰু এনেকুৱা বহুতো ব্যক্তি আছে মোৰ স্কুলৰেই শিক্ষক আছে বহুতেই মোক মাচুল নোলোৱাকৈ টিউচন কৰিছে যিহেতু মই বেচৰকাৰী বিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰিছোঁ। স্কুলত কেইবাবাৰো মাহিলী মাচুল দিব নোৱাৰো বাবে পৰীক্ষাত বেঞ্চৰ পৰা উঠাই আনিছিলে পৰীক্ষা দিব পৰা নাছিলোঁ। গতিকে মই প্ৰত্যেকজন অভিভাৱকৰ উদ্দেশ্যে এইটো কথা ক'ম যে আচলতে প্ৰাথমিক শিক্ষাটো অভিভাৱকে নিজে সন্তানক দিব লাগে। মোক দেউতাই জীৱনত বহু কষ্ট কৰিছে সেইবাবে মই দেউতাৰ ভূমিকাখিনিক কোনোদিনে নুই কৰিব নোৱাৰো। মোৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত যথেষ্টখিনি ভূমিকা আছে। এনেদৰে মোৰ জীৱনত আন বহুতো স্মৰণীয় মুহূৰ্ত আছে। তাৰ ভিতৰত মই সেই ব্যক্তিজনৰ কথা তোমালোকৰ আগত ক'লোঁ।

হৃষিকেশ ঃ ব্যক্তিজনৰ নামটো আপুনি আমাৰ ওচৰত ব্যক্ত কৰিব খুজিবনে?

ৰাজা ঃ হয়, নিশ্চয়। মই মোৰ অতি শ্ৰদ্ধাৰ মুকুল বেজ বৰুৱা ছাৰৰ কথা ক'ম। মই সকলো ঠাইতে তেওঁৰ নামটো উল্লেখ কৰিব পোৱাটো মোৰ বাবে সৌভাগ্য। মই ভাগ্যৱান যে তেওঁৰ নামটো ল'ব পাৰিছোঁ। তেওঁ মোৰ জীৱনত অৰিহণা আছে সেইবাবে নহয়। গোটেই সমাজখনতে তেওঁৰ অৰিহণা আছে। তেওঁৰ দৰে শিক্ষক যাতে আৰু ওলাই আহে মই তাকে অনুৰোধ কৰোঁ। কাৰণ শিক্ষকসকলে কেৱল কিতাপৰ পঢ়া-শুনাৰ বাহিৰে ছাত্ৰ-ছাত্ৰীৰ আন দিশবোৰো বুজি পাব লাগে। এজন ভাল শিক্ষক হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে কি ধৰণৰ সংগ্ৰাম কৰি আছে তাক জানিবৰ বাবে কেৱল পঢ়া-শুনাই নহয় তেওঁলোকৰ আন দিশবোৰো জানিব লাগিব।

হৃষিকেশ ঃ তৃতীয় প্ৰশ্নটো হ'ল, আপুনি ক'লেই আপুনি প্ৰেমত পৰিছিল বা বৰ্তমান কেৱল প্ৰেম বুলিয়েই নহয় বিভিন্ন ক্ষেত্ৰত ল'ৰা-ছোৱালীয়ে এক ভাঙোনমুখী পথেৰে যাত্ৰা কৰা দেখা যায় অৰ্থাৎ যিটো সফলতা বা যিটো তেওঁলোকৰ কৰ্তব্যহে কৰা উচিত তাৰ পৰা কোনোবাখিনিত আঁতৰি যোৱা দেখা যায়। এই যিটো সমস্যা তাৰ পৰা

নিজকে বচাই চলিবলৈ বা এই সমস্যাটো আঁতৰ কৰিবলৈ আমি বা আমাৰ যুৱ প্ৰতিনিধি সকলে কেনেধৰণৰ পদক্ষেপ লোৱা উচিত?

ৰাজা : চোৱা, আমি যদিও বৰ্তমান ডিজিটেল যুগত ভৰি দিছোঁ। মই আজিও ক'ম যে আমাৰ অভিভাৱকসকলেই আমাৰ কৰ্তা ধৰ্তা। বৰ্তমান যিমান বেছি যুগ আগবাঢ়ি গৈ আছে অভিভাৱক সকল সিমানেই বেছি দায়িত্বশীল হোৱা প্ৰয়োজন আহি পৰিছে। কথাটো মই এইকাৰণেই কৈছো যে, অভিভৱসকলেই নিজেই জানিছে যে বৰ্তমান যিবোৰ প্ৰযুক্তিৰ উদ্ভাৱন হৈ আছে, যিবিলাক ডিজিটেল প্লেটফৰ্ম আহিছে ইণ্টাৰনেটৰ পৰা আৰম্ভ কৰি ছ'চিয়েল মিডিয়া প্লেটফৰ্মলৈকে অভিভাৱক সকলেও ক'ব্বাত এৰি দিছে মোৰ ল'ৰা-ছোৱালীৰ অভিভাৱক হয়তো ছ'চিয়েল মিডিয়া, অভিভাৱক হয়তো ম'বাইল ফোন, অভিভাৱক হয়তো ইণ্টাৰনেট। অভিভাৱকসকলে যিদিনা এই কথাটো দৃঢ়ভাৱে মানি ল'ব যে ল'ৰা-ছোৱালীৰ বিচাৰ গঠনত ছ'চিয়েল মিডিয়া ইণ্টাৰনেট আদিয়ে প্ৰভাৱিত কৰি পেলাবে নোৱাৰে। গতিকে অভিভাৱসকলে বহু বেছি দায়িত্ব সহকাৰে ভূমিকাটো পালন কৰিব লাগিব। মই ভাবো এতিয়া বুলি নহয় আগৰ পৰায়ে বিশ্বাস কৰি অহা হৈছে যে আমাৰ ল'ৰা-ছোৱালীক একমাত্ৰ মাক-দেউতাক আৰু ঘৰৰ পৰিৱেশে যি অনুশাসন কৰিব পাৰে তাৰ ভূমিকা আন কোনো মাধ্যমে ল'ব নোৱাৰে। ছ'চিয়েল মিডিয়া, ইণ্টাৰনেট ইত্যাদি এই গোটেইখিনি বস্তু আমি অধ্যয়ন কৰাটো প্ৰয়োজনীয়। এই যুৱ প্ৰজন্মৰ ল'ৰা-ছোৱালীবোৰক মোৰ এইটো আহ্বান যে তোমালোকে অধ্যয়ন কৰা যিটো ভাল, য'ত সঠিক তথ্য আছে। বহুতো ভুল তথ্যও আছে। গতিকে সেই বস্তুবোৰৰ পৰা আঁতৰি থাকিবলৈ হ'লে আচলতে সেই বস্তুবোৰৰ বাবেই ল'ৰা-ছোৱালী লক্ষ্যৰ পথভ্ৰষ্ট হয়। প্ৰেমটো প্ৰকৃতিগত। মই অকল প্ৰেম বুলিয়েই নকওঁ, সেইটোক প্ৰেম বুলিও নকয়। সেইটো হ'ল প্ৰথম চিনাকি পৃথিৱীৰ লগত। এইটোত মোৰ কোনো ৰায় নাই। মই বিচাৰো যাতে ল'ৰা-ছোৱালীখিনিয়ে বুজি পায় কাৰণ এইটোও দৰকাৰ। তেতিয়াহে ল'ৰা-ছোৱালীখিনিয়ে জীৱনটো জানিব যেনেদৰে মই নিজে উপলব্ধি কৰি পাৰ্থক্যটো বুজিব পাৰিছোঁ যে এইটো ভাল পোৱা আৰু মানুহৰ প্ৰতি শ্ৰদ্ধাভাৱ থকাটোও এটা ভালপোৱা। এইটো বুজি পাবৰ বাবে সেই ল'ৰা-ছোৱালীখিনিক কেনেকুৱা পৰিৱেশৰ প্ৰয়োজন সেইটোহে ডাঙৰ কথা। মোৰ মা-দেউতাই দশম শ্ৰেণীলৈকে এটা ভাল চৰিত্ৰ গঠন কৰি দিছে। তাৰ পিছতো মোৰ দায়িত্ব আছে কিন্তু তাৰ পিছতো মোৰ দায়িত্ব আৰু কোনে ল'ব লাগিব। মোৰ মা-দেউতাৰ বাহিৰে শিক্ষক-শিক্ষয়িত্ৰী সকলে। আমাৰ কিছুমানে ভাবি লয় যে শিক্ষকখিনিয়ে অভিভাৱক। কিন্তু অভিভাৱকসকলে পাহৰি যাব নালাগে যে তেওঁলোক হ'ল জন্মদাতা। নিজে জন্ম দিয়া ল'ৰা-ছোৱালীৰ চৰিত্ৰ গঠনত যদি সেই মাক-দেউতাকৰ অলপো অৰিহণা নাথাকে, তেনেহ'লে মই নাভবো যে সেই সন্তানজন সমাজৰ সু-নাগৰিক হ'ব। এটা হ'লেও ভাল গুণ থাকিব লাগিব। মাক-দেউতাকৰ গাত হয়তো হেজাৰ বেয়া গুণ থাকিব পাৰে, বেয়া গুণ আহক তাত ক'ব লগা নাই। কিন্তু সেই মাক দেউতাকেও যত্ন কৰিব লাগিব যে অন্ততঃ এটা গুণ হ'লেও আমি দিব পাৰিব লাগিব। তাৰ পিছত শিক্ষকসকলৰ ভূমিকা। শিক্ষকসকলে অভিভাৱকৰ ঠাই ল'ব পাৰে। মোৰ ক্ষেত্ৰত তেনেকুৱাই হৈছে। গতিকে নৱপ্ৰজন্মখিনিয়ে নিজৰ লক্ষ্যৰ পৰা আঁতৰি নাযাবৰ বাবে মই ভাবোঁ সেই সেই ল'ৰা-ছোৱালীখিনিয়ে





অধ্যয়ন কৰিব লাগিব বহুত বেছি কিতাপ পঢ়িব লাগিব। বিভিন্ন ধৰণৰ কিতাপ অধ্যয়ন কৰিব লাগিব। কেৱল যে মই হায়াৰ চেকেণ্ডাৰী পঢ়ি আছোঁ তাৰেই কিতাপ অধ্যয়ন কৰিম এই ধাৰণাটো গুচি যাব লাগিব। এই ধাৰণাটো কেতিয়াবাই গুচি যোৱাটো দৰকাৰ আছিল। এই ধাৰণাটো অভিভাৱকেও কিছু ক্ষেত্ৰত ল'ৰা-ছোৱালীৰ মূৰত সোমাই দিয়ে। সেইবাবে মই তেওঁলোকৰ ওচৰলৈয়ে দায়িত্বটো ঠেলি দিছোঁ এইকাৰণেই যে অভিভাৱকসকল ল'ৰা-ছোৱালীকলৈ ইমান চিন্তিত। কিন্তু সেই পৰিভাষাটো যদি আজিৰ তাৰিখত তুমি নিজেই অধ্যয়ন কৰি চোৱা তোমাৰ নিজৰে চিন্তা হ'ব। আচলতে এইটো কেনেধৰণৰ কথা। মাক-দেউতকেই নিজৰ ল'ৰা-ছোৱালীখিনিক কয় যে স্কুলত চিলেবাছ সম্পূৰ্ণ হৈছে নে নাই। নিজৰ ল'ৰা-ছোৱালীখিনিয়ে নাজানে স্কুলত কি কৰিছে, কিমান কি আগবাঢ়িছে, কিন্তু মাক-দেউতাকে জানে কিমানখিনি হৈছে কিমানখিনি হোৱা নাই। ঠিক আছে মাক-দেউতাকে ইমান চিন্তিত হোৱাটো দৰকাৰ কিন্তু তাৰোপৰি মাক-দেউতাকে ল'ৰা-ছোৱালীক এইটো কথা বুজাই দিব লাগিব যে চিলেবাছৰ পাঠ্যক্ৰমে কেৱল পঢ়া নহয়। ইয়াক চাৰিওফালৰ পৰা আৰম্ভ কৰিব লাগিব।

হৃষিকেশ : বাহিৰা কিতাপ নামৰ মানসিকতাটো এইক্ষেত্ৰত দৰকাৰ নিশ্চয়?

ৰাজা : হয়, ঠিকেই কৈছা। বাহিৰা কিতাপ বুলি ক'লে এনেকুৱা নহয় যে মই ইংৰাজী সাহিত্যৰ ছাত্ৰ। মই ৰাজনীতি বিজ্ঞান পঢ়িম। এইটো তাতেই সীমিত হ'ব নালাগে। আমি জীৱনটোক বুজিবলৈ হ'লে বহু ডাঙৰ ডাঙৰ ব্যক্তিৰ জীৱনী পঢ়ি তুমি সিমানেই তোমাৰ জীৱনটোক উপলব্ধি কৰিব পাৰিবা। আমি বেছিভাগেই মহান ব্যক্তিৰ জীৱনী নপঢ়ো। আমি উপন্যাস পঢ়ো। উপন্যাসৰ পৰাও বহু জানিবলগীয়া থাকে। আমি ৰচনা পঢ়ো, আমি ৰাজনীতি বিষয়ে অধ্যয়ন কৰোঁ, আমাৰ য'ত ৰুচি আছে। আমি সকলোবোৰ পঢ়ো। কিন্তু মহান ব্যক্তিসকলৰ জীৱনী বেছিকৈ পঢ়িব লাগিব। সকলোবোৰ বিষয়বস্তুতে আজিৰ ল'ৰা-ছোৱালীয়ে নিজৰ লক্ষ্যত স্থিৰ হৈ থাকিব। এটা বিন্দুৰ প্ৰতি আমাৰ দৃষ্টি তেতিয়াহে থাকিব আচলতে আমি ভাবো যে এটা জাপতে আমি সেই বিন্দুটো গৈ পাম কিন্তু তেনে কথা নহয়। আমি বিন্দুটোলৈ যাবলৈ নিজে বিভিন্ন পথ বাচি ল'ব লাগিব কেনেকৈ সেই বিন্দুটোলৈ যাব পাৰি। মহাভাৰতত অৰ্জুনে কেৱল চকুটোলৈ চায়ে আক্ৰমণ কৰিছিল। এই বিষয়ে আমি নীতি শিক্ষাও পাইছোঁ যে লক্ষ্য কেনে হোৱা উচিত। কিন্তু মোৰ কথাটো হ'ল কেৱল চকুটোৰ ওপৰত নজৰ ৰাখি মানুহৰ জীৱনৰ আশেপাশে কি চলি আছে, সমাজত ব্যক্তিসকলৰ লগত কি চলি আছে সেই কথাটো আমি কেতিয়াও জানিব নোৱাৰো। আজিৰ তাৰিখত এজনে আনজনক সহায় কৰা মানুহ কমি গৈছে। গতিকে আজিৰ দিনত আমি সকলো বাদ দি কেৱল সেই বিন্দুটোতে নজৰ ৰাখিলে নহ'ব। আজিৰ দিনত নৱপ্ৰজন্মই এই কথাটো উপলব্ধি কৰা দৰকাৰ যে আমাৰ আশে-পাশে কি চলি আছে, আমাৰ ওচৰ-চুবুৰীয়াই কেনেকৈ চলিছে, ৰাতি এসাজ খাবলৈ পাইছে নে নাই সেই কথাটো বুজিব পাৰিলেহে তেওঁলোকে লক্ষ্যটো নিজে নিজে পাব। কেতিয়া গৈ পায় নিজেই গম নাপাব। মোৰ লগত তেনেকুৱা হৈছিল যে মোৰ কোনো উদ্দেশ্য নাছিল যে মই বাহিৰত পঢ়িবলৈ যাম কিন্তু মই সেই বিন্দুটোলৈ আহিছো কাৰণ তাত মই বহু কাম কৰিছোঁ আৰু সেইবোৰ কৰি মই এখন প্লেটফৰ্ম পাইছোঁ। সেইটো মই কোনো দিনে পৰিকল্পনা কৰা নাছিলোঁ। মানুহৰ জীৱনৰ

সফলতাটো কোনোদিনে পৰিকল্পিত নহয়। আমি বহুতে সৰুতে কওঁ যে মই ডাক্তৰ হ'ম, ইঞ্জিনিয়াৰ হ'ম। এইবিলাক সৰুতে কোৱা কথা। আচলতে লক্ষ্যবোৰ তেনেকুৱা নহয়। লক্ষ্যটো এটাই হ'ব লাগিব যে সমাজৰ বাবে ভাল কাম কৰিম মই শিকা কথাবোৰ বাস্তৱত প্ৰয়োগ কৰিম। মোক যিয়ে সহায় কৰিছে তেওঁক মই সহায় কৰিম লগতে মোৰ ওচৰত থকা মানুহখিনিকো সহায় কৰিব লাগিব।

হৃষিকেশ : আপুনি যিহেতু এজন সাংবাদিকতাৰ ছাত্ৰ আপোনাৰ আগৰ পৰ্যায়ৰ বৃত্তিটো যিহেতু সাংবাদিকতাৰ লগত জড়িত। গতিকে আপোনাৰ দৃষ্টিত বৰ্তমান ভাৰতৰ সাংবাদিকতাৰ পৰিৱেশ কেনেকুৱা? ইয়াক আপুনি কি ৰূপে চাব বিচাৰে?

ৰাজা : সাংবাদিকতাৰ প্ৰতি অৱশ্যে দুৰ্বলতাটো মোৰ আগৰ পৰাই আছিলে। মই নিউজ চেনেল চাই চাই আগতে টক শ্ব' বিলাক বহুত চাও। মই নিজেও আচলতে এজন তাৰ্কিক আছিলোঁ। এতিয়া মই সুযোগ নাপাও তৰ্ক কৰাৰ। ডাঙৰ হোৱা বাবে। এনেধৰণৰ বহু বিষয় কথাই সেই সূত্ৰেই মোৰ ইংৰাজীত এটা লক্ষ্য আছিল আগৰ পৰাই। সেইবাবেই মই সাংবাদিকতাৰ দিশে সোমাই পৰিলোঁ। কিন্তু সোমাই যোৱাৰ পিছতহে মই বুজি পাইছোঁ আচলতে সাংবাদিকতাটো কি? মই তাৰ আগতে কেৱল নিউজ চেনেলহে চাইছিলোঁ। এই তৰ্ক-বিতৰ্ক, আলাপ-আলোচনা এইবিলাকে মোক আকৰ্ষিত কৰিছিল। এনেদৰে মই সাংবাদিকাতত সোমাই পৰিলোঁ। ইয়াক জনাৰ বাবে বহু অধ্যয়নৰ প্ৰয়োজন। তাৰ দ্বাৰাহে সাংবাদিকতা কি জানিব পাৰি। মোৰ বাবে সাংবাদিকতা আজিৰ তাৰিখত যিটো সাংবাদিকতা হৈ আছে সেইটো সাংবাদিকতা নহয়, সেইটো কোনো কাৰণতে সাংবাদিকতা হ'ব নোৱাৰে। কিয়নো এই সাংবাদিকতাবোৰত গৱেষণা নাই। সেইবাবে মই সেইদিনা এইষাৰ কথা কলেজত কৈছিলোঁ— "Without research journalism is a near fiction." গৱেষণা নকৰাকৈ তুমি যদি সাংবাদিকতা কৰিছা তেনেহ'লে সেই সাংবাদিকতা একমাত্ৰ সাঁজি উলিওৱা কথাহে হ'ব। সেইটো কল্পনাহে, সেইটোত বাস্তৱৰ লগত জড়িত কোনো কথা নাথাকে। গতিকে আজিৰ দিনত যি সাংবাদিকতা হৈ আছে হয়তো খুব কম সাংবাদিক আছে আমাৰ দেশত যিসকলে গৱেষণা কৰি সাংবাদিকতা কৰে। কিন্তু বেছিভাগ মইতো কম ৯০ৰ পৰা ৯৫ শতাংশ সাংবাদিকতাৰ যিটো টৌ গৱেষণা নকৰাকৈ চলি আছে যাৰ বাবে বহু তথ্য সাংবাদিকেই বিলায়। মই সাংবাদিকতাৰ আদৰ্শটোৰ বিষয়ে কৈছোঁ যে আজি পৰাগ কুমাৰ দাস কোন সেইবিলাক কথা আমি আমাৰ উঠি অহা নৱ প্ৰজন্মই জনাটো দৰকাৰ। পৰাগ কুমাৰ দাসে কি কাৰণত, তেওঁৰ কি গুণৰ আছিল যাৰ বাবে তেওঁ ইমান কম বয়সতে ৩৫ বছৰ বয়সতে প্ৰাণ আহুতি দিব লগা হৈছিল, তেওঁক হত্যা কৰা হৈছিল। গতিেক আজিৰ দিনত যিটো সাংবাদিকতা চলি আছে মই এক আখৰতে নাকচ কৰিছোঁ। এই সাংবাদিকতাৰ বিৰুদ্ধে আচলতে মোৰ যুদ্ধ। মই ইংৰাজী সাহিত্যত স্নাতকোত্তৰ কৰিছোঁ, তাৰ পিছতে মই নিজকে বিচাৰি পাইছোঁ যে মোৰ আগ্ৰহ সাংবদিকতাত আছে তাৰ পিছত মই সাংবাদিকতাত স্নাতকোত্তৰ কৰি তাৰ লগত চিনাকি হ'লোঁ। চিনাকি হৈ মই দেখিলোঁ যে গৱেষণাৰ দৰকাৰ আছে। তাৰ পিছত এম, ফিল্ডত যিটো গৱেষণা সেইটো মই সাংবাদিকতাৰ ওপৰতে কৰিছো। সেইদিনাৰ পৰাই মই চাব বিচাৰো যে সাংবাদিকতা গৱেষণাৰ ৰুচিটো যাতে বিস্তাৰ হয় উঠি অহা নৱ-প্ৰজন্মৰ মাজত। গতিকে মই এইটোৱে ক'ব বিচাৰিম যে গৱেষণা অবিহনে সাংবাদিকতা সাজি উলিওৱা কথা হ'ব। তোমাৰ বিষয়ে কিবা ক'লে সহ্য কৰিব নোৱাৰিবা যিটো কোনো তথ্যৰ ওপৰত আধাৰিত নহয়। নিজে নিজৰ কাহিনী ৰচি, এটা পৰিস্থিতি কল্পনা কৰিলে জনসাধাৰণৰ ওচৰত উপস্থাপন কৰাটো সাংবাদিকতা নহয়। নিউজ ৰুমত বহি থকা সকল এতিয়া এংকৰ হৈ থকা নাই। তেওঁলোক এতিয়া ৰাজনৈতিক প্ৰতিনিধি হৈ পৰিছে। এনেধৰণৰ বহু উদাহৰণ আছে যিবোৰ নিউজ এংকৰে নিউজ ৰুমৰ চাৰিবেৰৰ ভিতৰত আছিল তেওঁলোকক এতিয়া ৰাজ্যসভা, লোকসভা তথা সংসদত টিকট দিয়া হৈছে। তেওঁলোকে নিউজ এংকৰ হোৱাৰ সুবিধা লোৱা নাই নে? তেওঁলোকে নিউজ এংকৰ এটা নতুন পৰিচয় বনাইছে যিটো সাংবাদিকতাৰ নামত এটা বহু ডাঙৰ কলংক হৈ পৰিছে। মই নাম ল'ব নোখোজো এনেকুৱা বহু সাংবাদিক আছে যিসকলে ক্ষমতাৰ বাবে নিজৰ সাংবাদিকৰ পৰিচয়টোৰ দুৰ্ব্যৱহাৰ কৰিছে। গতিকে আজি পৰাগ কুমাৰ দাসৰ কথা মই মনত পেলাইছোঁ এইকাৰণেই যে যিজন ব্যক্তিয়ে কোনো পদৰ বাবে কাম কৰা নাছিল, এজন সাধাৰণ ব্যক্তি আছিলে যিয়ে সত্যটোক কেনেদৰে উলিয়াব পাৰি তাৰ যত্ন কৰিছিল। মানুহৰ আলোচনাৰ বিষয় সমূহত তেওঁ নিজে মাত মাতিছিল। গতিকে সাংবাদিকতা বৰ্তমান মই নিজেই তাৰে ছাত্ৰ হৈ ক'বলৈ দুখ পাইছোঁ যে বহুতে হয়তো মানিব পাৰে সাংবাদিকতাৰ এটা নতুন যুগ আৰম্ভ হৈছে কিন্তু মই কৈছো যদি সঁচাকৈয়ে বৰ্তমান সাংবাদিকতাৰ এটা নতুন যুগ আৰম্ভ হৈছে তেনেহ'লে সেই যুগে আমাৰ বহু ক্ষতি কৰিব । ইতিমধ্যে এইটো কৰা আৰম্ভ হৈছে। গতিকে মই ক'ব বিচাৰিম সাংবাদিকতাত গৱেষণা হ'ব লাগে, যি সত্যৰ ভিত্তিত প্ৰতিষ্ঠিত হ'ব লাগে আৰু কল্পিত নালাগে আৰু মই নিশ্চয়কৈ সাংবাদিকতাৰ ছাত্ৰ হিচাপে এইখিনি দায়িত্ব গ্ৰহণ কৰিছোঁ।

হৃষিকেশ : আৰু আহি আহি আমি আজিৰ সাক্ষাৎকাৰৰ শেষাংশত উপনীত হৈছোঁ। শেষৰ প্ৰশ্নটো এনেকুৱা যে, আপুনি যিহেতু ৰঙিয়া কলেজৰ প্ৰাক্তন ছাত্ৰ, গতিকে আপোনাৰ নিশ্চয়কৈ কলেজখনৰ প্ৰতি আপোনাৰ দায়ৱদ্ধতা আছে। সেয়ে গোটেই ৰঙিয়া কলেজলৈ বা কলেজৰ ছাত্ৰ সমাজলৈ তথা ৰঙিয়া কলেজৰ সামগ্ৰিক পৰিৱেশলৈ আপোনাৰ বৰ্ত্তমান সময়ত উপদেশ হওক বা বাৰ্তা কি হ'ব?

ৰাজা : মই ৰঙিয়া কলেজৰ প্ৰাক্তন ছাত্ৰ হিচাপে প্ৰথম কথা হ'ল মই গৌৰৱান্বিত যে মই এনেকুৱা এখন মহাবিদ্যালয়ৰ পৰা পঢ়ি আহিছোঁ। সঁচাকৈয়ে মোৰ আন্তঃগাঁথনিটো মোৰ কলেজীয়া শিক্ষাৰ পৰাই আৰম্ভ হৈছে। মই ৰাজনীতিৰ ক্ষেত্ৰত পোৱা শিক্ষাৰ ক্ষেত্ৰত পোৱা গোটেইখিনি চৰ্চা-আলোচনা মই কলেজৰ মাজমজিয়াত কৰিছোঁ। গতিকে এই কলেজৰ প্ৰতি মোৰ দায়িত্ব নিশ্চয় বহুখিনিয়ে আছে। গতিকে সময়ে আচলতে ক'ব মোৰ কলেজখনৰ প্ৰতি কি দায়িত্ব ৰখাটো দৰকাৰ সেইটো মই বুলি নহয় প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰে হ'ব। কালিলৈকে সেইখন কলেজৰ পৰা পঢ়ি অহা ছাত্ৰ এজনে যদি টেটৰ দ্বাৰা চাকৰি পাইছে তেওঁৰো নিশ্চয় এটা দায়িত্ব আছে। গতিকে মোৰ বাৰ্তাটো এয়ে যে কলেজৰ বিকাশ হওঁক, কলেজৰ শিক্ষাখিনি আৰু বেছি গভীৰ হওঁক এইটো কথাই ক'ম। কিন্তু বাৰ্তাটো মোৰ ছাত্ৰ-ছাত্ৰীক দিলে কেৱল ৰঙিয়া কলেজৰ বুলি নহয়, যিমান মহাব্যািলয়ত পঢ়ি থকা ছাত্ৰ-ছাত্ৰী আছে সকলোলৈ এইটোৱে বাৰ্তা যে নিজকে তৈয়াৰ কৰি লোৱাটো তথা এতিয়াৰ পৰাই উঠিপৰি লগাটো দৰকাৰ। College is the best platform where you can

experiment yourself এইটো অকল মই কোৱা কথাই নহয়। যদি তুমি মহান মহান ব্যক্তি সকলৰ ইতিহাসৰ পাত লুটিয়াই চোৱা তেতিয়া তুমি পাবা যে এই সকলোবোৰ বিখ্যাত ব্যক্তিয়ে কলেজীয়া জীৱনত নিজৰ লগতে নিজৰ আগ্ৰহক বিচাৰ কৰিছিল। তুমি যদি কলেজীয়া জীৱনত নিজকে বিচাৰ কৰি চাব পৰা নাই তেনেহ'লে তুমি ইতিমধ্যেই বিফল। সেয়ে কলেজীয়া জীৱনটোত যে মই এটা ডিগ্ৰী ল'ম বুলি নহয়, কলেজীয়া জীৱনটোত তুমি স্বাধীন হোৱা। কলেজীয়া জীৱনত তোমাৰ চিন্তা-চৰ্চাবোৰ স্বাধীন হওঁক আৰু বহল হওঁক। যিখিনি ছাত্ৰ-ছাত্ৰীয়ে এই মুহূৰ্তত মহাবিদ্যালয়ত পঢ়ি আছে তেওঁলোকক মই এইটোৱে ক'ম যে ছাত্ৰী-ছাত্ৰীসকলে কলেজীয়া জীৱনটো উপভোগ কৰাৰ লগতে নিজৰ চৰিত্ৰটোক আমি বিচাৰ কৰাটো দৰকাৰ। গতিকে মোৰ বাৰ্তাটো এয়ে যে আমি আমাৰ জীৱনটোক বিচাৰ কৰি চাব পাৰোঁ আৰু কলেজে হ'ল তাৰ উত্তম মঞ্চ। যদি তুমি নিজকে বিচাৰ কৰি চাব নোৱাৰা কেনেকৈ তুমি সমাজক দেখুৱাবা যে তুমি কিবা এটা কৰাৰ যোগ্য। আজি ময়ে ধৰা মই ইমানখিনি আগুৱাই যাব পাৰিলোঁ কেনেকৈ কাৰণ মই কলেজত নিজকে জুখি-মাখি চাইছোঁ। তোমাক আনে জুখি-মাখি চোৱাৰ দৰকাৰ নাই আৰু কলেজীয়া সময়খিনিকে আটাইতকৈ উত্তম মঞ্চ বুলি কোৱা হয় কাৰণ সেইখিনি সময়তে আমাৰ সময় থাকে। সেই সময়খিনিত প্ৰথম কথা You have the great spirit as you remain you. You are younger. You have the spirit in you. So, you can change the world. আনকি স্বামী বিবেকানন্দয়ো কৈছিল যে যুৱ সম্প্ৰদায় সেই ব্যক্তিসকল আৰু সেই প্ৰজন্ম যি বিশ্ব সলনি কৰি দিব পাৰে। আজিৰ তাৰিখতো জনসংখ্যাৰ ৬০ শতাংশই যুৱ বয়সৰ আৰু ভাৰতবৰ্ষই এখন একমাত্ৰ দেশ য'ত যুৱ সমাজৰ বৃদ্ধি হৈ আছে। সেয়ে এইখিনি সময়তে আমি নিজকে বিচাৰ কৰি ল'ব লাগে নহ'লে পিছলৈ আৰু আমি ক'ত কৰিম। পিছলৈ কোনোবাই স্নাতকোত্তৰ কৰিব, কোনোবাই চাকৰি, বয়সো বাঢ়ি যাব আৰু তেতিয়ালৈকে ইমান বহল ভিত্তিত তেনেকুৱা এটা পৰিৱেশ নাপায়। তেতিয়া তেওঁ সময়ৰ সোঁতৰ লগত চলি থাকিবলৈ নিজকে ব্যস্ত কৰি ৰাখিব লাগিব। কলেজীয়া জীৱনটো এনেকুৱা য'ত ইমানখিনি সময় আছে আমাৰ হাতত য'ত আমি নিজৰ পঢ়াৰ কথা ভাবিব পাৰোঁ, সমাজৰ কথা ভাবিব পাৰোঁ আৰু আমি নিজকে মূল্যায়ন কৰিব পাৰোঁ। গতিকে মই ভাবো যাতে ল'ৰা-ছোৱালীখিনিয়ে বেছিভাগ সময়ত কলেজত দিয়ে। মই বছৰ হিচাপে ধৰি নিদিওঁ যে একবছৰ নহয় চাৰিবছৰে পঢ়া। মই কথাটো এনেকে ক'ম যে কলেজীয়া পৰিৱেশৰ ভিতৰত নিজকে যিমান পাৰোঁ আমি সিমান বেছি সময় দিব লাগে।

❑❑❑



# ৰজা আৰিমত্ত (১৩৬৫-৮৫) চ'ৰা
## (গল্পানুগল্প সম্ভাৰ)

অসমৰ মধ্যযুগত প্ৰাচীন কামৰূপ ৰাজ্যৰ ঐক্য আৰু সংহতি বিঘ্নিত হোৱাত ৰাজ্যখন খণ্ড খণ্ড ভাৱে বিভক্তহৈ পৰিছিল। খণ্ডিত ৰাজ্যত অভিযাত ভূঞা সকলৰ মাজত শাসনৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল, এই প্ৰতিযোগিতাত ৰজা আৰিমত্তই দেউতাকক হত্যা কৰি হ'লেও শক্তি সঞ্চয় কৰি ৰঙিয়াত থকা বৈদ্যগড়ৰৰ ভিতৰত নিজৰ ৰাজধানী পাতি কামৰূপ কমতা ৰাজ্যৰ শাসক ৰূপে শাসন চলাইছিল।

# জীৱনৰ আধৰুৱা সপোন...

বীনা বৰুৱা
বিশিষ্ট লেখিকা

### প্ৰথম খণ্ড

বিয়ালৈ মাত্ৰ এসপ্তাহ আছে। ঘৰখনত আনন্দ উলাহে নধৰা হৈছে। আনন্দ, উৎসাহৰ লগে লগে এটা চেপা উত্তেজনা। টেনচন সকলোৰে। বিয়াখন ভালে ভালে পাৰ নোহোৱালৈকে টেনচনটো থাকিবই। ৰিণিৰহে মনটো ভাল লগা নাই। মনটো বিষাদেৰে আৱৰি আছে। কাকো একো ক'ব পৰা নাই। চকুৰ পানী ৰাখিব পৰা নাই। নিশা টোপনি নাহে চিন্তাত। বাৰে বাৰে এটা গানকে শুনি আছে তাই মোবাইলত। এই গানটোত বহুত স্মৃতি বিজৰিত হৈ আছে তাইৰ। তাইৰ আৰু পাৰ্থৰ স্মৃতি। গানটো শুনি শুনি হেপাহেই নপলাই তাইৰ। হেৰুল থিয়েটাৰৰ মহাবীৰ নাটকৰ গান। বৰ ভাল লাগে তাইৰ গানটো।

কি হ'ব এই জীৱন
তুমি নহ'লে...
কাৰ বাবে ৰচিব সপোন।
কি ৰ'ব মোৰ বাবে
তুমি নহ'লে...
কোন হ'ব এই বুকুৰ আপোন?
ৰংবিহীন হৈ ৰ'ব
আশাবোৰ হিয়াৰে
অৰ্থহীন লাগে সকলো।

হেঙুল থিয়েটাৰৰ টিকট ৰাখিছিল ঘৰত। তিনিটা চিটৰ টিকট। শেষত যোৱা মানুহ নোহোৱা হ'ল। অংকিতা বাৰু যাব লগত। কিন্তু আৰু কাক লগ ধৰে বাৰু! ৰাতিখন অকলে আহিবও অলপ ভয় লাগে। এজন ল'ৰা মানুহ হ'লে বেয়া নাছিল। পিছে বিশ্বাসযোগ্য ভাল কোনোবা এজনৰ নামহে মনলৈ অহা নাই। কি কৰিব ভাবি পোৱা নাই। টিকটটো এনেই যাব দিব নোৱা ৰি। এনেতে ককায়েকক বিচাৰি পাৰ্থজিৎ আহিল। পাৰ্থ আৰু ৰিণিৰ ককায়েক দুয়ো বন্ধু। ঘৰুৱা অৱস্থাৰ বাবেই বি.এ পাছ কৰি পাৰ্থই কোম্পানী এটাত সোমাইছে। ঘৰৰ পৰা এক কিলোমিটাৰ দূৰৈত পাৰ্থই কাম কৰা কোম্পানীটো। কোম্পানীৰ কামত দিনটো আজৰি নেপায়। সন্ধিয়া প্ৰায়েই আহে ৰিণিহঁতৰ ঘৰলৈ ৰিণিৰ ককায়েক বিতুক লগ কৰিবলৈ। পাৰ্থই চিঞৰি মাতিলে—

পাৰ্থ— ঐ বিতু কি কৰিছা? ওলাই নাহ কিয়? ইমানকৈ গাড়ীৰ হৰণ বজাই আছো শুনাই নাইনে? ভিতৰৰ পৰা ৰিণি ওলাই আহি পাৰ্থক ক'লে—

ৰিণি— ককাইদেউ ঘৰত নাই। মাহীহঁতৰ ঘৰলৈ গৈছে। আজি নাহে। পিছে তুমিতো ভিতৰলৈ আহা।

পাৰ্থ— এ... বিতু নাই যদি নাযাওঁ দিয়া।

ৰিণি— আহাচোন, কথা আছে। চাহ একাপ খাই যাবা আহা।

পাৰ্থই গাড়ীখন চাইড কৰি থৈ নামি আহিল। চাহকাপ দি ৰিণিয়ে পাৰ্থক লগ ধৰিলে থিয়েটাৰ চাবলৈ। কথাখিনি ভাঙি পাতি ক'লে। তাইৰ বৰ ইচ্ছা হেঙুল থিয়েটাৰৰ মহাবীৰ নাটকখন চোৱাৰ। পিছে এতিয়া যাবলৈ লগ নোপোৱা বাবে যোৱাই নহ'ব। ককায়েক থাকিলে কথাই নাছিল। তাইৰ আৰু অংকিতাৰ অকলে যাবলৈ ভয় লাগে। তাইৰ কথাখিনি শুনি পাৰ্থই না নকৰিলে। এনেও ৰিণিৰ প্ৰতি তাৰ দুৰ্বলতা আছে। যদিও কোনোদিনে প্ৰকাশ কৰাই। সন্ধিয়া ছয় বজাত তাই, অংকিতা আৰু পাৰ্থ গ'লে থিয়েটাৰ চাবলৈ। থিয়েটাৰ চাই আহি ৰিণিৰ মাকে পাৰ্থক ৰাতিৰ সাজ সিহঁতৰ ঘৰতেই খাই যাবলৈ ক'লে। একেলগেই বহিল তিনিও। অংকিতা, ৰিণি আৰু ৰিণিৰ ওচৰত পাৰ্থ। থিয়েটাৰ আৰম্ভ হোৱাৰ আগতেই পাৰ্থই বাদাম কেইপেকেটমান আৰু চানাভজা দুই টোপোলা লৈ আহিল। নৃত্য-নাটিকা শেষ হোৱাৰ লগে লগেই নাটক 'মহাবীৰ' আৰম্ভ হ'ল। কিছু ৰোমাণ্টিক দৃশ্যৰ পিছত আৰম্ভ হ'ল দ্বৈত কণ্ঠত জুবিনৰ এই বিশেষ গানটো। "কি হ'ব এই জীৱন, তুমি নহ'লে..." গানটো চলি থকা সময়তে পাৰ্থই আন্ধাৰ আৰু অইন মানুহবোৰৰ নাটকৰ মনোযোগৰ সুযোগ লৈ ৰিণিৰ এখন হাত লাহেকৈ তাৰ দুহাতৰ মাজত ল'লে লাহেকৈ মৰমেৰে এটা মৃদু চাপ দিলে তাইৰ হাতত।

পাৰ্থৰ হাতৰ মৰমৰ চাপত তাই শৰীৰত কোনোদিন অনুভৱ নকৰা শিহৰণ অনুভৱ কৰিলে। তাই লাহেকৈ হাতখন

আঁতৰাই আনিব খুজিও নোৱাৰিলে। নিদিলে এৰি পাৰ্থই তাইৰ হাতখন। তাইৰ সৰ্বশৰীৰ এক অজানিত ভয় আৰু লাজত ঘামি গ'ল। কাণ, মুৰ গৰম হৈ পৰিল। তাই থিয়েটাৰত কি ঘটিল গমেই নাপালে। নাটকতনো কি দেখালে গমেই নাপালে। নাটকখন শেষ হোৱাৰ পিছত তিনিও খোজকাঢ়িয়ে ঘৰ ওলালগৈ। বাটত তাই এটাও শব্দ নক'লে। অংকিতাৰ ঘৰ আগতেই পায়। গতিকেই অংকিতাক ঘৰত থৈ আহিলগৈ। পাৰ্থই ৰিণিক বাটতে সুধিলে—

পাৰ্থ— ৰিণি বেয়া পাইছা মোক? একো এটা শব্দ কোৱা নাই যে? আচলতে থিয়েটাৰ চাই থাকোতে মোৰ মনত তোমাৰ প্ৰতি থকা ভাৱহে প্ৰকাশ কৰিছিলোঁ। বহুত দিন ক'ম ক'ম বুলি ক'ব পৰা নাছিলো। ভয়ো লাগিছিল আৰু সুবিধাও পোৱা নাছিলো। বেয়া পাইছা যদি 'ছৰি' এতিয়াতো কিবা এটা কোৱা!

### দ্বিতীয় খণ্ড

ৰিণি— (লাজ লাজকৈ) নাই। কিয় বেয়া পাম?

পাৰ্থ— তেনেহ'লে মই তোমাক লৈ ভৱিষ্যতৰ সপোন দেখিব পাৰোনে?

ৰিণি— ধেৎ কিয়ে কৈ থাকা নহয়!

পাৰ্থ— প্লিজ কোৱানা।

ৰিণি— মই নাজানো।

পাৰ্থ— চাওঁ এইফালে আহাচোন। নাজানো বুলি ক'লেই মইনো কেনেকৈ বুজিম? তাইৰ হাতত ধৰি তাৰ গাৰ ফালে টানিলে আন্ধাৰ যেন ঠাই এটুকুৰাত।

ৰিণি— কোনোবাই দেখিব এৰি দিয়ানা মোক।

পাৰ্থ— ওঁহো নেৰোঁ।

ৰিণি— যাহ এইডাল! পাৰ্থক ঠেলা মাৰি আঁতৰি গ'ল। ব'লা মায়ে বৈ আছে। ভাত খাই যাব নালাগিব জানো তুমি?

পাৰ্থ— ভোকেই নোহোৱা হ'ল। আজি যদি নাযাওঁ, ভাত নাখাওঁ?

ৰিণি— ধেৎ এইটো! লাজ নাই অকণো।

সেইদিনা ঘৰলৈ ওভতোতে পাৰ্থই ৰিণিৰ ফোন নম্বৰটো নিব নাপাহৰিলে আৰু ঘৰলৈ গৈয়ে বিচনাত পৰি ৰিণিলৈ মেছেজ কৰিলে।

পাৰ্থ— হাই!

ৰিণি— হেলো!

পাৰ্থ— কি কৰিছা?

ৰিণি— শুই আছো। তুমি?

পাৰ্থ— এই শুই শুই তোমালৈ মেছেজ কৰি আছো।

ৰিণি— এই পাৰ্থদা শুনানা...

পাৰ্থ— কোৱা...। তোমাৰ প্ৰতিটো কথাই শুনিবলৈ প্ৰতিটো মুহূৰ্তত মোৰ কাণ দুখন সজাগ।

ৰিণি— এ হ'ব হ'ব। বেছি চেনী খাব নেলাগে। গানটো কি আছিল থিয়েটাৰৰ! পাহৰিলো।

পাৰ্থ— কি? ভাল লাগিছে নেকি?

ৰিণি— ওম।

পাৰ্থ— মোৰ তাত আছে ৰ'বা দিম তোমাক।

ৰিণি— এতিয়া দিবা কিন্তু!

পাৰ্থ— নিশ্চয়। এই গ'লেই। পাইছনে?

ৰিণি— ওম। পালো গুড নাইট।

পাৰ্থ— শোৱাই নে? কথা পাতো অলপ।

ৰিণি— না! টোপনি লাগিছে। গান শুনি টোপনি যাম।

পাৰ্থ— অ'কে, গুড নাইট। কিবা এটা দিব মন আছিল।

ৰিণি— কিনো?

পাৰ্থ— চকলেট।

ৰিণি— এই ৰাতি চকলেট! বুজা নাই?

পাৰ্থ— ওম। হ'ব দিয়া। তুমিও এটা মস্ত বেঙী। লগ পালেই বুজাই দিম দিয়া। শোৱা এতিয়া। আকৌ দিছো গুড নাইট।

এনেদৰে গোপনে দুয়োৰে সম্পৰ্ক লাহে লাহে দৃঢ় হ'ব ধৰিলে। তাইৰ বুকুজুৰি আৰবি থাকিল পাৰ্থ। পাৰ্থই আগতেও দুজনীমান ছোৱালীক ভাল পাইছিল। আচলতে সেয়া ভালপোৱাতকৈ ভাললগা বেছি আছিল।

ৰিণিৰ দৰে এনেদৰেতো কোনেও বুকুজুৰি থকা নাছিল। কিন্তু ৰিণি এতিয়া তাৰ গোটেই বুকুজুৰি আছে। সি মাজে মাজে ভাৱে— পাবনে সি ৰিণিক নিজৰ কৰি? দিবনে ৰিণিক তাৰ্লৈ? ৰিণিহঁতৰ তুলনাত তাৰ ঘৰৰ অৱস্থা বেয়া। সি কোম্পানী এটাত সাধাৰণ চাকৰি এটা কৰি আছে। তাতে তাৰ ঘৰখনো তাৰ দায়িত্বত। তাৰ দেউতাক ঢুকোৱাৰ পিছত দুজনীকৈ ভনীয়েক, সৰু ভায়েকটো আৰু মাকৰ দায়িত্ব তাৰ মূৰৰ ওপৰতেই পৰিল। ইফালে জোৱা মাৰিলে সিফালে নিমিলে। তিনিটা কোঠাৰ এটা ঘৰ আৰম্ভ কৰিছে। শেষেই





কৰিব পৰা নাই। ইটাৰে গঁথা হৈছে, ওপৰত টিন দিব আছেই। আৰু কত কাম যে বাকী আছে ঘৰটোৰ। সি কোম্পানীৰ চাকৰিৰ দৰমহাৰেই সকলো কৰিব লাগিব। ভনীয়েক দুজনীয়ে টিউচন কৰিয়ে নিজৰ খৰচ উলিয়াই আছে। ছোৱালী মানুহ সিহঁতকো বহু বস্তু লাগি থাকে। এজনীক বিয়া দিব পাৰিলেও তাক কিছু চিন্তা কমে। ল'ৰা আহি আছে। পিছে সুবিধাজনক ল'ৰাহে পোৱা নাই। যি হয় দেখা যাব পিছত। তাৰ শূন্য হৃদয়খনতো এতিয়া অন্তত ভৰি আছে ৰিণিৰ ছবিৰে। বৰ ভাল লাগে তাইক। কেতিয়া যে তাইক নিজৰ কৰি পাব তাৰ বুকুৰ মাজত। সোণালী সূতাৰে বুকুৰ সপোনবোৰ গাঁঠি গ'ল তাৰ জীৱনৰ চাকনৈয়াত। মোবাইলত তাইৰ ফটোখনতে চুমা খালে দুটামান। অসঃ নিশা দেৰ বাজিলেইচোন। তাৰ চকুত টোপনি নাই। মেছেজকে দিব নেকি ৰিণিক এটা। নাই এই ৰাতিনো তাইৰ টোপনিত আৰু কিয় ব্যাঘাত জন্মায়। দুবছৰ হৈ গ'ল সিহঁতৰ এই সম্পৰ্ক। লাহে লাহে ঘৰতো গম পাইছে এঅই সম্পৰ্ক। ৰিণিক এতিয়া ক'লৈকো যাব নিদিয়ে অকলে। ৰিণিৰ ককায়েকে তাকো টানকৈ ক'লে কথাটো গম পাই। এতিয়া আৰু দুয়ো আগৰ দৰে লগ হ'ব নোৱাৰে। মোবাইলটো নথকা হ'লে হয়তো তাইৰ মাতষাৰো শুনিব নাপালেহেঁতেন। সি প্ৰায়েই ফোন কৰে আৰু সোধে— কি কৰিছা? তাই কয়— গান শুনি আছো। সি যদি সোধে কি গান? তাই গানটো গাই শুনাই দিয়ে হেঙুল থিয়েটাৰৰ সেই গানটো "কি হ'ব এই জীৱন , তুমি নহ'লে...।" সি কেতিয়াবা সোধে বেলেগ গান শুনানে নাই? কেতিয়াবা শুনো, কিন্তু এই গানটো সদায় দুবাৰ-তিনিবাৰ শুনো। তাৰ মন ভাল লাগি যায়। এদিন ৰাতি শোৱাৰ পিছত ৰিণিয়ে উচুপি উচুপি তালৈ ফোন কৰিলে। সি সুধি আছে তাই কিয় কান্দিছে? কি হৈছে তাইৰ? তাই ক'ব পৰা নাই। সি বৰ অসহায় হৈ পৰে তাই এনে কৰিলে।

### তৃতীয় খণ্ড

পাৰ্থ— কোৱা না! কি হৈছে? এনেদৰে কান্দি আছা কিয়? নক'লেনো মই গম পাম কেনেকৈ? এনেকৈ কান্দি থাকিলে, একো নক'লে মই কিন্তু বাইকখন লৈ গুচি যাম এতিয়াই তালৈ। ক'বানে?

ৰিণি— নাই নাই এতিয়া আহিব নালাগে। কৈ আছো। অহাকালি মোক চাবলৈ ল'ৰা আহিব কোনোবা। তাই ফেকুৰি ফেকুৰি কথাখিনি ক'লে।

পাৰ্থ— ধেৎ এইজনী! চাবহে আহিবা! ঠিক হ'বই যে কিবা মানে আছেনে কি? কেৱল কান্দি থাকে এইজনী।

ৰিণি— চব কথা ধেমালিতে লোৱা তুমি। মই আনৰ হ'ব নোৱাৰো দেই কৈ দিছো তোমাক। যদি ঠিক হৈ যায়?

পাৰ্থ— ময়ো তোমাক আনৰ হ'ব দিব নোৱাৰো। আৰু ঠিক কৰাৰ আগতে তুমি মানা কৰি দিবা? তুমি মোৰ, মাথোঁ মোৰ।

ৰিণি— তোমাৰ পৰা কিবা ইতিবাচক কথা পালেহে ঘৰত মানা কৰিব পাৰো। তুমি এনেদৰে কৈ থাকিলেই হ'ব নেকি?

পাৰ্থ— ধৈৰ্য্য ধৰা সময়ত সকলো ঠিক হৈ যাব। কাইলৈ কেতিয়া আহিবনো আলহী?

ৰিণি— দিনৰ এঘাৰমান বজাত। আৰু মই সাজি-কাচি এলাব লাগিব তোমাৰ সলনি আনৰ আগত? সহ্য হয় নেকি?

পাৰ্থ— একো নাই তুমি ওলাবা। আৰু মোক জনাবাচোন! কিজানি তোমাৰো পচন্দ হয়েইবা?

ৰিণি— সকলো কথাতেই ধেমালি নকৰিবাদেই। যাহ কথাই নাপাতো। খঙতে ফোনটো কাটি দিলে ৰিণিয়ে।

সেই নিশা পাৰ্থৰো টোপনি নাহিল চিন্তাতে। কি হ'ব? ৰিণিক পাবনে নিজৰ কৰি? তাৰ চোন আধৰুৱা কাম বহু আছে। গাভৰু ভনীয়েক এজনীক বিয়া দিব পাৰিলেও...। ঘৰটোও আধৰুৱা...। সেই মূৰটোহে গৰম উঠি যায়।

ৰিণিক চাবলৈ ল'ৰা আহিল। সকলোৰে পচন্দ হ'ল। আহিল মানে সকলো ঠিক হোৱাৰে পথত। ৰিণিৰ অন্তৰত ধুমুহাৰ সৃষ্টি হ'ল। কি কৰিব তাই? ল'ৰা ঘৰৰ অলপ দৌৰা-দৌৰি। দেউতাকৰ শৰীৰ ঠিক নহয়। গতিকেই...। নিশা ৰিণিয়ে পাৰ্থক ফোন কৰি ক'লে যে অহা সপ্তাহত তাইক আঙঠি পিন্ধোৱা আৰু তাৰ এমাহ পিছতেই বিয়া।

পাৰ্থ— কোৱা দিনটোৰ খবৰ।

ৰিণি— অহা সপ্তাহত আঙঠি পিন্ধাব আহিব। তুমি কিবা এটা কৰানা প্লিজ!

পাৰ্থ— কি কৰো কোৱাচোন তুমিয়েই। সেইবাবেই বিয়াৰ আগতেই কোনো ছোৱালীক বুকুৰ আপোন কৰি ল'ব নালাগে।

ৰিণি— মোক খং কৰিলে কি হ'ব?

পাৰ্থ— চাওঁ ৰ'বা কি কৰিব পাৰো। ফোনটো ৰাখা। বিশেষ কথা নাপাতিলে সেইদিনা পাৰ্থই। মন বেয়া লাগি শুই থাকিল। কিন্তু টোপনি নাহিল। এসপ্তাহে কথা পাতি

আছে যদিও দুয়োৰে মন বেয়া। কাৰণ দুয়োৰে ভৱিষ্যত অনিশ্চিত। দুয়োৰো সপোনবোৰ হ'বনে পূৰণ? এটা প্ৰশ্নবোধক চিন দুয়োৰো জীৱনত।

এসপ্তাহ পিছত ৰিণিক আঙঠি পিন্ধাই গ'ল। পাৰ্থই একো নক'লে। একো নকৰিলে। ৰিণিৰতো উপায় নাই। তাই নীৰৱে চকুলো টুকি সকলো কৰি গ'ল। আঙঠি পিন্ধোৱাৰ পিছত এদিন তাই পাৰ্থক ক'লে।

ৰিণি— হেলো পাৰ্থদা।

পাৰ্থ— হেলো... কোৱা।

ৰিণি— চোৱা! এতিয়াও সময় আছে। কিবা এটা কৰানা! তুমি যদি বিচৰা মই এতিয়াও তোমাৰ লগত যাব খোজো। মই গুচি যাম তোমাৰ ওচৰলৈ সকলো এৰি। প্লিজ কিবা এটা কৰা। মই নোৱাৰো আৰু।

পাৰ্থ— চোৱা ৰিণি, কি কৰো? কি কৰো মই? দৰমহা পাওঁ সেইকেইটা, ঘৰখনত দুজনীকৈ গাভৰু ভনী বিয়া দিবলগা হৈ আছে। ঘৰটো আধা বন্ধা হৈ আছে। কি কৰোঁ মই ৰিণি? মোৰ বেয়া লগা নাই বুলি ভাবিছা?

ৰিণি— মই নাজানো! মোক তুমি পঁজাঘৰত ৰাখিলেও আপত্তি নাই। এসাঁজ খুৱালেও আপত্তি নাই। মাথোঁ তোমাক বিচাৰো। মোক লৈ ব'লা ইয়াৰ পৰা।

পাৰ্থ— মই নিৰূপায় ৰিণি!

ৰিণি— বুজানা! মই কাকো আপোন কৰিব নোৱাৰো। তুমি যেনেকৈ ৰাখা তেনেকৈ থাকিম। প্লিজ কিবা এটা কৰা...না!

## চতুৰ্থ খণ্ড

পাৰ্থ— ৰি...ণি...। তুমি ঘৰৰ মানুহৰ কথা ৰাখা। মই পৰিস্থিতিৰ দাস। কষ্ট হ'ব মোৰো। তুমি আহিব খুজিলেও মই নোৱাৰো আনিব।

ৰিণি— তুমি এনেকৈ ক'ব পাৰিলা? মই এজনী ছোৱালী হৈ বিয়া ঠিক হোৱাৰ পিছতো সাহস কৰিছো আৰু তুমি এজন পুৰুষ হৈ কাপুৰুষৰ দৰে কথা কৈছা কিয়?

পাৰ্থ— কৰোতো কি কৰো মই? তুমি কোৱাচোন? গোটেই ঘৰখনৰ দায়িত্ব মোৰে ওপৰত।

ৰিণি— (কান্দি কান্দি) ঠিক আছে। তুমি তোমাৰ ঘৰখনৰ দায়িত্বই পালন কৰা। মোৰ কথা ভাবিব নেলাগে। মই মোৰ জীৱনটোৰে শেষ কৰি দিম। মোৰ অস্তিত্বই বিচাৰি নাপাবা।

পাৰ্থ— ৰিণি... ৰিণি শুনাচোন! আমাৰ ভালপোৱাত কলঙ্ক নাসানিবা। মোৰ শপত। এনে কোনো কাম নকৰিবা জীৱনটো হেৰুওৱা। কথা দিয়া। ত্যাগতো ভালপোৱা জীয়াই থাকে অ' সোণজনী। মোৰ কষ্টটো অনুভৱ কৰানা?

ৰিণি— ঠিক আছে। আজিৰ পৰা মোক ফোন নকৰিবা। তোমাৰ লগত আৰু কথা নাপাতো। মোক নিবিচাৰিবা।

পাৰ্থ— ৰিণি এই ৰিণি শুনাচোন!

ৰিণিয়ে ফোন কাটি দিলে। তাৰ পিছত সি কেইবাদিনো চেষ্টা ৰিণিক ফোন কৰিব পৰা নাই। বোধহয় ব্লক কৰি থৈছে তাই। লগ কৰিবও নোৱাৰে উচপিচাই থাকিল পাৰ্থ। তাৰো হৃদয়ত একুৰা জুই জ্বলি আছে। ৰিণিৰ বিয়ালৈ আঠদিন আছে। বিয়াৰ প্ৰস্তুতি পুৰাদমে চলি আছে ৰিণিহঁতৰ। এদিন পাৰ্থই তাৰ বন্ধু দীপক ক'লে।

পাৰ্থ— বাই মোক এটা সহায় কৰানা!

দীপ— তোক কি সহায় লাগে ক ভাই। তোৰ কাৰণে লাগিলে জীৱনটোও দি দিম। তোৰ দুখ মোৰ সহ্য হোৱা নাই। ৰভাতলিৰ পৰাই দাঙি লৈ আহিম ৰিণিক কইনাৰ সাজেৰে। এবাৰ মাত্ৰ তই ক।

পাৰ্থ— ৰ'হ অ' এইটো। সেইবিলাক একো কৰিব নালাগে। তই কেৱল আজি ৰাতি ৰিণিক এবাৰ ফোন কৰিব কবি না? শেষবাৰৰ বাবে বুলি কবি। আজিৰ পৰা আৰু তাইক দিগদাৰি নকৰো। বাকী মই চম্ভালিম।

দীপ— হ'ব ভাই ইমান ক'ব নেলাগে মোক। কিহৰ দোস্ত হ'লো যদি এইখিনি সহায় কৰিব নোৱাৰো। মই তাইক ক'ম দে। সেইদিনা দীপে তাইক কথাখিনি কোৱা পিছত ৰাতি আগৰ সময়তে ৰিণিয়ে তালৈ ফোন কৰিলে।

পাৰ্থ— কোৱা ৰিণি কেনে আছা?

ৰিণি— তোমাৰ কথা ৰাখি নমৰাকৈ জীয়াই আছো। কোৱা কিয় ফোন কৰিব কৈছিলা? মই কেনে আছো তুমি জানিবা নেলাগে।

পাৰ্থ— কিয় তেনেদৰে কৈছা বাৰু? মোৰ বেয়া লাগি থকা নাই বুলি ভাবিছা নেকি?

ৰিণি— কোৱা কি ক'বা। পেনাই থাকিব নেলাগে।

পাৰ্থ— মই লৈ আহিম তোমাক! মোৰ নিজৰ কৰি। আহিবানে? তুমিতো আহিব খুজিছিলা?

ৰিণি— শুনা এতিয়া আৰু এইবোৰ কথা নক'বা। মই যেতিয়া যাব খুজিছিলো তেতিয়া তুমি তোমাৰ বহুত সমস্যা দেখুৱালা। এতিয়া আৰু সেইটো সম্ভৱ নহয়। এতিয়া যাব





নোৱাৰো। বিয়ালৈ চাৰিদিন আছে মাত্ৰ।

পাৰ্থ— প্লিজ ৰিণি মই তুমি অবিহনে জীয়াই থাকিব নোৱাৰো। এবাৰ কোৱানা আহিম বুলি!

ৰিণি— আৰু নক'বা। মই মোৰ ঘৰখনক আলৈ-আথানি কৰিব নোৱাৰো। যেতিয়া যাব বিচাৰিছিলো তেতিয়া পৰিস্থিতি বেলেগ আছিল আৰু এতিয়া পৰিস্থিতি বহুত বেলেগ। বিয়াৰ সকলো ঠিক হোৱাৰ পিছত ৰভা দিয়া হোৱাৰ পিছত মই মোৰ জন্মৰ ঘৰখনৰ মান-সন্মান এনেদৰে শূলিস্যাৎ কৰি যাবা নোৱাৰো তোমাৰ লগত। মোক পাহৰি যোৱা। অ' শুনা, বিয়াত আহিবা! কইনা সাজত এবাৰ চাই যাবাহি মোক। মিঠাই খাই যাবা। মোৰ বিয়াৰ? বাই বাই! ফোনটো কাটি দিলে তাই।

পাৰ্থই কান্দি কান্দি অস্থিৰ হৈ পৰিল। তাই ছোৱালী হৈ ভৱিষ্যতক জলাঞ্জলি দি তালৈ পলাই আহিবলৈ সাহস কৰিছিল, সি যি পৰিস্থিতিতেই ৰাখে থাকিব খুজিছিল। তেতিয়া সি ভবাই নাছিল। তাইৰ বিচ্ছেদে যে তাৰ বুকুখনত এনেদৰে বিষ এটাৰ সৃষ্টি কৰিব। মানসিক যন্ত্ৰণাত সি অৱশ হৈ পৰিল। আজি ৰিণিৰ বিয়া। পাৰ্থৰ অস্থিৰতা বাঢ়িছে। ৰাতি হৈ আহে মানে তাৰ বুকুৰ বিষ বেছি হৈ গৈ আছে। সি চিৰদিনৰ বাবে হেৰুৱালে ৰিণিক। সি কেনেকৈ থাকিব জীয়াই? সি কেনেকৈ থাকিব জীয়াই? সি কিয় সাহস গোটাব নোৱাৰিলে তেতিয়া তাইক আনিবলৈ? সি কিয় সাহস গোটাব নোৱাৰিলে তেতিয়া তাইক আনিবলৈ? সি যদি তেতিয়াই তাইক আনিলেহেঁতেন তাই আজি তাৰ বুকুৰ মাজত থাকিলহেঁতেন। সি বুকুৰ বিষটো অনুভৱ নকৰিলেহেঁতেন য'ত চব গণ্ডগোলৰ মূলতেইতো সি? নাই সি আৰু কাকো বিয়া নকৰাই চিৰজীৱন বৰলা হৈ থাকিব। চিৰকুমাৰ হৈ থাকিব। ভনীয়েক দুজনীক বিয়া দিব, ভায়েকক ভালদৰে পঢুৱাই ডাঙৰ মানুহ কৰি গঢ়ি তুলিব, তাৰো বিয়াখন সি ধুমধামেৰে পাতি দিব আৰু তাইৰ স্মৃতিবোৰ বুকুত লৈ সি জীয়াই থাকিব। তাই সুখত থাকক সিয়ো যে তাইক ইমান ভাল পায় তাৰ বুজোতেই পলম হ'ল। সি মোবাইলত গানটো লগালে। সিহঁতৰ প্ৰথম প্ৰেমৰ চানেকি দুয়োকে এক কৰা সেই বিশেষ গানটো নীৰৱে চকুলো টুকি টুকি শুনি থাকিল। কিমানবাৰ শুনিলে হিচাপ নাই

কি হ'ব এই জীৱন  
তুমি নহ'লে...  
কাৰ বাবে ৰচিব সপোন  
কি ৰ'ব মোৰ বাবে  
তুমি নহ'লে  
কোন হ'ব এই বুকুৰ আপোন।  
ৰংবিহীন হৈ ৰ'ব  
আশাবোৰ হিয়াৰে  
অৰ্থহীন লাগে সকলো...।

□□□

# অনুগল্প

চনচিতা বড়ো
প্ৰথম যান্মাসিক



ৰাতিপুৱাৰ লাল চাহকাপ খাই উঠি 'দৈনন্দিন কাকত'খন লুটিয়াই চাওঁতেই 'নিৰ্মালী' শব্দটো দেখি তেওঁৰ চকু অশ্ৰুৰে পৰিপূৰ্ণ হৈ পৰিছিল। তেওঁৰ পত্নীয়ে তেওঁক সুধিলে— 'অঞ্জন, তোমাৰ চকুত কিবা সোমাইছে নেকি?' অঞ্জন মহন্তই ক'লে— কাকতখন আগবঢ়াই দি বিষাদ ভৰা মনেৰে ক'লে— 'মোৰ ভণ্টিৰ নামো নিৰ্মালী আছিল, যিজনী ছোৱালীয়ে মোক ককাইদেউ কম দেউতা বেছি মাতিছিল। আজিৰ পৰা দহবছৰ আগত পথত হোৱা দূৰ্ঘটনা এটাত তাইৰ কৰুণ মৃত্যু হৈছিল' বুলি কৈ তেওঁ কান্দিবলৈ ধৰিলে।

সেইসময়তে এজনী কণমানি ছোৱালীয়ে তেওঁক দেউতা বুলি মাতিলে। হয়, সেই কণমানি ছোৱালীজনী আন কোনো নহয় তেওঁলোকৰ জীয়ৰী 'স্মৃতি'।

❑❑❑





# এটি উপকাৰৰ মূল্য

বিশ্বজিৎ হালৈ
পঞ্চম যান্মাষিক (উদ্ভিদ বিজ্ঞান বিভাগ)

কাহিলী পুৱাতে বৈ অহা ফাগুনৰ চেঁচা বতাহজাকে ৰাতিপুৱাৰ টোপনিটো ভাঙি দিয়াত বিচনাতে অলপ সময় বহি থাকিলোঁ। তাৰ পিছত হঠাতে মনত পৰিল মই চোন ষ্টেচনলৈ যাব লগা আছে। গা-পা ধুই ভাত মুঠি খাই ষ্টেচনলৈ ওলাই গ'লো। ষ্টেচনত বন্ধু বিমান ডেকা ৰখিয়েই আছিল। গৈ পাওঁতে প্ৰায় পলমেই হৈছিল, যদিও অৱশেষত লগা লগি হ'লো। বহুপৰ কথা পতাৰ পিছত বিদায় ল'ব লগা ক্ষণটি আহি গ'ল। এটি সন্তোষ মনেৰে বন্ধু বিমান ডেকাক বিদায় দি ঘৰলৈ ৰাওনা হ'লো।

ঘৰলৈ গৈ থকা সময়ত মনটো কিছু কিছু গধুৰ গধুৰ লাগিল, যেন কোনোবা আপোনজনকহে বিদায় দি আহিলোঁ। হয়, আপোনেই বুলিব লাগিব, কিয়নো তেখেতৰ দৰে মানুহ মই আজিলৈকে দেখা নাই একেবাৰে নম্ৰ ভদ্ৰ আৰু শান্ত মানুহ। তেখেতৰ বিষয়ে আজিলৈকে ইমান নাজানিলেও তেখেতৰ এটি মিঠা মাতে সেই সকলোবোৰৰ উত্তৰ দি যোৱা যেন অনুভৱ হৈছিল।

ঘৰ গৈ পোৱাত পৰিবাৰ জয়শ্ৰীয়ে হাতত চিঠি দুখন তুলি দি ক'লে— "পিয়নজন আহিছিল। এই চিঠি দুখন দি গৈছে।" দেখিলোঁ দুখন বেলেগ বেলেগ চিঠি। মোৰখন খুলি চাই দেখিলোঁ ৫ লাখ টকাৰ চেক। অলপ সময়ৰ বাবে আচৰিত হৈছিলো। কিন্তু মোৰ মনটোত কৌতুহল এটাৰ ভাৱ হৈছিল বাবে খামটোত থকা ঠিকনাটো ভালদৰে পঢ়াত গম পালোঁ সেই শুভবাৰ্ত্তা প্ৰকাশন গোষ্ঠীৰ পৰা পঠোৱা। জয়শ্ৰীয়ে আনখন চিঠি দেখুৱাই ক'লে— "এইখন আকৌ কোনোবা নিৰ্মালি কলিতালৈ অহা চিঠি। তুমি সোনকালে গৈ দি আহাগৈ ঠিকনাটো ইয়াতে আছে। হয়তো তেওঁৰ বাবেও কিবা থাকিব পাৰে। গতিকে সোনকালে যোৱাগৈ।" জয়শ্ৰীৰ এনেকুৱা চিন্তা-চৰ্চাবোৰে মোক বেছিকৈ আকৰ্ষিত কৰে।

কথামতে কাম বুলি ভাবি চহৰখনৰ তিনিআলিত থকা বাইলেন নং ৪ লৈ মই ওলালোঁ। ঘৰলৈ বিচাৰি উলিয়াই কলিং বেলটো টিপি দিয়াত এগৰাকী যুৱতী ওলাই আহিছিল। মই ক'লো— "তুমিয়েই নিৰ্মালি কলিতা নহয় জানো? তোমাৰ নামত এখন চিঠি আছে। শুভবাৰ্ত্তা ছপা শালৰ পৰা অহা। তাই অলপ আচৰিত হৈছিল যদিও প্ৰথমে মোক ভিতৰত বহিবলৈ মাতিলে। মই সুধিলো, "তুমি অকলে আছা নেকি ঘৰত?" "দেউতা আছে, আজিৰ পৰা পুনৰ অফিচলৈ যাব। সেইবাবে ওলাব ধৰিছে।" নিৰ্মালিয়ে নম্ৰভাৱে ক'লে।

মই চকী এখনত বহী মোৰ পৰিচয় দিলো— "মোৰ নাম ৰাঘৱ বৰুৱা। এখন সৰু ইন্টাৰনেট কেফৰ দোকান আছে। তোমাৰ চিঠিখন অলপ আগতে শুভবাৰ্তা ছপাশালৰ পিয়ন এজনে দি গৈছে। চিঠিখন লোৱা আৰু পঢ়ি চোৱা।"

"ও আপুনি, আপোনাৰ নাম মই বিমান ডেকা ছাৰৰ মুখেৰে শুনিছো। আপুনি বহুত ভাল মানুহ বুলি তেখেতে কৈছে।" নিৰ্মালিয়ে কথা কৈ কৈ চিঠিখন খুলিলে। মই মনতে ভাবিলো, বিমান দাইতো মোক এই ছোৱালীজনীৰ বিষয়ে আজিলৈকে একো কোৱা নাই। মই ভাবি থাকোঁতে তাই হঠাৎ চিঞৰি উঠিল, "দাদা মোৰ নামত এইখনচোন ৫ লাখ টকাৰ চেক?"

মোৰ চেকখনো তাইক দেখুৱাই ক'লো— "এইফালে চোৱা, মোৰ এইখন ৫ লাখ টকাৰ চেক আৰু এইখনো শুভবাৰ্তাৰ পৰা অহা। গতিকে ৰহস্যটো ভেদ কৰিবলৈ আমি তালৈ যাব লাগিব। যাবানে তুমি?

তাই অলপ সময় ভাবি ক'লে— "অলপ ৰ'ব। মই কাপোৰযোৰ সলাই আহো।"

বুজিলো নিৰ্মালিয়ে মোৰ লগত যাবলৈ সংকোচ কৰা নাই। তাই মোক দাদা বুলি সম্বোধন কৰি ল'লে। তাইৰ শুশ্ৰূষা কথা আৰু অকৃত্ৰিম ব্যৱহাৰ দেখি মোৰো মন গ'ল তাইক ভণ্টি বুলি মাতিবলৈ। মই তেনেদৰে ভাবি থাকোঁতে তাই খুব কম সময়ৰ ভিতৰতে দেউতাকক মাতযাৰ লগাই ওলাই আহিল।

তাইৰ ঘৰৰ পৰা ওলাই আহি প্ৰথমতে আমাৰ ঘৰত সোমাই জয়শ্ৰীক মাত এষাৰ দি মটৰ চাইকেলখন লৈ শুভৰ্বাতা প্ৰেছলৈ ওলালোঁ। জয়শ্ৰীয়ে নিৰ্মালিৰ লগত চিনাকি হৈ ঘূৰি আহি চাহ খাই যাবলৈ ক'লে।

শুভবাৰ্ত্তা প্ৰকাশনৰ অফিচটো কেনেবাকৈ বিচাৰি উলিয়াই

নিৰ্মালিক লগত লৈ মেনেজাৰৰ কক্ষত অনুমতি লৈ সোমালো। আমাৰ হাতত তেওঁ পঠিওৱা বগা খাম দুটা দেখি আচৰিত নহৈ হাঁহি এটা মাৰি সুধিলে, "লটাৰীত ভাগ্য ফুলাৰ দৰে পাঁচ লাখকৈ টকা পাই বিস্মিত হৈছে নহয় জানো? চিন্তা নকৰিব। চেকত আমাৰ প্ৰকাশত পৰিষদৰ মালিক লক্ষ্মীকান্ত ঠাকুৰীয়াৰ স্বাক্ষৰ আছে। যিকোনো বেংক এটাৰ পৰা টকাখিনি উলিয়াই লওঁক। সেই টকা আপোনালোকক আপোনালোকৰে বন্ধু ডঃ বিমান ডেকাই উপহাৰ হিচাপে দিছে।'

আমি দুয়ো মৌন হৈ গ'লো। নিৰুত্তৰ হৈ থাকোতে মেনেজাৰে আকৌ ক'লে- 'ৰ'ব। আপোনালোকে ইয়াৰ আচল ৰহস্যটো জনা উচিত।' তেওঁ ড্ৰয়াৰটো খুলি এটি পেন ড্ৰাইভ উলিয়াই মোক দি ক'লে- 'এইটো বিমান ডেকাই আপোনালোকৰ বাবে এৰি গৈছিল। আশা কৰো ইয়ে আপোনালোকক সকলো উত্তৰ দি দিব।'

'সেইজন মানুহ নহয়, মানুহৰ ৰূপত দেৱতা।' তেওঁ পুনৰ ক'লে। নিৰ্মালি আৰু মই তাৰ পৰা ওলাই আহি পোনে পোনে মোৰ দোকানলৈ বুলি খোজ ল'লে। তেতিয়া দুপৰীয়া হৈছিল, ভোকো লাগিছিল বহুত। দোকানত সোমাই চাহ খাই লোৱাত গাত কিছু বল পালো। ইয়াৰ পিচত আচল কথাটো জনাৰ উদ্দেশ্যে লেপটপটো অন কৰি পেন ড্ৰাইভটো ভৰাই দিলো। কিছু সময় যোৱাৰ পিছত এটি ভিডিঅ' বাৰ্তা পালো আৰু চাব ধৰিলো।

'বন্ধুবৰ ৰাঘৱ যদি তুমি এই ভিডিঅ'টি চাই আছা, তেন্তে চাগে মই তোমাৰ ওচৰত আৰু নাই। কিন্তু এটা কথা নিশ্চিত যে তুমি সকলো কথা জনাৰ বাবে উপযুক্ত সময়ত উপনীত হৈছা। মোৰ এজন প্ৰিয় বন্ধু লক্ষ্মীকান্ত ঠাকুৰীয়াই মোলৈ এখন পত্ৰ লিখিছে।

তেওঁ লিখিছে— 'তুমি নিপীড়িত আৰু আমাৰ নিদ্ৰালস সমাজ ব্যৱস্থাৰ বিষয়ে বহুতো কাহিনী সৃষ্টি কৰি অবিৰতৰূপে পাঠকক পঢ়িবলৈ দি আছা। মোৰ বাঙালী বন্ধু কলকাতাৰ অভিজ্ঞিত পুস্তক প্ৰকাশনৰ অংশীদাৰ প্ৰফেছাৰ প্ৰিয়তোষ চক্ৰৱৰ্তীয়ে তোমাৰ লেখা পঢ়িছে। এতিয়া তেওঁ তুমি লিখা উপন্যাস এখন অসমীয়া, বঙালী আৰু হিন্দীভাষাত প্ৰকাশ কৰিবলৈ ইচ্ছা কৰিছে। মোৰ বিশ্বাস তোমাৰ আগন্তুক লেখবোৰে তেখেতক সুখী কৰিব। তোমাৰ লেখাত তেওঁ বিচৰা কথাশিল্প পাই গ'লে পাণ্ডুলিপি পঢ়িয়েই আগধন হিচাপে তোমাক এটা বৃহৎ পৰিমাণৰ টকা দি যাব। সেই টকাই তোমাৰ অভাৱ দূৰ কৰাত সহায় হ'ব নিশ্চিত?'

জানা ৰাঘৱ লক্ষ্মীকান্তই মোৰ আৰ্থিক অৱস্থাৰ কথা ভালদৰে বুজে। লক্ষ্মীৰ সৈতে মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ত একেলগে অসমীয়া বিভাগত এম. এ. কৰিছিলো। আচলতে ছাত্ৰ অৱস্থাৰ পৰাই তেওঁ মোক বুজি পাইছিল। গতিকে বন্ধু ঠাকুৰীয়াৰ কথা ৰাখি মই উপন্যাস এখন লিখিবলৈ আৰম্ভ কৰিলো।

ৰাঘৱ, মোৰ ঘৰ আচলত তিনিচুকীয়াত দেউতাই ডিগবৈ অইল ইণ্ডিয়াত চাকৰি কৰা সময় আমাৰ অৱস্থা ভালেই আছিল। কিন্তু মাৰ মৃত্যুৰ পাছত দেউতাই দ্বিতীয় বিবাহ কৰাৰ সময়ৰে পৰা ঘৰখনৰ শান্তি বিঘ্নিত হ'বলৈ ধৰিলে। এদিন মাহীমায়ে দেউতাৰ প্ৰায় সমস্ত সম্পত্তি বাজেয়াপ্ত কৰি আঁতৰি গ'লগৈ। সেই দুখ সহ্য কৰিব নোৱাৰি এদিন দেউতাও ঢুকাল। মোৰ ভাগত থাকিল মাত্ৰ ডিগবৈৰ বাগেশ্ৰী চকত থকা ঘৰটো। মৃত্যুৰ পূৰ্বে দেউতাই মোৰ বাবে দুটা কাম কৰি গ'ল। প্ৰথমে দীপিকা নামৰ ছোৱালী এজনীৰ সৈতে মোৰ বিয়াখন পতি তেওঁক অইলৰ অফিছত চাকৰি এটা পোৱাৰ সুবিধা কৰি দি থৈ গ'ল। দ্বিতীয়তে মোৰ কোনো চাকৰি নাছিল বাবে কিতাপৰ দোকান এখন খুলি দি থৈ গ'ল। আৰম্ভণিতে দীপিকাৰ সৈতে দিনবোৰ ভালকৈয়ে গৈছিল। লাহে লাহে মানুহে কিতাপ কিনি নপঢ়া হোৱাত আৰু চৰকাৰে ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া কিতাপ দিয়ত মোৰ কিতাপ বিক্ৰী নোহোৱা হ'ল। মই এনেয়ে বহি লিখা মেলাকে আৰম্ভ কৰিলো।

সময় যোৱাৰ লগে লগে মই দীপিকাৰ ওপৰত নিৰ্ভৰশীল হোৱাত তেওঁ অশান্তি পোৱা হ'ল। তেওঁ মোক প্ৰাইভেট কলেজত শিক্ষকতা কৰাৰ পৰামৰ্শ দিলে। তেওঁৰ কথাতো সত্যতা আছিল কাৰণ সংসাৰখন এজন মানুহৰ উপাৰ্জনেৰে কেতিয়াও নচলে। কিন্তু মনে নমনাত এই কামো আধাতে সামৰিলে। লাহে লাহে দীপিকাই মোক সহ্য কৰিব নোৱাৰা হোৱাত আৰু বন্ধুৰ বৰে লিখা-মেলা কৰাৰ বাবে এটা ভাল পৰিৱেশ বিচাৰি দোকানখন বিক্ৰী কৰি যিখিনি টকা পালো, তাকে লৈ উত্তৰ অসমৰ বানে ধোৱা অঞ্চলৰ মানুহবোৰৰ দুৰ্বিসহ জীৱন প্ৰত্যক্ষ কৰিবলৈ গ'লো। বহু বছৰ সেই ঠাইৰ মানুহৰ লগত থাকি তথ্য সংগ্ৰহ কৰিলোঁ। অৱশেষত এদিন কাহিনীৰ সমল পালোঁ, কিন্তু ভাল পৰিৱেশৰ অভাৱত স্বাৰ্থপৰ মানুহৰ দৰে এদিন তাৰ পৰা বিদায় ল'লো।

মোৰ নলে গ'লে লগা বন্ধু তপন গগৈক তাৰ আবকাৰী অফিচত লগ কৰি তাৰ ঘৰত এটি সৰু কোঠা বিচাৰিলো। কিন্তু নানান অসুবিধা দেখুৱাই সি মোক বিদায়হে দিলে। আজি বহু বছৰৰ বন্ধুত্বৰ চিনাকি তেনেকুৱা ব্যৱহাৰেৰে পাই গ'লো। দুখ লাগিল বহুত। কিন্তু উপাই নাই, হয়তো তেনেকুৱাই হ'ব লগা





আছিল। অত্যন্ত চিন্তাক্লিষ্ট মন লৈ ৰিক্সা এখনত উঠিলোঁ।

ৰিক্সাবালাজনে মোৰ মুখখন দেখ সুধিলে, 'থকা হোটেল লাগে নেকি?' মই ক'লো 'কম পইচাত পামনে বাৰু?' সি মোক তাৰ লগত থকাৰ কথা ক'লে। তাৰ নাম কমল শইকীয়া। এসপ্তাহ মান তাৰ লগত থাকি বহুতৰ লগত চিনাকি হ'লো। ভাল লাগিছিল, কিন্তু ঘৰটো থেপাথেপি বাবে মোৰ লিখিবলৈ অসুবিধা হোৱা বুলি জানি সি মোক চহৰখনৰ তিনিআলিত থকা বাইলেন নং ৪ লৈ গ'ল। তাত থকা ঘৰ এটাৰ মালিকজনৰ লগত কথা পাতি কিছুদিনৰ বাবে কক্ষটো খুজিলো। আচলতে মালিকজন তাত নাথাকে, তেওঁ এজন ব্যৱসায়ী। কিন্তু কোনোবাই ঘৰটো দখল কৰাৰ ভয়ত ভাড়া দি থৈছে। সুবিধাটো পাই তেওঁ ক'লে, 'মাহে এহেজাৰকৈ ল'ম।' মই তিনিমাহৰৰ ভাড়া হিচাপে তিনি হাজাৰ টকা দিলো।

মোৰ ঘৰটোৰ পৰা অলপ দূৰত আৰু এঘৰ মানুহ থাকে। কমলৰ পৰা গম পালো তেখেতৰ নাম ভবেন কলিতা। ভবেন কলিতা চাকৰিয়াল যদিও দুৰাৰোগ্য ৰোগত ভোগাৰ ফলত বহুদিন কাম কৰিব পৰা নাই, যাৰ ফলত আৰ্থিকভাৱে কিছু সমস্যা হৈছিল।

কথাখিনি গম পাই অলপ দুখো লাগিছিল। সহায় কৰিবৰ ইচ্ছা আছিল, কিন্তু মোৰ পৰিস্থিতিও তেতিয়া ঠিক নাছিল।

লাহে লাহে ভবেশ কলিতাহঁত মোৰ ওচৰ চাপিবলৈ ধৰিলে। তেওঁৰ কন্যা নিৰ্মালিৰ বাবে মই ভগৱান স্বৰূপ হ'বলৈ ধৰিলো। তাই মোক লাহে লাহে সকলো কথা ক'বলৈ ধৰিলে।

লাহেকৈ ইয়াৰ পিছত মই তোমাক আৰু জয়শ্ৰীক লগ পালো। আৰু সঁচা ক'বলৈ গ'লে তোমালোকে কৰা সহায়ৰ বলতে মই আজি কথাখিনি ক'ব পাৰিছো। ইয়াৰ বাবে বহুত ধন্যবাদ ৰাঘৱ।

ইয়ালৈ অহাৰ পিছত মোৰ খোৱা-বোৱাত খুব সমস্যা হৈছিল। কিয়নো হাতত খুব কম টকা আছিল। কিন্তু অভাৱে আৱিষ্কাৰৰ মূল। ঘৰটোৰ পাছফালে মানিমুনি, ভেদাইলতা আদি দেখিছিলো। সেইবোৰকে সিজাই খাবলৈ ধৰিলো মাজে মাজে। কেতিয়াবা ভবেন খুৰাকো দিওঁ। তেৰোঁ তৃপ্তিৰে খাই। এদিন নিৰ্মালিয়ে মোৰ মুখখনলৈ চাই কৈছিল, আপুনি ইমান কষ্ট নকৰিব। মুখখন সৰু হৈ গৈছে। তাইৰ সেই আপুনি শব্দটো খুব মৰম লগা আছিল। এদিন তাই মোক দেউতাকৰ ওচৰলৈ লৈ গৈ দেখুৱালে, 'চাওঁকচোন ছাৰ, দেউতাৰ বগা দাগবোৰ নোহোৱা হৈ গৈছে।' মই গম পাইছিলো, মই দিয়া বন দৰৱে কাম কৰিছে। মই মাথোঁ হাঁহি মাৰি ক'লো, 'ভগৱানে ভাল মানুহৰ সদায় ভালেই কৰে।'

এপষেক সময়ৰ পাছত মোৰ উপন্যাসৰ যৱনিকা পৰিল। মোৰ কাহিনীৰ বিষয়বস্তু আছিল আমাৰ সমাজৰ নিৰ্যাতিত-নিপীড়িত মানুহ আৰু ঘৰুৱা কলহ-সম্পত্তিৰ কাৰণে লালায়িত কদাচাৰী পুত্ৰ-বোৱাৰীৰ দ্বাৰা অৱহেলিত পিতৃ-মাতৃৰ ধতকপলীয়া জীৱন। উপন্যাসখনৰ নাম থ'লো আশা। পাণ্ডুলিপিটো ঠাকুৰীয়া আৰু প্ৰিয়তোষ চক্ৰৱৰ্তীৰ হাতত পৰাত পঢ়ি ইমানে ভাল পালে যে লগে লগে মেক কাৰণে বিশ লাখ টকাৰ চেক পঠিয়ালে আৰু ক'লে কিতাপ এখন প্ৰকাশ পালে আৰু পাবা।

ইমান টকাৰে মই কি কৰিম। গতিকে টকাখিনি বিতৰণৰ দায়িত্ব ঠাকুৰীয়াৰ বুলি কৈ এখন চিঠি লিখিলোঁ। দীপিকাৰ পৰাও আঁতৰত থকা বহুদিন হ'ল। তাকে ভাবি দহ লাখ টকা দিপীকাৰ নামত, পাঁচ লাখ টকা নিৰ্মালিৰ নামত আৰু পাঁচ লাখ টকা তোমাৰ নামত কৰি দিছো।

তুমি মোক যিমানখিনি উপকাৰ কৰিলা, সেয়া মই কেতিয়াও পাহৰিব নোৱাৰিম। তাৰ বাবে আকৌ এবাৰ ধন্যবাদ। কাইলৈ মই যামগৈ। আশা কৰো কাইলৈও তোমক এবাৰ লগ পাম।

সেই আশাৰে আজিলৈ শুভৰাত্ৰি। আৰু ভিডিঅ'টি বন্ধ হৈ গ'ল। নিৰ্মালীৰ চকুৰে চকুপানী বৈ আহিছিল। ময়ো নিজৰ চকুপানীক বাধা দিব নোৱাৰি বাহিৰলৈ ওলাই আহিলো। হঠাৎ ভবেন খুৰাক মোৰ ফালে আহি থকা দেখি নিৰ্মালিক বাহিৰলৈ মাতি আনিলো। খুৰাই নিৰ্মালিক লৈ খাঁবলৈ আহিছে। এটি সন্তোষ মনেৰে নিৰ্মালিকো বিদায় দি মই ঘৰমুৱা হ'লো।

ঘৰলৈ গৈ থকাৰ সময়ত মনত মাত্ৰ এটি কথাই খেপিয়াই আছিল, সঁচাকৈ বাৰু পৃথিৱীত এনেকুৱা মানুহো থাকে নে যিয়ে এটি উপকাৰৰ মূল্য এনেদৰে দিয়ে।

□□□

# সন্ত্ৰাস

নৱনীতা কলিতা
তৃতীয় ষাণ্মাসিক



উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ অন্তত পল্লৱ হোষ্টেলৰ পৰা ঘৰলৈ আহিল আৰু ৰিজাল্ট দিয়ালৈকে সেই দিনকেইটা ঘৰত অতি ৰং-ৰহইচেৰে সকলোৰে লগত পাৰ কৰিলে!!!

ঘৰখনৰ একমাত্ৰ ল'ৰা আছিল সৌৰভ। মাক-দেউতাক আৰু একমাত্ৰ ভনীয়েকৰ সৈতে সিহঁতৰ এটা সৰু পৰিয়াল। দেউতাক অঞ্চলটোৰ এজন বিখ্যাত ব্যৱসায়ী মাক-দেউতাকৰ আদৰৰ সৌৰভ আৰু ভনীয়েক নিতাই সৰুৰে পৰাই অভাৱ কি বস্তু চিনিয়ে পোৱা নাছিল। তেওঁলোকৰ সকলো প্ৰয়োজনীয় বস্তু তেওঁলোকে বিচৰাৰ আগতে পায়।

সৌৰভে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰসহ উত্তীৰ্ণ হয়। তাৰ পিছত তাক চহৰৰ এখন অতি আগশাৰীৰ কলেজত দেউতাকে নাম লগাও দিয়ে।

দেউতাকৰ লগতে সৌৰভৰো ইচ্ছা যে সি পঢ়ি-শুনি এজন ডাক্তৰ হ'ব আৰু যিবোৰ মানুহে চিকিৎসাৰ অভাৱত অকালতে মৃত্যুক সাৰটিবলগীয়া হয়, তেওঁলোকক বিনামূলীয়াকৈ চিকিৎসা প্ৰদান কৰিব। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ অন্তত সৌৰভ হোষ্টেলৰ পৰাই ঘৰলৈ আহিল আৰু ৰিজাল্ট দিয়ালৈকে সেইকেইদিন ঘৰত অতি ৰং-ৰহইচেৰে সকলোৰে লগত দিনকেইটা পাৰ কৰিলে। সকলোৰে আশা, সৌৰভে ভৱাল ৰিজাল্ট কৰিব। অৱশেষত সকলোৰে উৎকণ্ঠাৰ অন্ত পেলাই সেই বিশেষ দিনটো আহি পালে। মাকৰ কথামতে সৌৰভে ৰাতিপুৱা সোনকালে উঠি গা-পা ধুই সিহঁতৰ ঘৰৰ অলপ আঁতৰৰ তিনি আলিৰ চ'কটোৰ ওচৰৰ মন্দিৰটোত এখন শৰাই আগবঢ়াব গ'ল। সেই যে সৌৰভ গ'ল আৰু কোনোদিনেই ঘূৰি নাহিল। মন্দিৰৰ ওচৰত হোৱা এটা বোমা বিস্ফোৰণত সৌৰভৰ দৰে আৰু বহু নিৰীহ লোকৰ প্ৰাণ গ'ল। অৱশেষত সৌৰভৰ ৰিজাল্ট ওলাল। সি বিজ্ঞান শাখাত অসমৰ ভিতৰতে প্ৰথম স্থান লাভ কৰিছে। কিন্তু তাৰ ৰিজাল্টে কাকো আনন্দ দিব নোৱাৰিলে।

সেই যে সৌৰভ গ'ল আৰু কোনোদিনেই ঘূৰি নাহিল। মনৰ আশা মনতে সামৰি গুচি গ'ল চিৰজীৱনলৈ...।

□□□





# এটি ভয়ানক নিশা

অঞ্জন হাঁলৈ
প্ৰথম ষাণ্মাসিক

সন্ধিয়া হ'ল। এয়া কি ঘৰৰ দৰ্জাৰ কেৰ্‌কেৰ্‌ণি মাত। কাপোৰ, পৰ্দা, চকী-মেজ সকলোবোৰ লৰিছে। ঘৰৰ ওচৰৰ বাঁহজোপাৰ শুকান পাতবোৰতো খচ্‌মচাই আছে। সৌৱা তাত কি? বেৰখনৰ ফাঁকেৰে সেয়া কোন? কোন সেয়া। নাজিয়াৰ মনত প্ৰশ্ন উদয়।

পাহাৰৰ দাঁতিকাষৰীয়া অঞ্চলত কোনো মানুহ-দুনুহ নাই। কেৱল জংঘল চাৰিওফালে আন্ধাৰ কেৱল জন্তুৰ মাত। এই নিৰ্জন ঠাইত এটা ডাঙৰ ঘৰ। কোঠা আশীটা। য'ত বাস কৰে মাত্ৰ চাৰিটা প্ৰাণীয়ে। বেৰবোৰ মকৰাৰ জালৰ দৰে। ঘৰৰ বেৰবোৰ কিছু কিছু ফাট মেলিছে। তাত থাকে নাজিয়া। তেওঁৰ ল'ৰা জেমছ, মাক লিজা আৰু কাম কৰা ল'ৰা ৰবি। জেমছ আজি প্ৰায় ৩ বছৰ হ'ল জাৰ্মানলৈ যোৱা। কালি ৰাতি দুই বজাত আহি পাবহি।

নিশা ঘোৰ আন্ধাৰত লাইটৰ পোহৰত মা, আইতা আৰু ৰবিয়ে ভূৰ্তি কৰিছে জেমছ আহিব বুলি। কিন্তু এয়া কি হ'ল. হঠাৎ বন্ধ হৈ গ'ল সকলো লাইট। বতাহ, কেৱল বতাহ। ঘৰৰ সকলোবোৰ বস্তু লৰিছে। জোনৰ পোহৰত চিক্‌মিকাই থকা বগা স্ফটিকৰ দৰে কোন সেয়া লক্ষ্য কৰিলে নাজিয়াই। কিছু সময় নীৰৱে থাকি লাহে লাহে বাহিৰলৈ খোজ ল'লে।

দৰ্জাখন খুলি দেখিলে নিস্তব্ধ ৰাতি, দুৱাৰমুখত কুকুৰটো বহি আছে। নাজিয়া বিমূৰ্ষ হৈ ঘৰ সোমাল. ক'বলৈ ধৰিছে ক'ত গ'ল, ক'ত গ'ল সি আঙুলিয়াই দেখুৱাই। 'ৰবি আৰু লিজা!' ক'তা, কোন একো নাইচোন তাত।' নাজিয়াৰ গাটো কঁপিছে। তেওঁ যেন কিবা ভয়ানক বস্তু দেখা পালে কোন সেয়া প্ৰশ্ন জাগি লিজা আৰু ৰবিৰ মনত। তেনেতে লাইটটো জ্বলি উঠিল। কিন্তু আপুগু বাক্যফাঁকিৰ সলনি নহ'ল। লিজা! কি বলকিছে এইবোৰ আপুনি। হাতত ধৰি জিৰণি কোঠালৈ লৈ গ'ল। নাজিয়া বলিয়াৰ দৰে হৈ পৰিল আৰু বিচনাত ঢলি পৰিল।

সেই নিৰ্জন ঘৰটোৰ আশীটা কোঠাৰ মাজেৰে নিশব্দ গৈ আছে নাজিয়া। কেউফালে লক্ষ্য নাই। কেৱল আগবাঢ়িছে। ৰিব্ ৰবি্ বতাহ বলিছে। এসোপামান মকৰাৰ জাল। ক'ৰ পৰা আহিল এই মকৰাৰ জালবোৰ। ঘৰটো আওপুৰণি। কাষৰ কোঠাৰ



পৰা সব্দ ওলাইছে বছোৰা, আমাক বছোৰা। কোন সেইবোৰ অকণো কাণসাৰ নাই নাজিয়াৰ। দুৱাৰ মুখ পাওঁতে পাওঁতে বাকী থাকিল চকু দুটি সকলো দেহ মকৰা জালেৰে পোত হৈছে। এইফালে চকু মেলি লিজাই বিচাৰি ফুৰিছে নাজিয়াক। ভয়তে ঘামেৰে তিতি গৈছে। বিচাৰি বিচাৰি এক নিৰ্জন কোঠাত সোমাল য'ত তেওঁ যোৱাই নাই ইমান বছৰ ধৰি। তাত কেৱল মানুহৰ হাঁড়-মূৰ, জকা আদি। কিন্তু হঠাৎ দৰ্জাখন বন্ধ হৈ গ'ল। লিজাই চিঞৰিছে বছা বছা। কিন্তু তেওঁৰ মাত শুনিবলৈ কোনো উপায় নাছিল। নাই এখন খিৰিকী নাই এটা ফুটা। উপায়হীন হৈ তাত তেওঁৰ...

এইফালে নাজিয়াই দৰ্জাখন মেলি দেখিলে ৰঙাবৰণৰ চুলিটাৰি। এখন হাত কিলাকুটিৰ পৰা নাই। বাওঁহাতত এখন দীঘল কুঠাৰ। মুখত কটা ঘা। সেইবোৰৰ কাৰণে ছোৱালীজনী ভয়ানক দেখা গৈছে।

নাজিয়াৰ ফালে চাই চিনি পাইছেনে নাই বুলি সুধিলে। নাজিয়া কিছু সময় থৰ লাগি চাই থাকিল। অলপ পিছত ক'লে, নাজিয়া কিছু সময় থৰ লাগি চাই থাকিল। অলপ পিছত ক'লে, 'তুমি, তুমি আমাৰ বোৱাৰী নহয়নে?' ছোৱালীজনীয়ে ক'লে, 'অ' হয় মা! মই আপোনাৰ বোৱাৰী বিনীতা। চাওঁক আপোনাৰ পুত্ৰই মোক কি দুৰ্দশা কৰিছে। চাওঁক মোৰ হাতখন কুঠাৰেৰে কেনেকৈ কাটিছে। চাওক মুখখনলৈ চুৰিলে কেনেকৈ কাটিছে। আপোনাৰ ল'ৰাই মোৰ লগত মিছা প্ৰেম কৰিলে। বিয়া কৰিলে

আৰু মোক হত্যা কৰিলে মা। জেমছে বন্ধুৰ কথা শুনি মোক হত্যা কৰিলে মা।'

নিশা দুই বাজিল। ৰবিয়ে কাৰোবাৰ মাত শুনি তললৈ নামি আহিল। কিন্তু ছোৱালীজনী ক'ত গ'ল। নাজিয়াই পিছফালে ঘূৰি ৰবিক দেখা পালে আৰু ক'লে জেমছে মোৰ বোৱাৰীক হত্যা কৰিলে। জেমছ হত্যাকাৰী। জেমছক মই ক্ষমা নকৰো বুলি কৈ তৎক্ষণাত পিষ্টলটো লৈ মাৰিব দৰোতে জেমছ আহি পিছফালেৰে পিঠিত তৰোৱাল সোমাই দিলে আৰু...।

ৰবিয়ে সুধিলে তুমি, তুমিতো কাইলৈ অহাৰ কথা আছিল। জেমছে ক'লে, মই ৰে'লত আহিব খুজিচিলো। পিছত এৰোপ্লেনত আহিলো। বাহিৰত বৈ সকলোবোৰ শুনিলো। এতিয়া তোমাৰ পাল।

হঠাৎ আকৌ বতাহ আহিল। চকী-মেজ সকলোবোৰ লৰিছে। জেমছে ইফালে-সিফালে চাওঁতে ৰবিয়ে পলাই দৌৰ মাৰিলে। কিন্তু বিনীতা তাৰ সন্মুখত থিয় দিলে আৰু গলটোও কাটি দিলে। জেমছে তাক বিচাৰি বিচাৰি ওপৰলৈ গ'ল আৰু এই ঘটনা দেখা পাই সি নিজে আত্মহত্যা কৰিলে।

এতিয়া মাত্ৰ আছে সেই ফটা বেৰবোৰৰ ঘৰ। চিৰিৰে বাগৰি পৰা সেই তেজৰ দাগ। ছেদেলি-ভেদেলি চকী-মেজ।

❑❑❑





# এক ৰহস্যৰ সমাধান

চিন্ময় কলিতা
তৃতীয় যান্মাসিক

পৰিদৃশ্যমান এই প্ৰপঞ্চ জগতৰ এজন মহান স্ৰষ্টা আছে। ৰহস্যভৰা এই সৃষ্টিৰো এক মহান উদ্দেশ্য আছে। এই জগত জড়, অৰ্ধ-চৈতন্য, চৈতন্য আৰু পৰম চৈতন্য পদাৰ্থৰে পৰিপূৰ্ণ। এই চাৰিও প্ৰকাৰৰ পদাৰ্থৰ অন্তৰালত এক শাশ্বত লক্ষ্য আৰু উদ্দেশ্য আছে। ব্ৰহ্মাণ্ডৰ গতিশীলতাৰ লগত যিদৰে চৈতন্য শক্তিৰ বিৱৰ্তন অভেদ সম্পৰ্ক, সেইদৰে চৈতন্য শক্তিৰ বিৱৰ্তনৰ লগতো মানৱ সত্বাৰ ওতঃপ্ৰোতঃ সম্পৰ্ক জড়িত হৈ আছে।

ভৌতিক বিজ্ঞানৰ মতে মানৱ জীৱন জীৱৰাজিৰ বিৱৰ্তনৰ চূড়ান্ত পৰিণতি। এই বিৱৰ্তনৰ সময়সীমা তিনিকোটি বছৰ ভাৰতৰ প্ৰজ্ঞাবান ঋষিসকলৰ মতেও চৌৰাশী লক্ষ যোনি ভ্ৰমণ কৰি জীৱই মানৱসত্বা লাভ কৰিছে।

যথাৰ্থ জন্ম লাভ কৰাৰ পূৰ্বে জীৱই স্থাৱৰ (গছ-গছনি, তৰু-লতিকাদি গমনা গমন অসমৰ্থ) যোনিত ২০ লক্ষ, জলজ (মাছ, কাছ আদি) যোনিত ৯ লক্ষ, কৃষিজ (পোক-পৰুৱা আদি) যোনিত ১১ লক্ষ, পক্ষী (চৰাই-চিৰিকটি আদি) যোনিত ১০ লক্ষ, পশু (গৰু-ছাগলী আদি) যোনিত ৩০ লক্ষ, বানৰ (সভ্যতাবিহীন মানৱ প্ৰজাতি) যোনিত ৪ লক্ষবাৰ জন্মগ্ৰহণ কৰি মুঠ ৮৪ লক্ষ যোনি অতিক্ৰম কৰি জীৱই মানৱ নামৰ সত্বাটোৰ অধিকাৰী হৈছে। গতিকে মানৱ জাতি প্ৰকৃতি মাতাৰ শ্ৰেষ্ঠতম দান আৰু পৰম পিতাৰ প্ৰাণভৰা আশীৰ্বাদ। পৃথিৱীৰ জীৱবোৰৰ ভিতৰত মানুহে একমাত্ৰ জীৱ— যি সৃষ্টিৰ স্ৰষ্টা সম্পৰ্কে বিচাৰ কৰিব পাৰে, সৃষ্টিৰ উদ্দেশ্য সম্পৰ্কে মনন কৰিব পাৰে। এই মানৱ জন্ম কোটি কোটি বছৰ অথবা প্ৰকৃতি নামৰ বৃক্ষজোপৰ সুপক্ক ফল। প্ৰকৃতাৰ্থত মানুহ হ'বলৈ হ'লে লক্ষ্য স্থিৰ হ'ব লাগিব। মানুহৰ লক্ষ্যসমূহ তিনিভাগত কৰিব পাৰি।

প্ৰথমে লক্ষ্য হৈছে মন নিয়ন্ত্ৰণ, দ্বিতীয় লক্ষ্য হৈছে



অতৃপ্ত বাসনা ক্ষয়, তৃতীয় লক্ষ্য হৈছে শাশ্বত শান্তি উপলব্ধি। এই শাশ্বত শান্তি অৱস্থাতেই ঈশ্বৰ সাক্ষাৎ আৰু আত্মোলব্ধি সম্ভৱ। অশান্তিৰ মূলতে অতৃপ্ত বাসনা অথবা অশান্ত মন শান্তিৰ মূলতে বাসনা নিয়ন্ত্ৰণ। অতৃপ্ত বাসনাৰ মূলতে 'অহম'কাৰ (মই আৰু মোৰ) ভাব। এই অহংকাৰ অৰ্থাৎ বাসনাৰ বীজে প্ৰতিপলে প্ৰক্ষিণে মায়াবী ৰূপ ধাৰণ কৰি জীৱক প্ৰৱঞ্চনা কৰি আহিছে। যিমানেই বাসনাৰ জ্বালা বৃদ্ধি পায় সিমানেই মন অশান্ত হয় আৰু হৃদয়ৰ শান্তি দগ্ধ হৈ গৈ থাকে। হৃদয়ৰ শান্তি নাথাকিলে সোণ-ৰূপ হীৰা আদি ৰত্ন, বিশ্বৰ উচ্চতম পদমৰ্যাদা আদিয়েও শান্তি আনিব নোৱাৰে। শান্তিৰ মূলতেই মনৰ প্ৰবোধ। য'তেই মন শান্ত তাতেই শান্তি সম্প্ৰীতি মৈত্ৰীয়ে আত্মপ্ৰকাশ কৰে।

মানৱ শৰীৰ স্ৰষ্টাৰ ৰহস্য ভৰা অতি জটিলতম সৃষ্টি। বেদান্তৰ মানুহৰ শৰীৰত অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময়, আনন্দময় এই পাঁচটি কোষৰ বিকাশ হৈছে। উদ্ভিদ যোনিত অন্নময় কোষৰ বিকাশ হৈছে। এই উদ্ভিদ যোনি অৰ্ধ চৈতন্য যদিও চৈতন্য অংশৰ পৰা বনস্পতি লতিকা আৰু ঔষধিসমূহে অমৃত গুণ আয়ত্ব কৰিব পাৰে। স্বেদজ (গেলা-পচা ঠাইৰ পৰা উৎপন্ন প্ৰাণী) যোনিত অন্নময় আৰু প্ৰাণময় কোষৰ বিকাশ হৈছে। সেইবাবেই এই যোনিত গতিশক্তি লাভ কৰিছে। অণ্ডজ (কণীৰ পৰা ওপজা প্ৰাণী) যোনিত অন্নময়, প্ৰাণময়, মনোময় কোষৰ বিকাশ হৈছে। গতিকে অণ্ডজ প্ৰাণীত প্ৰেম, আসক্তি আদিৰ বিকাশ হৈছে। জৰায়ুজ যোনি গৰ্ভাশয়ৰ পৰা উৎপন্ন প্ৰাণী) অন্নময়, প্ৰাণময়, মনোময়, বিজ্ঞানময় কোষৰ বিকাশ হৈছে। জৰায়ুজ যোনিৰ ভিতৰত উৎকৃষ্ট যোনি হৈছে মনুষ্য যোনি। এই যোনিত আনন্দময় কোষৰ বিকাশ হৈছে। এই কোষৰ মাজতে অন্তৰ্নিহিত আছে মানৱ জাতিৰ অমৃত তত্ব।

আধ্যাত্মিক সুখ আমাৰ শাশ্বত কামনা। জড়বাদী বিজ্ঞানীয়েও এই শাশ্বত কামনাক উপেক্ষা কৰিব কৰিব পৰা নাই। আইনষ্টাইন, আৰ্থাৰ এডিংটন আদি বিজ্ঞানীবোৰে এই ৰহস্যৰ ওচৰত মূৰ দোৱাই কৈছেই— "The vast realm of the unknown is not only unknown but also unknownable." ১৯৪৫ চনৰ ১৬ জুলাইত আমেৰিকাত হোৱা বোমা বিস্ফোৰণৰ ধ্বংস যজ্ঞ দেখি বিজ্ঞানী ড° আপন হামেৰে শ্ৰীমদ্ভাগৱদগীতাৰ একাদশ অধ্যায়ৰ ১২ নং শ্লোকটিৰ ভগৱানৰ মহিমা প্ৰকাশ কৰিছিল। বিজ্ঞানৰ মহিষী আইনষ্টাইনে কৈছে— "Religion without science is lame, science without religion is blind." অকল আইনষ্টাইনেই নহয়, মেক্স প্লেংকে, হেনৰি আদিয়ে এনেহেন কথাকেই কৈ গৈছে। এয়া বিজ্ঞানী মনীষীৰো আত্মাৰ ৰামে সাগৰত সেতু দিয়াৰ দৰে আহ্বান।

কিন্তু আজিৰ মানৱ সমাজ কাম সাধন আৰু হৃদয়ৰ ভাৰসাম্যতা হেৰুৱাই একো কাম-বন নকৰি হোজা হ'ব লাগিছে। সুস্থ হৃদয়, বিশুদ্ধ এক বিবেকৰ প্ৰয়োজন হৈছে। যাৰ দ্বাৰা এক ৰাম ৰাজ্যৰ আশা কৰিব পাৰি।

❑❑❑



# শান্তিৰাম লহকৰ
## পদ্য ফুলনি

ৰঙিয়া ৰাইজমেলৰ পৰম্পৰাৰ ভিত্তিত ৰঙিয়াত স্বাধীনতা আন্দোলন আৰম্ভ হৈছিল, ১৯২১ চনত ঘোষিত হোৱা অসহযোগ আন্দোলন ৰঙিয়া অঞ্চলত প্ৰথম আৰম্ভ হৈছিল শান্তিৰাম লহকৰৰ নেতৃত্বত। তেখেতে স্বাধীনতা আন্দোলনৰ প্ৰথম সভাখন পাতিছিল ৰঙিয়া হাটখলাত, সভাত উপস্থিত আছিল দেশভক্ত তৰুণ ৰাম ফুকন আৰু নবীন চন্দ্ৰ বৰদলৈদেৰ। ১৯২১ চনত অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰাৰ অপৰাধত বৃটিছে গ্ৰেপ্তাৰ কৰি এবছৰতকৈও অধিক কাল তেওঁক জেললৈ নিক্ষেপ কৰিছিল। তেখেতেই ১৯১৭ চনত ৰঙিয়া হাইস্কুল প্ৰতিষ্ঠা কৰি আধুনিক ৰঙিয়াৰ নিৰ্মাতা হিচাপে যশস্বী হৈ আছে।

# মায়া

**নীলিম কুমাৰ**
কবি

মোৰ ঘৰৰ হেলনীয়া ছায়াৰ তলত বৈ আছিল মায়া।
গোন্ধ পাই তাইৰ, মই কাষলৈ গৈছিলো।
খামুচি ধৰিছিলো মমৰ দৰে তাইৰ মসৃণ দুহাত।
মোৰ কাণত আলফুলকৈ ওঁঠ দুটা গুজি তাই ফুচফুচাই
যি কথা ক'লে মট মটকৈ ভাগিবলৈ ধৰিলে মোৰ ঘৰ
খহি পৰিল চালেৰে সৈতে ছিলিং, টুকুৰা টুকুৰ হৈ গ'ল
চাৰিটা খুৰাৰে সৈতে মোৰ বিছনা, উপ্ আস্ কৰিবলৈ ধৰিলে
কাপোৰেৰে সৈতে ছিন্ন ভিন্ন হোৱা মোৰ আলনাখনে
থন থনকৈ ভাগি গ'ল মোৰ কাচৰ আলমাৰী, ছিটিকি পৰিল
আলমাৰীত থকা কিতাপ মাটিৰ ফুলদানী মাটিৰ পুতলা
চিয়াহীৰ দোৱাত। অভিমানত ঝন ঝনকৈ ভাগি গ'ল
মোৰ প্ৰিয় আইনা উফৰি পৰিল চকী মেজ, মেজৰ ওপৰৰ
গিলাছ পানীৰ বটল চচমা। জ্বলি উঠিল
ৰান্ধনীঘৰৰ সকলো বাচন-বৰ্তন অদ্ভুত ভাঁজ ধৰি বাচনবোৰ
উঠিল টনটনাই বন্দী পানী মুকলি হ'ল বাল্টিং বাগৰি
ভুকভুকাই উঠিল মোৰ আটাইতকৈ মৰমৰ পোহনীয়া কুকুৰটো.....
মায়াই মোক সাৱটি ধৰি ক'লে
এই ঘৰ মিছা, জুই পানী বতাহ আকাশ সকলো মিছা
এই জগত মিছা'
মই ভাবিলো - তেন্তে ময়ো মিছা, এই কুকুৰটোও মিছা - যি
ভুকি আছে! ভবাৰ লগে লগে কুকুৰটোৱে মোক কামুৰিবলৈ
খেদি আহিল। দৌৰি দৌৰি মই পলাবলৈ ধৰিলো। কিন্তু
কুকুৰটোৱে মোৰ ভৰিত কামুৰি ধৰিলে আৰু সুধিলে—
'যদি তুমিও মিছা, ময়ো মিছা, তেন্তে মোৰ ভয়ত
তুমি পলাইছা কিয়?'
মায়াই মোলৈ চকু টিপিয়ালে আৰু মই ক'লো
যে এই পলোৱাটোও মিছা

□□□

# ভালপোৱা

**হিমাংশু প্ৰসাদ দাস**
কবি, নাট্যকাৰ

তুমি কাষত থিয় দিয়াতহে অনুভৱ হ'ল
আচলতে কিমান অকলশৰীয়া আছিলোঁ মই
একে উশাহতে যেন তুমি সামৰি ল'লা
মোৰ সমস্ত যন্ত্ৰণা.....
মোৰ ঠিকনা হেৰুৱাই পেলোৱা ব'হাগক
তুমিয়ে দিলা সস্নেহ নিমন্ত্ৰণ
আৰু অহংকাৰী হৈ উঠিব পৰাকৈ
কৰি তুলিলা মোক ঐশ্বৰ্যশালী।।

□□□



# চোঁচৰাই লৈ অনা স্বৰ্গৰ ৰজাসকলৰ কফিন

(অনুদিত কবিতা)

মূল (বড়ো)
গৌতম দৈমাৰী
অতিথি অধ্যাপক, বড়ো বিভাগ
অনুবাদক ঃ
অধ্যাপক বিৰূপাক্ষ গিৰি বসুমতাৰী
কটন বিশ্ববিদ্যালয়

স্বৰ্গও সম্প্ৰতি
স্বৰ্ণিল প্ৰলেপত সুশোভিত নহয়
নৰকৰ ৰজাসকলে দখল কৰি
আঁজুৰি ল'লে!

স্বৰ্গত এতিয়া দৈনন্দিন আখৰা চলে
তোৰে মোৰে বুকুৰ তেজ পি খোৱাৰ!

স্বৰ্গ এতয়া
চেকুৰা-চেকুৰ পাপৰ পয়োভৰ
ৰজাৰ ৰাজত্ব চলে
সভ্যতাক ধৰ্ষণ কৰি
সিহঁতে কেঁচা মঙহৰ বেহা পাতে!

সিহঁতৰ খাদ্যৰ অৱশেষখিনি
হাঁড়-মজ্জাৰ দ'মেৰে
বহন কৰি আনে
ৰাজ আসন লোলপু
মুখাপিন্ধা ৰাজকোঁৱৰসকল!

মৰ্ত্যৰ পৰা গৈ সিহঁত
পুনৰাই উভতি মৰ্ত্যলৈ আহে
লগত চোঁচৰাই লৈ আহে
নিজৰেই কফিন।

□□□

# আত্মজাহ

ইমদাদুল আলী
প্ৰথম ষান্মাসিক

হতাশাৰ মকৰাজালত এলান্ধু হৈ ওলমে সফলতা
নগ্নতাৰ নিৰ্লজ্জতাত ক'লীয়া ডাৱৰৰ
অজান দ্বীপত বহি কান্দি ৰয় সততা।
নিস্তব্ধ নিশাৰ ধূসৰ ৰাজপথত
দেও দি দি নাচে সুখনিদ্ৰা।
কায়িক প্ৰেমৰ জুইত আত্মজাহ দিয়া
আশাৰ দগ্ধ দেহৰ ওপৰত বহি
মাতাল হয় বিফলতা।।

□□□

# অশান্ত ইলেক্ট্ৰ'ন

ড° হিতেশ বৰ্মন
অধ্যাপক, ৰঙিয়া কলেজ

খৰ্ব হ'ল অৱধাৰিত অহংকাৰ
দুঃস্বপ্নৰ চাকনৈয়াত মৃত্যুপণ সংগ্ৰাম আজি...।
ত্ৰাসিত পৃথিৱীৰ কক্ষপথৰ পৰা
বিচলিত অশান্ত ইলেক্ট্ৰন
শক্তিবিহীন হৈ নিউক্লিয়াছত জাহ যোৱাৰ আগতেই
অক্লান্ত প্ৰচেষ্টাৰে জাগ্ৰত হৈ
দৃষ্টিত ধৰা নপৰা ৰাক্ষসৰূপী দানৱক
প্ৰতিহত কৰা কৌশল কাম্য আমাৰ

□□□





# নতুন প্ৰভাত আকৌ হ'ব

গোবিন্দ ওৰাং
দ্বিতীয় ষান্মাসিক

এই কালৰাত্ৰি আৰু নাথাকিব
নতুন প্ৰভাত আকৌ হ'ব
ফেঁচাৰ নিউ নিউ চিঞৰ
শিয়ালৰ ৰাও আঁতৰিব।
এই কাল অমানিশা নাথাকিব
নতুন প্ৰভাত আকৌ হ'ব
জয়াল জয়াল ৰাতিৰ বিভীষিকাবোৰে
সাহ জুই দেখি পলাই পত্ৰং দিব।
এই অমানিশাৰ দিন আঁতৰিব
নতুন প্ৰভাতে মুখনি দেখুৱাব
অন্ধকাৰত ধ্বংসকাৰী মাতাল প্ৰেতৰ
স্বচ্ছ পোহৰে বক্ষ বিদাৰিব।
এই কালৰাত্ৰি আৰু নাথাকিব
দীপ্ত সূৰ্য উত্তপ্ত হৈ জিলিকিব
তাৰ উত্তাপিত ৰশ্মিয়ে নিথৰ যুগত
নবীন সূৰুযৰ সূচনা কৰিব।।

□□□





# দ্ৰৌপদি

ৰাহী বৰুৱা
তৃতীয় ষান্মাসিক

দ্ৰুপদ অশ্ৰৰ ঔৰস ফালি অনল সামৰি জনমা মই,
যাজ্ঞকুণ্ডৰ যাজ্ঞসেনী।
ৰক্তসজল নয়নমণিৰে হেজাৰ সপোনৰ আবিৰ সানি,
তপত দুধাৰিৰে দুগাল তিয়োৱা অনুনীত মোৰ অস্তিত্বৰ ৰাতি।
মোৰ সহিষ্ণুতাত উদীপ্ত ধৰ্মত
পঞ্চৰত্ন মোৰ শিৰোমণি।
মোৰ প্ৰেমাকুল নিৰ্মালিৰ বোলেৰে বোলিত
সু-সজীৱ পঞ্চম কৌন্তেয়ৰাজি।
মোৰ তিৰষ্কৃত স্বাভিমান আৱৰিত
স্বয়ং পৰমেস্বৰৰ আঙুলি ফাকত,
মোৰ ক্ৰোধাগ্নিত দহিত যত ঐশ্বৰ্যশালী অধৰ্মী কুৰুকুলসৱ।
মোৰ আদৰেৰে ফুলিত ধৰণীত পুনঃ বিৰাজিত ধৰ্মৰ প্লাৱন।
নিৰ্মিত যুগ, নিৰ্মিত কাল
আৰু নিৰ্মিত সুখৰ প্ৰহৰ।
সাৰ পোৱা হে নতুন জননী, পোহৰোৱা জগতৰ দুকুল এন্ধাৰ।
অশ্ৰুৰ জলেৰে ধুওৱা তুমি,
সহস্ৰ ব্যাধিজাত মলিন সমাজ।
ওফৰাই দিয়া দমনশীল পৌৰুযেয় চেতনাক,
তোমাৰ বক্ষৰ দুগ্ধ জলত।
আকৌ জনমা তুমি নতুন সমাজত,
নৱদিনৰ নৱীন অনলেৰে,
নৱনতুন যাজ্ঞৰ দ্ৰৌপদী ৰূপে। □□□

# আই মাতৃৰ চকুলো

অংকিতা দাস
প্ৰথম ষান্মাসিক



শুনিব কোনে আজি
হেজাৰ জনতাৰ
ক্ৰন্দন বিষাদে ভৰা,
অসুৰ দানৱৰ
ৰাজত্ব চলিছে
অভিশপ্ত এই ধৰা।

দানৱৰ স্বৰ্গ যেন
হৈ পৰিছে
আজি মোৰ মাতৃভূমি,
কেও যে ক'তো
আগবাঢ়ি নাহে
মানৱৰ ক্ৰন্দন শুনি।

অসত্যক নেওচি
ধৰ্মক জয় কৰি
সত্যৰ পথেৰে যোৱা
ধৈৰ্য্য সহকাৰে
কৰ্মৰত হৈ
কৰ্মৰ ফল চোৱা।

দানৱৰ জয়
নিদিবা হ'বলৈ
সত্যক সাৰথি কৰা,
সুৰক্ষিত কৰিম
আমাৰ জননীক
শান্তিময় হ'ব ধৰা।

□□□

# শাৰদী

বৰষা শৰ্মা
প্ৰথম ষান্মাসিক

নিয়ৰ সিক্ত দুবৰিত
স্নিগ্ধ জোনাকৰ আবিৰ;
ৰূপকথাৰ সেই চঞ্চলা নদীখনে
ৰূপোৱালী জোনাকৰ আভা সানি
তৰাৰ সৈতে,
মিতিৰালি পাতিছে।।

টৌবোৰৰ ছেৰেঁ ছেৰেঁ,
তৰাবোৰে নাচিছে।
অভিনৱ এই সাজোন-কাচোন
নৈ পাৰৰ কঁহুৱানিত
কাৰোবাৰ আগমনক লৈ
গুণ-গুণনি উঠিছে।।

ঝাওঁবনবোৰে জিৰ্‌জিৰাই
কথা পাতিছে...
শেৱালিৰ সুগন্ধিত আহিছে তেওঁ,
শান্তিৰ বতৰা লৈ।।

□□□





# চোতাল

বিশ্বজিত কলিতা
তৃতীয় ষান্মাসিক

ফটোৰ ফন্দিৰে বন্দী কৰিব পৰা
ফিৰফিৰিয়া বতাহজাকত
চোতাল উজাই আহে
টকৌপাতে কোবাই অনা
মুখভৰা জোনৰ টৌত।

পানীপোতাৰ
কাগজী নাওঁৰ খেলখন
আমি ৰাতি খেলাৰ কথা আছিল।
চোতাল সাৰে থাকিব।
জেওৰা ভাঙি ঘূৰি অহা
অবোধ গৰুটোৰ
ঘাঁহে কটা চকু দুটাৰ
টোপাল চাবলৈ।

চোতাল সাৰে থাকিব
বুকুত তাৰ গধূলি গোপালৰ
মায়া লগা স্বপ্নফুল।

□□□





# অন্তহীন যাত্ৰা

চাহিল আহমেদ
তৃতীয় ষান্মাসিক

হেজাৰ স্বপ্ন, হেজাৰ আশা বুকুত লৈ
এক যাত্ৰাৰ দিশেময়ো
আগবাঢ়িছোঁ।
শান্তিৰ নীলা আকাশ, আন্ধাৰ ৰাতি
জোনাকীৰ উজ্বল
পোহৰ।
ফাগুনৰ এই মতলীয়া বতাহজাকত...
হিংসাক পিছ পেলাই
অন্ধকাৰক নেওচি আগবাঢ়িছোঁ এই
যাত্ৰাৰ পথত...
হৃদয় ভৰাই ৰাখিছোঁ এই আশা...
কিজানি জীৱনত হয়েবা পূৰণ এই যাত্ৰা।

□□□

## সন্ধান

বিশ্বজিৎ বৰ্মন
তৃতীয় ষান্মাসিক

অচীন পৃথিৱীৰ নিজান কোণৰ
মই এক দুৰ্ভগীয়া,
যাৰ নাই নিজানৰ সংগী
যাৰ নাই অৱসাদৰ লগৰী
যাৰ নাই নিজস্বতাৰ আপূৰ্ত।
যাৰ কেৱল ভংগুৰ বাস্তৱতা।
নিজানৰ আকুল গহ্বৰত
নিজকে কৰিছো আচ্ছাদন।
কেৱল অৱকাশ ৰাখিছো
জানোছা নিবিবিলিৰ ৰাঙলী আভাৰ
ৰেঙণি পাওঁ
যাৰ পৰশত পাওঁ যেন নতুন দিগন্ত
এক নতুনত্বৰ অচীন পৃথিৱী।

□□□





## নিচাত মাতাল আজি বেইমান হৃদয়

নিশান্ত বৰ্মন
পঞ্চম ষান্মাসিক

অন্তৰংগতাৰ কোলাহলত যেতিয়া
নীৰৱ হৈ ৰয় বিবেক...
নষ্টালজিক আনন্দবোৰ হৈ পৰে
সময়ৰ তাগিদাত ভুল...
জীৱনত পোৱা নোপোৱাৰ হিচাপত
নোপোৱাৰ হিচাপ সদায় বেছি।।
তথাপি বিচক্ষণ মনটোৱে সদায়
পোৱাৰ হেঁপাহবোৰকে সামৰি লয়
আশা... একমাত্ৰ আশাৰ বাৰিষাৰ
টুলুঙা নাওখনত উঠিবলৈকে
মানুহৰ দুৰ্বাৰ হেঁপাহ...
বিশ্বাস আৰু আস্থা শব্দবোৰ
কেনিবা হেৰাল তাকে বিচাৰি
আজি মনটোও ভাগৰুৱা
নিদ্ৰাহীন অভাৱে জুৰুলা কৰিছে
... কাক খুজিম অকনমান নিদ্ৰা দিয়কচোন
... ধাৰ মাৰিবলৈ বাৰুকৈয়ে চেষ্টা কৰিম।।
এয়াই বৰ্তমান ভগ্ন হৃদয়ৰ অভিমান
সিওঁ আজি কিমান নিচাত মাতাল...।

□□□



আঠচল্লিশ সংখ্যক বঙিয়া মহাবিদ্যালয় বাৰ্ষিক আলোচনী

## অমানিশা

সুমত দাস
তৃতীয় ষান্মাসিক

কম্পিত অমানিশাৰ মনত পৰে
সীমহীন বেদনা।
গুচি যোৱা সোমবাৰ আৰু
চাৰিদিনৰ ঘটনা।।
নাহিবা সোনকালে নোৱাৰো সহিব
গভীৰ বেদনাৰ যাতনা।
ভয়তে স্তম্ভিত আত্মাৰ মন
নাহিবা এতিয়া নাই ঠিকনা।।
কাকনো কম কেনেকৈনো কম
মই আজলি অমানিশা।
লাজতে ভয়তে উচ্ছেদ হ'বহি
সৰল মনটো অমানিশা।।
কিয়নো দিয়াহি ইমান বেদনাৰ
উদৰ বিষ অকল্পনীয়।
নাহিবা এনেকৈ স্কুলৰ ক্লাছত
মই ছাত্ৰী স্কুলীয়া।।
মনত পৰে আজি তুমি অহা
প্ৰথম দিনৰ কথা।
নাহিবা বাহিৰত আইতাৰ আদেশ
ভিতৰৰ কোঠাটোতে পতা কথা।।
কিনো হৈছে কিয়নো ম'লে
অকলশৰে মই গোটে অমানিশা।
কিমান কান্দিলো প্ৰথম নিশাত
তোমাৰ বাবে গোটে অমানিশা।।
তোমাৰ সময়সীমা ঋতুচক্ৰ মাহেকীয়া
নাহিলেও সমাজৰ লাঞ্চনা।
কিমান যে আৰু সহিম কেষ যন্ত্ৰণা
উদৰ বিষত গোটেই অমানিশা।।

□□□



## পুৱতিৰ হাঁহি

মানস কলিতা
তৃতীয় ষান্মাসিক

সুকোমল ৰ'দালিৰ সজল পুৱতি
উপমা পোহৰৰ দুচকুত পৰেহি,
ধিমিকি ধিমিকি এন্ধাৰৰ চাকিটি
আলোকিত হয় চমকি চমকি?

এঙামুৰি চকুহালিৰ পৰকিয়াই উঠি
দেখিলো বেলিটিৰ হেঙুলীয়া হাঁহি,
শালিকিটিয়ে কান্দিছে চোতালতে পৰি
পাৰযোৰি কান্দিছে মধূচত উঠি।
দীঘলকৈ পদুলিটিৰ কাষৰে দুৱৰি
নিয়ৰত তিতিলে আঘোনৰ ৰাতি,
নিতালে নিমাতে শেৱালিডাল ফুলিছিল
সৌৰভিত সুগন্ধি প্ৰভাতিৰ হাঁহিত।

□□□

# সপোনৰ শেষ ৰাতি

ৰিম্পা আহমেদা
তৃতীয় ষাণ্মাসিক

মোৰ জীৱনৰ শেষ ৰাতি
তুমি আহিবানে দুহাত মেলি
আৰু মোক কোলাত ল'বাহি তুলি
জীৱন গাথাঁ এই প্ৰতিমাস্বৰূপ
অশ্ৰুভৰা মোৰ জিঘাংসা চেহেৰা
আৰু নাহো মই ঘূৰি দুনাই,
চাম বুলি মই তোমাক উভতি।
অশ্ৰু ৰাগৰ হাহাকাৰ মই নুশুনো
নালাগে মোক তোমাৰ সুখৰ সংজ্ঞাটি
আজি মোৰ জীৱনৰ শেষ ৰাতি
তুমি আহিবানে দুহাত মেলি,
নোৱাৰিলো আনিব মই তোমাৰ মুখৰ হাঁহিটি।
সেমেকি উঠিল সেউজ পৰিৱেশটি,
হাতীপটিয়া কদম পাতত বহি
আকৌ চাই চাই প্ৰেমত পৰিলো মই প্ৰকৃতিৰ
আকৌ যামগৈ কিজানি পখিলা বিচাৰি।
কিজানি বিচাৰি পাওঁ এবাৰ তোমাৰ মুখৰ হাঁহিটি
এঁকা-বেঁকা তোমাৰ লেহেমীয়া চুলিৰ ভাজে
ধুৱাই পেলালে মোৰ নয়নজুৰি চকুপানীৰে।
আকৌ আহিম মই তোমাৰ কাষত
দিবাহি ঠাই মোক তোমাৰ বুকুৰ মাজত
যাওঁগৈ আজি মই ইনাই-বিনাই
আহিম কিজানি মই ঘনাই ঘনাই।।

□□□



# এঘৰীয়া

ইমদাদুল আলী
প্ৰথম ষাণ্মাসিক

গধূলিৰ খৰিকাজাঁই চিঙি তুলি এই বাটে কিয় পোনালা
বানে সাবটা পদূলিৰ নঙলা গছকি এই অভাগীৰ পঁজাহে পালা?
এন্ধাৰ হৈ অহা আকাশৰ তলৰ টিমিকি বুলি উঠা চাকিগছি
আৰু তাৰ চৌপাশে বিয়পি পৰা পোৰা তেলৰ সুগন্ধি!
এয়াইতো মোৰ সংগী!

পিছে... তুমি এই গাঁৱৰ নে সেই গাঁৱৰ?
যাহওঁক,
নিচিনিলেও যে সন্ধিয়াৰ অতিথি।
একেলগে ভাঁহি অহা নামাজ আৰু ডবাৰ শব্দত
তুমি দুহাত যোৰাৰ আগতেই মই পিৰালিৰ পীৰাখন
আগবঢ়াই দিছিলে।
হয়তো কিছু উৎসুক হৈ পৰিছোময়ো; কি সকাম হ'ব পাৰে।
এই পদূলিতচোন সেই অধমৰ খোজ নপৰাৰ বছৰ বাগৰিল।
তোমাৰ বাৰু মোক দেখাত অসুবিধা হৈছে নেকি?
চাকিটি এহাতেৰে তুলি ধৰিলো।
জায়নামাজখন যে তেতিয়াও মোৰ সিহাতত আছিল।

□□□





# আজিও ৰাতিটো উজাগৰেই পাৰ হ'ল

ডিম্পী বৰ্মন
পঞ্চম ষাণ্মাসিক

আজিও ৰাতিটো উজাগৰেই পাৰ হ'ল
বাস্তৱিক যন্ত্ৰণাকাতৰ জীৱনটোৱে
ভৱিষ্যতৰ স্বপ্নবোৰক দুচকুৰ পানীৰে
উটুৱাই লৈ গ'ল
ভৱিষ্যতে নিজৰ ভৱিত থিয় দিবৰ বাবে
হাতত তুলি লোৱা শিক্ষাৰ লাঠিডাল
অৰ্থৰ অভাৱৰ ভৰতেই ভাঙি গ'ল।
আজিও ৰাতিটো উজাগৰেই পাৰ হ'ল।
সফলতাৰ আকাশখনত মুকলি কৈ
উৰিম বুলি ভবা সপোনৰ চৰাইজাকৰ
অৰ্থহীনতাৰ ধুমুহাই প্ৰাণ কাঢ়ি লৈ গ'ল।
বিচনাত বাগৰি বাগৰি ভবা কথাবোৰ
ৰাতিপুৱা লিখোতে এটি কবিতাই হ'ল।
আজিও ৰাতিটো উজাগৰেই পাৰ হ'ল।

□□□





# নদী

হাজিমা বেগম
প্ৰথম ষাণ্মাসিক

নৈ বৈ যায়
লৈ যায় গাভৰু প্ৰেমৰ সুবাস
আৰু গৰখীয়া গীতৰ কলিবোৰ
নৈখনে কৈ যায়
জীপাল কৰা পথাৰখনৰ কথা
নৈপৰীয়া সাধুৰ সঁফুৰা।
নৈয়ে সপোন ৰচে
এঁকা-বেঁকা বাটেৰে
সময়ৰ প্ৰতিটো খোজত
এনেকৈয়ে নৈ বৈ যায়
ৰুদ্ধহীন গতিৰে
মিলি যায় নীলিম সাগৰত।

□□□

# ফাগুন

প্ৰতিভা দাস
তৃতীয় ষান্মাসিক

কৰ এচাটি চঞ্চলা বতাহে
উৰুৱাই নিলেহি আইৰ আঁচল
পথাৰ ফালি দৌৰিছে
এজাক উদণ্ডীয়া গৰু
সৃষ্টিৰ আদিম বন্যাত।।
আকাশত জুই ফুলিছে
ৰঙা-ৰঙা, হালধীয়া, কুহুমবুলীয়া
সৰাপাতে জুনুকা বায়।
থম থম কৈ বহি আছে ধ্যানমগ্ন ঋষি
ফাগুনৰ লঠঙা গছ
বুকুত সেউজীয়া সপোন
হুৰ হুৰ হুৰ সেয়া
বৰদৈচিলা অহাৰ শব্দ
এই বাটেই আহিব বসন্ত, আহিব বহাগ
ৰং ছটিয়াই
নৈৰ কাণেদি বাগৰিছে
জীয়া ঐনিতম এটি
কহুঁৱা কোমল।।

□□□



# বৰষুণ আৰু কৃষক

আচখাহাৰা বেগম
প্ৰথম ষান্মাসিক

জিৰজিৰকৈ মাতা তুমি
টোপ টোপকৈ সৰা
সৰি সৰি তুমি দেখোন
পথাৰ ভৰি পৰে।
ৰাতি তোমাৰ মেঘৰ গৰ্জন
পিছে বৰষুণ
তোমাৰ পানী পোৱাৰ বাবে
কৃষকৰ মন আনন্দে নধৰেইচোন
পুৱা দোকমোকালি উঠি
কান্ধত নাঙল, মূৰত জাপি আৰু
গৰু হাল লৈ ওলাই গ'ল
পানীৰ মাজেৰে ভৰিৰ খোজত
একো নুশুনা হ'ল।
বৰষুণতেই হাল মাৰিছে
তাতেই কৰিছে জলপান
মেঘৰ গৰ্জনকো কৃষকে
কৰিছে আওঁকাণ।
পিছলৈ গ'ল কঠিয়াতলিত
কঠিয়া তুলিবলৈ
পিছলৈ আকৌ ৰোঁৱনিক মাতিলে
পথাৰলৈ যাবলৈ
এনেকৈয়ে হৈ থাকিব কৃষকৰ কাম
ইতিহাসৰ পাতত উঠি থাকিব
অসমৰ কৃষকৰ নাম।

□□□





# নিঃসংগতা

গোবিন্দ ওৰাং
দ্বিতীয় ষান্মাসিক

নিঃসংগতাৰ সাগৰ সাতুৰি
দুখৰ সমাধিত বহি লৈ আছো মই
সুখৰ কিৰণ বিচাৰি,
বিষাদৰ চকুৰ পানীৰে উপচি পৰা মোৰ
জীৱনৰ আধা লিখা কবিতা।
ভগ্ন হৃদয়ত মোৰ নগ্নতাৰ ছবি
অক্টোপাছৰ দৰে মেৰিয়াই ধৰা
মোৰ যন্ত্ৰণাৰ শৰীৰ,
তথাপিতো
জীয়াই থকাৰ অসীম হেপাহ
বুকুত আমাৰ কঠিয়া সিঁচি ৰৈ আছো
সেউজীয়াৰ আশাত,
নাজানো কেতিয়াকৈ বসন্ত নামিব
মোৰ জীৱনত
ফুলিব জানো ফুল নাহৰ-তগৰ-কেতেকী লতা
বাজিব জানো হৃদয়ত অজান বাঁহীৰ সুৰ
কাৰণ মই যে নিঃসংগ।।

□□□





# আহঃ ৰোহিংগ্যা

নিকিতা নাথ
প্ৰথম ষান্মাসিক

হাজাৰজন দেউতাৰ আশাবোৰ
থিতাপি লৈছেহি মোৰ কলিজাত,
সপোনবোৰে কিলবিলাই ফুৰিছে
মোৰ প্ৰতিডাল সিৰাত।
তেওঁলোকৰ ফটা গোৰোহাত জমা হোৱা ধূলিবোৰ
মোৰ উশাহেদি উজাই
ভিৰ কৰিছে মগজুত।
আৰু ফটা-ছিটা কাপোৰ পিন্ধা
শীৰ্ণকায় শৰীৰৰ মাতৃবোৰ
যাৰ তলপেটত আশ্ৰয় লৈ আছে
ভৱিষ্যৎ বংশধৰে।
এনে লাগিছে যেন তাত পালিত হৈছে
বিশাল ধনৰ হিচাপ...
আৰু কণ কণ শিশুবোৰ
যাৰ জিভাৰ আগত বিজলুৱা বমিৰ দৰে
ভোকটো উজাই আহি ৰৈ আছে সৰ্বক্ষণ...
আহঃ নক'বা আৰু মোক নক'বা
দুৰ্ভগীয়া ৰোহিংগ্যাসকলৰ কথা
তেওঁলোকৰ কথা শুনি মই পাহৰি যাওঁ
'মই পৃথিৱীৰ জীৱশ্ৰেষ্ঠ মানুহ।'

□□□

# শেৰালি

মিছ জেনিফা জেচমিন
পঞ্চম ষান্মাসিক

ৰাতিপুৱা সূৰ্যৰ ৰঙা কিৰণত
নিয়ৰে ভৰা আলিবাটেৰে
খোজ কাঢ়ি গৈ
শেৰালি তোমাৰ কাষত বহি
জনালো তোমাক মোৰ দুখ-বেদনা
তুমি যেন বুকুত সাৱটি ল'লা
উপচাই দিলা মোক তোমাৰ সুগন্ধি
মন যেন মোৰ বিয়াকুল হৈ পৰিল
চৌপাশে ভৰি পৰিল তোমাৰ সুগন্ধি
মোৰ বেদনা যেন
ল'লা তুমি সাবটি
কৰিলা তুমি আনন্দৰে,
মোৰ ভৰপূৰ হিয়াখনি।
নিয়ৰৰ টোপালৰ স'তে যেন সৰি পৰিল
তোমাৰ ঠুনুকা-ঠুনুকা ফুলবোৰ,
আহি পৰিল মুখত হাঁহি
বুটলি-বুটলি তোমাৰ স'তে
কথা-পাতি,
ল'লা যেন মোৰ আচলত তুলি
শেষত তুমি
উভতাই দিলা যেন,
জীৱনৰ এখন ৰঙীন ছবি
য'ত মই আগুৱাই আহিলো,
নতুন জীৱনৰ পথ বিচাৰি।

□□□

# চুটি পদ্য

বিশ্বজিৎ কলিতা
তৃতীয় ষান্মাসিক

ৰমনৰ হাতত
নাই হেনো কলম
কলম বিচাৰোতে হ'ল
স্কুল অহা পলম

□□□



# চুটি পদ্য

চাহিল আহমেদ
তৃতীয় ষান্মাসিক

ওখকৈ ল'ৰাটো
নাম তাৰ ধন
পঢ়াৰ প্ৰতি তাৰ
নাই অকণো মন।

□□□





# উৰুকা

লৰজ্যোতি দাস
পঞ্চম ষান্মাসিক



কামিহাঁড়ৰ জেউৰা ভাঙি
লৈ যায় তাই
মোৰ উষ্মা পৰা বাইজাত কলিজা।
আৰু সেকে তাইৰ সেঙেটা শৰীৰ
ওৰেটো ৰাতি।
মই জ্বলি জ্বলি মাজে মাজে ফাটি
তাইৰ চাদৰত পৰো
তাইৰ অওঁঠাবোৰ আঁতৰাই মোলৈ চাপি আহে।।

মই ঠেহ পাতি সেমেকি ৰ'লে
তাই উজাই আহে মোৰ পিনে।
শুষ্ক ওঁঠৰ ফ্লেমিংগো বতাহ
মোৰ গাত ঢালি দিলেই, মই আকৌ উষ্ণ হৈ পৰো।

শীতৰ ৰাতিবোৰ দীঘলীয়া, ঠিক যন্ত্ৰণাৰ দৰে.
তাইৰ চকুত কুহুমীয়া টোপনি এজাক
আৰু ওঁঠত সাৰ পোৱা গন্ধৰ্ব সুবাস
ময়ো শুই গলোঁ তাইৰ উম লৈ।

সাৰ পাই দেখিলো
মোৰ উস্মা বিচাৰি ফুৰা, তাইৰ
সেঙেটা শৰীৰটো ইতিমধ্যে উচৰ্গা কৰিছিল
একুৰা তেজাল ফিৰিঙতিক।

□□□



# কথা

অঞ্জলী ভট্টাচাৰ্য্য
তৃতীয় ষান্মাসিক

সাধু কথা-কথা আর কথা
কথাতেই বসবাস,
কথাতেই বেঁচে থাকা,
কথাতেই সর্বনাশ।
কথা নিয়ে খেলা করা,
কথা দেওয়া, কথা নেওয়া
কথা বিক্রী, কথা কেনা,
কথাতেই সব পাওয়া।
কথা দিয়ে কত যুদ্ধ,
যত অশান্তি কথাতেই,
শান্তি ও সুখ আনে
কথা ভালবাসাতেই।
কথা দিয়ে দিন শুরু,
কথা শেষে ঘুম আবেশ।
কথা ছাড়া মা বাঁচা
কথা ছাড়া সব শেষ।

□□□

# বিমূৰ্ত উশাহৰ আশা

জোনাক কাশ্যপ কলিতা
পঞ্চম ষান্মাসিক

দুৰ্বাৰ কাৰেঙৰ কোঠালিত অংকিত হয়
শীতল এখন সমাজৰ সমুলঞ্চে ধ্বংসৰ প্ৰতিৰূপ।
মস্তিস্কৰ সুউচ্চ শিখৰত প্ৰতিভাত কুৰূপী স্বাৰ্থই বিকলংগিত কৰে সেই সমাজৰ
চিৰন্তন চৰিত্ৰৰ সৰ্বোচ্চতা।
এটি উশাহ অগনি হৈ ওলাই আহে,
কোনো প্ৰহৰৰ  একাংশ অনুপলে কঢ়িয়াই নিয়ে,
তাৰ  শৰীৰত ওলমি অহা যাতনাৰ বোজা।
যি যাতনাত অনুৰণিত হয়
তেজৰ সৈতে কৰা তেজৰ বিভাজনৰ শবদ,
যি যাতনাত প্ৰতিধ্বনিত হয়,
ব্ৰহ্মাৰ এটি বিন্দুৰ মাটিত কাৰ ক'লৈ সীমাবদ্ধতাৰ
শত সহস্ৰ যুঁজ, শত সহস্ৰাধিক তেজৰ আকৰ।
যি যুঁজৰ আমৰলি ফালি উজাৰি অহা এসোতা জুয়ে
বিগলাই জ্বলাই নিয়ে,
যত শত সেন্দুৰৰ ৰাঙলী এজাক আশাৰ  সঁফুৰা।
অলেখ অজস্ৰ পিতৃ-মাতৃৰ হিয়া মোহাৰি
কোনোমতে চকুৰ মণি ফালি বৈ অহা অশ্ৰু এটোপ,
অযুত সন্তানৰ আকাংক্ষাৰ জ্বলন্ত এখনি  উষ্ম চিতা।
উশাহটো ভাগৰি পৰে, সমাজৰ অফুৰন্ত যাতনাৰ
ছহেজাৰ কিৰিলিয়ে হত্যা কৰে তাৰ বিপ্লৱী চেতনাৰ উৰ্বৰ উমান।
নিৰ্যাতিত কৰে তাৰ সত্য প্ৰজ্বলিত দুচকুৰ নিৰ্ভীক পোহৰৰ অভিমান।
উশাহটো ঠিয় হ'ব এদিন,
অসূয়তাৰ সমস্ত কু-চেতনা ওফৰাই,
ওভতাই আনিব সি বিপ্লৱৰ পৌৰাণিক চৰিত্ৰ,
বিশ্বই পাহৰা সংগ্ৰাম আৰু বিপ্লৱে পুনৰ ফিৰাই আনিব তেতিয়া,
নতুন যুগৰ নতুন চিন্তনত
বিমূৰ্ত হোৱা সেই উশাহৰ সৌস্তৱতা, সেই উশাহৰ সমুজ্বল চৰিত্ৰ।
আৰু তেতিয়াই বোকাৰ বুকু ফালি
পৃথিৱীৰ বুকুত ফুলিব এপাহ পূৰ্ণাংগ পদুম।







# আমি নারী

আশা কৰ্মকার
প্রথম ষান্মাসিক

আমি সৃষ্টি আমি বিনাশ
শুরু আমি শেষ আমি;
আমি জননী আমি জয়ী,
আমি আশা।
আমি সামান্য আমি দশভুজা
পিতার ঘরে আমি লক্ষ্মী।।
স্বামীর ঘরে আমি অন্নপূর্ণা,
ধ্বংসে আমি কালী;
সৃষ্টিতে আমি পার্বতী

আমি ছাড়া এ জগৎ সংসাৰ
সবেইতো হবে অচল
জগতের আলো আমি জগশ্বর
আমি নারী।
পৃথিবীকে আমি পরিপূর্ণ করে তুলি।।

□□□





# বসন্তবরণ

অঞ্জলী ভট্টাচাৰ্যী
পঞ্চম ষান্মাসিক

পলাশ শিমুল জোড় বেধেছে
ফাগুন এলো ধরায়,
বউ কথা কওঁ গান ধরেছে,
করছে সুরের বড়াই।
হলুদ হিমুর বেশ ছেলেদের
নীলের রূপা নয়
রঙ বেরঙের বেশ রমনীর
ফুলও শোভা পায়।
শাড়ি সাজে বাঙালিয়ানা
পাঞ্জাবিতেও তাই,
ফাগুন মানেই প্রেমেৰ যুগল
দারুন লাগে ভাই।
সাঁঝের বেলায় কবিতা চলে
গানের আসর রাতে,
ছেলেবুড়ো সবাই যেন
আনন্দতে মাতে!
উৎসব যেন গ্রাম নগরে
তবুও কোথায় যেন ছেদ,
শূন্য শীতের বিদায় বেলায়
মন খারাপের জেদ।

□□□

# उदांस्रि आंनि हादोर

धोरोमसा सर्गीयारि
एम.ए. दैथि सेमिस्टार

मोनथाम गाबनि फिरफिलाखौ बिखा फोर्दाननानै बिरहोंदों।
आंनि हादोरा उदांस्रि मोननायनि थाखाय,
जन'-गण'-मन' खर दैखांनानै खननो हादों!
आंनि हादोरा उदांस्रि मोननायनि थाखाय।

ब्रिटिस कलनियेल निफ्राय उदां जानायआ एसबां गोरलै नङमोन,
दाउ खौऔनि गारांआव ब्रिटिस आ खाराखैमोन!
बिर जोहोलाव नेताजी सुभाष चंद्र बसनि होसिखावनाय
नों आंनो थैहो आं नोंनो उदांस्रि होगोन।

जिउखौ आखाइ मुथिआव लानानै उदांस्रिनि मेथाइ खनदोंमोन,
आदालत आव बारूद बेफ्रुहोना होसिखावदोंमोन
इंकलाब जिंदाबाद!
इंकलाब जिंदाबाद!
बिर जोहोलाव सहीत-ए-आजम भगतसिंह।

बिखुंआव गथ'बाना, आखाइआव थुंग्रि दैना, गराइ दाब्रायना,
गुफुरसाफोरजों नारा-नाथा दावहानांदोंमोन
बेनो जों भारत हादोरनि बिर जोहोलावजो झांसीनि रानिमोन।

हादोर अनफावरि जोहोलाव-जोहोलावजोफोरा गुफुरसानि हेंथायै जुजिदों
हादोरनि थाखाय गावनि जिउखौ बाउनानै मुंख्लं जालांदों।

बापुजिनि छोड़ों छोड़ों देश हमारा, सत्य आरो आहिंसानि मोन्थोरआव
गुफुरसाफोरा भारतनागारना थांनायाव,
सारा भारतआव मोनथाम गाबनि फिरफिला बिरबाय,
मुलुगआव सान्थिनि बारा बारलांबाय जोंनि हिन्दुसतानिफ्राय
जों मोनबाय उदांस्रि, बिर उदांस्रि दावहारूनिफ्राय
जों मोनबाय उदांस्रि, बिर उदांस्रि दावहारूनिफ्राय।

□□□





# दुब्रि हाग्रा

करिश्मा खाखलारी

महरा नोंनि
राइदों दों सेरे रे।
खानाइआ नोंनि
आइलि जाइलि जाइब्रें ब्रें।
नुनायाव उन्दै, नायबोला
गोहोआव मैदेरजों समान।
एसेबां धर्ज्य, बहानि नो जाइब्रें आगै,
फागुननि जावलिया बारा
हायासै नोंखौ बुफुलांनो।
सान्दुं अखा जुजिथाब जुजिथाब,
आरोबाव नों गोख्रों जाबोदोंसो।
सोरजोंबा गादब जाना दुलु दुलु जालांबाय
आब्रा सान्दुंनि बिंदुंजों खामसाबलांबाय।
बेरे फुंजानि थरथिंसे निहोरानो
नोंनि देहायाव गोहोनि अर सुना होयो।
जेसेखि दुखु खस्थ फैआमानो नांथाबनानै
बुहुमनि गोजोन मोन्दांथिखौ लाननै,
खुथिया महरनि दुब्रि हाग्राया थांनानै थानो हादोंब्ला
जों सुबुं माहारिया मानो हाया।
नंखाय सानफा जिउनि जेंनाखौ लानानै
मानो बोराबखो, मेंनाय मोनखो।
साननो हानाय गोहोखौ लानानै
अबथिरा गावनि मिजिंखौ फोजोबस्रांनानै,
जिउ फोजोंबलांनाय सानसिखौ मानो जायगा होखो।

□□□

# सोहोरनि मोनजायि नों

सुसील बसुमतारी
एम.ए. दैथि सेमिस्टार

फुस माग दाननि हरनि गोजांनायाव
खबसेबो ओंखाम मोनजायै देहाया
मावग्लुंसिनदों थोर थोर।
मोदोमाव गैया गोजांगाहोनो
खमबल, लेब, गुदुं जि
दं खालि गावनि सोलेरखौ होथेनो आनथा गिजि गब्लं।
थनथ्रबायना उन्दुना थादों सोरनिबा दखान खामसालिआव
थोर थोर मावग्लुंनाय देहाखौ
गुदुं मोनहोनो
सोरनिबा गारनाय गिजि गब्लं जि
गारनानै दोननाय फ्लासथिख, बस्था
बुथुमबायना जोमबायना लादों हनै।
सानजालिया बिसोर मानसि महरै
सुबुंनि नोजोरानो
बिसोरखि मानसि नङा?
सेरजोंनो नायख्लें नायख्लें एराय लाडो
गैया रावबो खबसे ओंखाम जासिग्रा।
उखैहाबनाय उदैखौ उखैगा होनो
नागिरबायदों दासबिन दासबिन
मोनोबोला सोरनिबा गारनानै दोननाय जाखोन्दा
सोबायदों मगा-गिग उखैगा होनो
सोरनिबा गारनाय गेसाव गोफोनानो
जाबायदों बिसोरनि स'ना बादि।
गैलिया नामा बिसोरहा आंगो होननाय?
दंमालाय सोरथो गावनि होन्ना लाबावनो
गारजानाय दाखोरफोर बायदिसो
गारहर जाबाय दाखोर बारिआव बिसोर।

□□□

# बै जोंथि सोरां

**बिदिन्था ब्रह्म**
एम.ए. दैथि सेमिस्टार

जोनोमनि उनाव आंनि जारिमिन
नुनो मोनो गावनि उदां जिउ
मालायनि जिउआव नुनो मोनबाय जुदा
थांना थानायानो राहायाव मोनसे मुखुब।

आंनि लाइमोन बैसोआ जावरिखाडे
मानोबा सोंथि सिखाडे
दिनै आंनि सिनायथिया मा
आरो आंनि खामानिया मा??

दायोसे सुबुंनि मोखाडाव दागो
सिनाय मोनो गावनि गुबुनारि
आँनि सायाव गासिन्नाय बिसोरनि लिरथाया
खैफोदनि लामा बिसोरनो आंनो लाबोयो॥

गादबजायनि गेजेरजों सोमजिखाडे गोदान सानस्रि
जोबजानाय फानजारियाव उखैहाबनाय आंनि सोलेर
खोमसि सिडाव थानांनानै सहायथावै आंनि गोसो
दावबायनो लुबैयो बै जोंथि सोरांनि उन-उन॥

❑❑❑

# हांसो सिलारि

**दैमु कसारी**
एम.ए. दैथि सेमिस्टार

बै नुदुरसहायै
लैथोनि रुगुंआव
साखाथिनि जेरैबो निजोम,
नोंनि रादाय नेनानै
दङ आं दाबो
नों फैगोन लामाजों
सिरियै गा संनानै।
मासे हांसो सिलारिनि
गोरबो नि दाहाखौ बुजिसहायिबादि
आंनि गोरबो बिखायाव
अराय नोंनि दाहा,
हाया आं नोंखौ बावनो
नोंनि होनाय बै रादायखौ
लैथो गेजेरनि दोहौ फाखनजों
बुसुमलांनो हां द्रानाखै
जेब्लाबो नोंनि अननायखौ
नेनानै दं आं बे लैथो रुगुंआव।
दाखालामनों आंखौ
बिरथिंबायनाय हांसो सिलारिबादि
जिउआव आनि-थानि।

❑❑❑





# उदांस्त्रि

**रंगिना दैमारी**
एम.ए. दैथि सेमिस्टार

गोरिब फोलेरनि सासे जोहोलाव आँ
रावनिबो गेजेन नङा,
सोरनिबा दुथां आखलनि पण्डितनि सोलोयाव
फेजेनजाया आं नंखाय नाजानायाव
थेवब्लाबो सोनाब खनानिफ्राय
सुदेम मौसुमि बार बारबोनायानाव
आंनि खाफालाव लिरनानै होदोंमोन
नोंनि जिउ दावहाया थुंगेनोसै।
जाखां फैबाय थायो नोंनि महरा
गोसोयाव आंनि मानो बेरखांफैयो।
नोंनि मुङै इसोरनो थै दान होनानै
गावनो बावसोमनानै थैगोन आं
नोंखौ जिउयै माहामै हास्थायगोन
जेब्ला नों आंनि उदांस्त्रि महरै गनायजागोन।

❑❑❑

# नोंनिनो

**लैथोमा सर्गीयारि**
एम.ए. दैथि सेमिस्टार

नोंनो गिबि
नोंनो जोबथा
नोंनो गासैबो।
नोंनि सोरजिनाया
नोंनि रनसायनाया
गासैबो मायाजुबसो नोंनिनो।
हनै मिनिदों, हनै गाबदों, हनै नांज्लायदों
बेबो नोंनि सोरजिलु मायासो।
सानसहायै मुलुग बिखायाव
अनजिमा गैयै सुबुंनि गोसो सानखांथियाव
रुगुं नुहुर सयै बै हरै मारुआव
सोनाबनि अननायनि बारहुंखा बारनानै
आजोला गोसोखौ सिम्ब्रेना गालांनाय
बेबो नोंनिनो मायाजुब।
हे! गसाइ
बेसेबां गेलेबावनो नों
दान्दिसे जिउ सोरजिनानै जेराव नों
गोदो गोदो मायानि निन आव
उन्दुनानै थायो।
बावगोमा लाडोनों जों सुबुंखौ गसाय।

❑❑❑

# सोर नों

बिर'द बर'

दाउब' बाथ्रिनाय हर गेजेराव
आंनि खोमायाव खोनाहैदोंमोन
नोंनि आथिंनि आगाननि सोदोब
आंनि उन्दुनाय खथानि लांगोनाजों थाबाय लांनाय।

नागिरहैदोंमोन आं नोंखौ दैसा बारना
अरनबारियाव मोज्लेर जोंनाय सोरांजों
लोगो मोनहैयासै आं नोंनि जिउमाखौ
मोन्दोंमोन आं नोंनि थाबायलांनाय आगान।

अरनबारियाव आं आन्दायबायनायखौबो
नोंनो लामा दिन्थिहरदोंमोन आंनो सिरियै
नायफिनदोंमोन आं गिदिंना नोंनि नुमोनै महरखौ
सोर नों? आंनि उन्दुनाय गोसोखौ फोजाफैग्राया।

□□□

# बिमानि रावखौ गोबानानै

जसना सर्गीयारि
एम.ए. दैथि सेमिस्टार

आंनि बर' बिमानि आंगो राव
गोरबोजों बजबनानै
गोसोजों मोजां मोनहाबनानै आं आंखौ
मुलुगाव सिनायथि होनो गोबां
मिजिं दं।

गेदेमाफोरनि ओंथि गोनां
बेसेन गोसा बिबुंथि
बिमानि गोथार गोसोजों होनाय बोसोन
बिखायाव लानानै
सुजुयो अराय आं
मिजिंखौ फोथांनो।

बिमानि रावखौ फोथांनानै लाखिनो
गोसोखौ दाद खालामनानै
मुलुगाव सिनायथि होनायजों लोगोसे
बै सान्थ्रहायै गोसोनि मिजिंखौ
मोगथाङाव महर होनो आं
अराय बिमानि रावखौ
गोबानानै फोथांनो नाजायो।

□□□





# Netaji...

Ritu Maya Pradhan
3rd Semester

When the Indians were gearing for freedom,
There came a warmer in the nation.
Subash Chandra Bose, the Betaji
Aspired to set the nation free.

A Young blooded patriot,
Strived for the slavery to cease.
He selflessly thought for the nation,
To win freedom and reward harmony.

The fighter of the mother land,
He restrained English to strand,
Gave up his life for the country
Just for the country to be free.

The courageous son of mother India,
Confronted the masses to fight,
He built his own army,
To chase out the English his enemy.

The sacrifier the courageous son
Is still remembered by the every Indian
He violated the English rule,
And added the patriotic fuel.

He bid the country goodbye
Flying high into the sky
Then his army
Did the job for the country

□□□

# Yooth

Rahul Arania
5th Semester

Youth is a wonderful ally.
So active, so vibrant, so bright,
So tireless in its doing.
As it feels both the day and night.

The minds of the young are open
They learn without bias or fear
The knowledge preserved by their fathers.
whether taught from afar or near

Fear is not the part of their being
The chances they take are renown
Excitement and dangers thrill them
A challenge cannot keep them down.

Youthful ideals can be trammeled
By those with a bent to destroy
Some deceitfully use the youth
To, their evil intents, employ

We must carefully guide the youth
Instruction must be well conceived
Lead them with noble example
And pray that our words are believed.

The world will, indeed, be better
If our youth, with training and care
Perceive the task that they shoulder
And serve without pause or despair.

□□□

## Overmorrow

**Rittika Lahkar**
P.G. 3rd Semester

The way I see the world,
A lucial scene of tainted sorrow.
The teardrops clouding the Visions
Of Over morrow.
Mankind being the trader of tomorrow
Losing the opulence that it borrow.
No boundary divide the loss and gain.
No eyes can see the veild pain,
No smile can hide the gloom,
No I lowers in the barren field well bloom.
Because I see a scene of tainted sorrow.
Greed clouding the visions of overmorrow.

❑❑❑



## Weeping Mother

**Pooja Kumari Ray**
3rd Semester

I was once called mother earth
But now, bereft of mirth
I weep
That treeless orb's no longer earth.
My waters are crying, because it no longer clear
My trees are dying because its no longer green
My blue sky is in pain because its no longer seal
My stars are no longer bright
Its dimmed, obscured and lost it's sight
Crystal clear my waters gleamed,
Fish abundant, rives streamed
Birds chirping from sites unseen
Water, sky, wildlife all are in one tram.
With dying trees and animals, I am in sorrow.
Make me green today and be happy tomorrow.
Temperature is sising
Air is polluting
Snow is melting, one day it will sink
How you will live? Just think
Trees are precious preserve it,
Water is treasure reserve it
Oxygen was free once upon a time.
Don't make it future let it be just a line

❑❑❑





## Glorious Past

**Nishita Sarma**
B. A. 3rd Semester
English Dept.

Once I thought of writing
A poem
About my race and forefathers
Who converted my race
In to a community.
As I looked at the post
I saw my forefathers
Who created glorious history.
Vana, Bhagadatta, Narakasura
Mulagavaru, Sadhini, Joymoti
Pieces of priceless jewels.
Lachit, Chilarai, Bhaskar Varma
Sankar, Madhab, Damodar
Sources of enthusiasm,
Sources of inspiration
Their bravery, valour and
Their sacrifice.
The tradition compells me
To shut my eyes.
And
I wrote upto that step,
Nut not further,
I had to stop my pen.
What to write
About the morbid present?

❑❑❑



## Happiness

**Kritika Rajbangsi**
3rd Semester

It is such a joy
To feel really happy
Your heart sings
Your feet dance
Your mind
Sways in the wind.
The world is light
You float on a freeze.
The world moves
To the rhythm of your joy
Every note is sung
With the voice of contentment

❑❑❑

# WINGS

**Alife Sabmam**
1st sem

For how long would you,
Keep yourself locked,
In this dome.
Look at the blue, blue, blue sky,
Its calling you.
I know you're afraid;
And its hard for you,
But you know its true.
The sky is fascinating you;
Just take your wings and fly,
To the heights you want to.
No-one can drag you back,
It you wan't let them to.
Its all about the courage,
Hidden inside you.
Let yourself be free,
From all the barriers holding you.
You can feel the wind,
Teasing your wings.
The sky is fascinating you;
Just take your wings and fly,
To the heights you want to.
Challenges are the keys,
That'll take you to your detesting.
Don't think you can't do it,
You'r s a fighter indeed.
Embrace every thing,
Coming your way,
No matter good or bad,
Just say 'Welcome! I'm ready for it'.
The sky is fascinating you;
Just take your wings and fly,
To the heights you want to.



□□□



## ৰঙিয়া সাহিত্য আলোচনী সভা শিতান (অন্যান্য)

থোৰতে ক'বলৈ হ'লে মুক্তিযোদ্ধা বিপ্লৱী বীৰ কামিনী মোহন শৰ্মাদেৱৰ দ্বাৰা প্ৰতিস্থিত (১৯৩৬) তৰুণ সংঘটো পৰৱৰ্তী সময়ত আলোচনী ক্লাৱলৈ ৰূপান্তৰ হৈছিল, স্বাধীনতা আন্দোলনৰ সময়ত ক্লাৱটো বন্ধ হৈ গৈছিল, বন্ধ হোৱা ক্লাৱটো অসম সাহিত্য সভাৰ সভাপতি তদানীন্তন এছ ডি ছি অতুল চন্দ্ৰ বৰুৱাদেৱে ১৯৫৩ চনত ৰঙিয়া আলোচনী সভালৈ ৰূপান্তৰ কৰি সাহিত্য সংস্কৃতিৰ এটি অনুষ্ঠান ৰূপে গঢ় দিছিল। আলোচনী সভাৰ দ্বাৰা প্ৰকাশিত প্ৰথম আলোচনীখনৰ নাম হৈছে 'অতীত আৰু বৰ্তমান'।



# সভানেত্ৰীৰ প্ৰতিবেদন

"নতুনৰ গতি খেদা ডেকা-গাভৰু আমি
নিৰ্ভীক কুৰি শতিকাৰ
জীৱনৰ চাকনৈয়া এফলীয়া কৰি থৈ মাৰি যাওঁ জীৱনৰ ডাৱ..."

—ড° ভূপেন হাজৰিকা

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল মহান আত্মাৰ প্ৰতি অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জনাইছোঁ যিসকল মহান আত্মাৰ অশেষ ত্যাগ, কষ্ট আৰু আশাসুধীয়া প্ৰচেষ্টাৰ ফলত আমাৰ প্ৰাণৰ মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিছিল।

জয় জয়তে ৰঙিয়া মহাবিদ্যালয়সমূহ শিক্ষাগুৰু মণ্ডলীলৈ মোৰ ভক্তিভৰা প্ৰণিপাত জনোৱাৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ বয়সানুসাৰে মোৰ শ্ৰদ্ধা আৰু স্নেহাশীষ জনাইছোঁ।

ৰঙিয়া মহাবিদ্যালয় আমাৰ বাবে এটা মাথোঁ নাম নহয়, ই আমাৰ আৱেগ আৰু সন্মান। ইতিমধ্যে ৰঙিয়া মহাবিদ্যালয়ে ৰূপালী উঘাত সোণালী সূতাৰ বোল বুলাই ৫৮ বছৰ অতিক্ৰম কৰিলে। এই চেগতে মহাবিদ্যালয়খনক প্ৰতিষ্ঠা কালৰ পৰা আজিৰ দিনলৈ নিৰলস প্ৰচেষ্টাৰে প্ৰাণৱন্ত কৰি তোলাৰ মহাবিদ্যালয়খনৰ পৰিয়ালবৰ্গলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সকলো মানুহৰে কিছুমান সমাজক কিছু চিন্তা থাকে সপোন থাকে। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে স্কুল বা শৈক্ষিক প্ৰতিষ্ঠানখনেই একো একোখন সমাজ। যিহেতু শিক্ষাত কোৱা হৈছে স্কুল এখন ক্ষুদ্ৰ সমাজ। মহাবিদ্যালয়খনত প্ৰৱেশ কৰিয়েই মহাবিদ্যালয়খনক লৈ কিবা এটা কৰা সপোন জাগিছিল আৰু যাৰ বাবে মই অৱতীৰ্ণ হৈছিলোঁ ২০২০-২১ বৰ্ষৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত। সেৱাৰ মানসিকতাৰে নিৰ্বাচনত অৱতীৰ্ন হোৱা বাবে হয়তো আপোনালোকে মোক জয়যুক্ত কৰিছিল। যাৰ বাবে মই আপোনালোকৰ ওচৰত চিৰ কৃতজ্ঞ।

মোৰ কাৰ্যকালত মই কিমান দূৰ সফল বা ক'ত বিফল তাক বিচাৰ কৰাৰ দায়িত্ব আপোনালোকৰ হাতত। হ'লেও মোৰ কাৰ্যকালৰ খতিয়ান আপোনালোকৰ জ্ঞাতাৰ্থে উল্লেখ কৰিলোঁ— ৰঙিয়া মহাবিদ্যালয়ৰ ২০-২১ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মই সভাপতি পদৰ বাবে প্ৰাৰ্থীত্ব আগবঢ়াও আৰু ১ মাৰ্চ ২০২১ সোমবাৰে হোৱা ভোট গণনাৰ শেষত মই সভাপতি হিচাপে নিৰ্বাচিত হও। ৩ এপ্ৰিল ২০২১ শনিবাৰে এই শুভক্ষণত ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সভাপতি হিচাপে শপত গ্ৰহণ কৰি দায়িত্ব ভাৰ গ্ৰহণ কৰো।

মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিয়েই আমাৰ প্ৰথম কৰ্তব্য আৰু মহাবিদ্যালয়ৰ সন্মান তথা গৰিমা অটুট ৰখাটো আছিল মোৰ আদৰ্শ সেই উদ্দেশ্যে কভিদকালীন পৰিস্থিতিৰ বাবে অনলাইন প্ৰবন্ধ লিখন লগতে সহঃ সাধাৰণ সম্পাদকৰ লগত ড° উপকূল শৰ্মাদেৱৰ দ্বাৰা অনলাইন কুইজ প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰো।

তাৰ পিছত মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰঙিয়া মহাবিদ্যালয়ৰ স্মৃতি আৰু অসমীয়া কলা-সংস্কৃতিৰে সন্নিৱিষ্ট (আলোকচিত্ৰ) এখনৰ মাধ্যমেৰে চেনেহৰ আপোন মহাবিদ্যালয়খনক নৱপ্ৰজন্মৰ সৈতে পৰিচয় কৰি দিয়াৰ কিছু প্ৰয়াস কৰো আৰু ৭৫তম্ স্বাধীনতা দিৱসৰ শুভক্ষণত মহাবিদ্যালয়ৰ শিক্ষক তথা কৰ্মচাৰীবৃন্দৰ লগতে ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিত অধ্যক্ষ মহোদয়ে দেৱাল অংকনৰ চিত্ৰকলাখন উন্মোচন কৰে।

এই ক্ষুদ্ৰ প্ৰয়াসৰ আঁৰত থকা প্ৰতিটো মুহূৰ্ত্তত সহায় কৰা পিন্টু ডেকা, মৃন্ময় বড়ো, জয়ন্ত দাস, প্ৰণৱজ্যোতি কলিতা, দিপুৰাজ লহকৰ, অবিনাশ ডেকা, ৰণচাঙ্কি দাস, নিতু শৰণীয়াল লগতে সহায় কৰা প্ৰতিজনলৈ অশেষ ধন্যবাদ।

লগতে মই মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ বৰ্ষৰ মোৰ পুঁজিৰ পৰা মহাবিদ্যালয় পুথিভঁৰালৰ বাবে এটা Book shelf

আৰু মহাবিদ্যালয় ছাত্ৰী নিবাসৰ ছাত্ৰী সকলে আজৰি সময়ত পঢ়িব পৰাকৈ কিছু কিতাপ ২১ ফেব্ৰুৱাৰী ২০২২ তাৰিখে মোৰ In charge বিমল দাস ছাৰৰ জৰিয়তে মহাবিদ্যালয় সহায়ক অনুপ ডেকা ছাৰৰ উপস্থিতিত কিতাপৰ টোপোলা আৰু book self টি আনুষ্ঠানিক ভাৱে প্ৰদান কৰোঁ।

লগতে বিষ্ণু ৰাভা দিৱস উপলক্ষে অনুষ্ঠিত কৰা প্ৰৱন্ধ লিখন প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ অধ্যক্ষ মহোদয়ৰ হাতেৰে আনুষ্ঠানিক ভাৱে প্ৰদান কৰোঁ লগতে সৰস্বতী পূজাকে আদি কৰি মহাবিদ্যালয়ৰ প্ৰতিটো কামত মই মোৰ কৰণীয়খিনি নিখুঁতভাৱে কৰিবলৈ যত্ন কৰিছিলোঁ হয়তো তাত কিবা ভুল হ'ব পাৰে আটাইৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

মোৰ এই যাত্ৰাত সহায় কৰা মোৰ বিভাগীয় তত্ত্বাৱধায়ক বিমল দাস চাৰৰ লগতে মহাবিদ্যালয় অধ্যক্ষ মহোদয় লগতে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০-২১ বৰ্ষৰ প্ৰতিজন বিষয়ববীয়া, প্ৰতিজন শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দৰ লগতে কেন্টিনৰ সন্মানীয় দাদাসকল লগতে মোৰ এই যাত্ৰাত প্ৰতিটো খোজত দৈহিক আৰু মানসিকভাৱে সহায়-সহযোগিতা আগবঢ়োৱা মোৰ মৰমৰ ছাত্ৰ ছাত্ৰী, বন্ধু-বান্ধৱীসকল আৰু মোক প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে সহায় কৰা প্ৰতিজনক যাৰ প্ৰচেষ্টাৰ ফলত মই মোৰ কাৰ্য কালৰ প্ৰতিটো দিন প্ৰতিটো কাম সুচাৰুৰূপে চলাই নিব পাৰিলো সেই প্ৰতিজনক ধন্যবাদ আৰু কৃতজ্ঞতাৰে মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

" বাজক দৰা, বাজক শংখ, বাজক মৃদংখোল
অসম আকৌ উন্নতিৰ পথত
জয় আই অসম
বোল..."

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা'

❑❑❑







## উপ-সভাপতিৰ প্ৰতিবেদন

ৰণদিয়া ৰঙিয়াৰ বুকুত প্ৰতি বছৰে হেজাৰ হেজাৰ ছাত্ৰ-ছাত্ৰীক জ্ঞান প্ৰদান কৰি অহা পঞ্চাশটা বছৰৰ অধিক কাল
গৰকি যোৱা আপোন মহাবিদ্যালয় ৰঙিয়া মহাবিদ্যালয়ক জনাও শতকোটি প্ৰণাম।
গ্ৰীষ্মকালীন বন্ধৰ সামৰণিত ১ আগষ্ট ২০১৮ ইং তাৰিখ বুধবাৰে এজন কলেজীয়া ছাত্ৰ ৰূপে পৰিচয় লৈ ৰঙিয়া
মহাবিদ্যালয়ত তিনি বছৰীয়া মোৰ শিক্ষা জীৱনৰ এক নতুন যাত্ৰা আৰম্ভণি কৰোঁ। এই যাত্ৰাৰ বহু ঘটনা, সময় আৰু অভিজ্ঞতা
যেন সজীৱ হৈ ৰ'ব মোৰ স্মৃতি ভঁৰালত।
১৯ ফেব্ৰুৱাৰী ২০২১ ইং তাৰিখ শুক্ৰবাৰে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২০-২১ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত
মই উপ-সভাপতি পদৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰোঁ আৰু এনেদৰে আৰম্ভ হৈছিল ৰঙিয়া মহাবিদ্যালয়ত প্ৰত্যক্ষ
ছাত্ৰ ৰাজনীতিৰ মোৰ এখোজ। জীৱনৰ এক স্মৰণীয় দিন হৈ ৰ'ব ১মাৰ্চ ২০২১ ইং তাৰিখ সোমবাৰ বহু জনৰ কষ্ট,
পৰিশ্ৰম, ত্যাগ আৰু নিদ্ৰাবিহীন অনেক ৰাতিৰ বিনিময়ত মই অৰ্জুন আচাৰ্য ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০২০-
২১ বৰ্ষৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হওঁ।
৩ এপ্ৰিল ২০২১ ইং তাৰিখ শনিবাৰে ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষৰ উপ-
সভাপতি হিচাপে শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় ড° ব্ৰজেন্দ্ৰ শইকীয়া ছাৰ দেৱৰ সভাপতিত্বত শপত বাক্য পাঠ কৰি দায়িত্বভাৰ
গ্ৰহণ কৰোঁ। দায়িত্বভাৰ গ্ৰহণ কৰিয়ে সমগ্ৰ বিশ্বতে ত্ৰাসৰ সৃষ্টি কৰা মহামাৰী Covid-19-ৰ দ্বিতীয় ঢৌৰ পৰা মহাবিদ্যালয়ৰ
ছাত্ৰ সমাজৰ লগত মহাবিদ্যালয়খনক সুৰক্ষিত কৰি ৰাখিবলৈ ৰঙিয়া পৌৰসভা অৰ্থাৎ Rangia Municipality Board-
ৰ সহযোগত সম্পূৰ্ণ মহাবিদ্যালয়খন Sanitization কৰাৰ ব্যৱস্থা গ্ৰহণ কৰোঁ। কিন্তু অধিক মাত্ৰাত সংক্ৰমণৰ হাৰ
সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো বৃদ্ধি পোৱাত তলাবন্ধৰ ঘোষণা হয়। ইয়াৰ ফলত বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদালয়
আদি শিক্ষানুষ্ঠানসমূহৰ গতানুগতিক শিক্ষা ব্যৱস্থা বন্ধ হৈ পৰে।
তলাবন্ধৰ সময়ত Online অনুষ্ঠান ঃ যিহেতু ছাত্ৰ-ছাত্ৰী সকলৰ মহাবিদ্যালয়লৈ অহা-যোৱা বন্ধ হয় আৰু ঘৰতে
আবদ্ধ হৈ থাকিব লগা হয় তেনে ক্ষেত্ৰত তেওঁলোকৰ উপকৃত হোৱাকৈ তিনিজন বক্তাক তিনিটি বিষয়ৰ ওপৰত Online
যোগে বক্তৃতা প্ৰদানৰ বাবে ৰঙিয়া কলেজ ষ্টুডেণ্ট ইউনিয়ন ২০২০-২১ পেজত আমন্ত্ৰণ জনাওঁ। বিষয় সমূহ আছিল
এনেধৰণৰ—

— হোমেন বৰগোহাঞিঃ আৰু ভূপেন হাজৰিকাদেৱৰ জীৱনৰ এক অধ্যায়।
— ছাত্ৰ জীৱনত ছাত্ৰ ৰাজনীতিৰ ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ।
— How to Crack JNU Entrance Exam?
* Tips and strantegies

— ইয়াৰ লগতে আন বিভাগীয় সম্পাদক/সম্পাদিকাই ইয়াৰ লগতে আন বিভাগীয় যোগে বিভিন্ন প্ৰতিযোগিতা
অনুষ্ঠিত কৰিছিলে। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰএকতা সভা ২০২০-২১ বৰ্ষই তলাবন্ধৰ সময়কালত ছাত্ৰ-ছত্ৰীসকলৰ বৌদ্ধিক,
শাৰীৰিক আৰু মানসিকভাৱে উপকৃত হোৱাকৈ লগতে প্ৰতিটো সময় ব্যস্ততাৰ মাজত ৰাখিবলৈ যথোপযুক্তভাৱে চেষ্টা
চলাইছিল।

ছাত্ৰ-ছাত্ৰীৰ সমস্যা সমাধানৰ চেষ্টা ঃ এবছৰত এখন মহাবিদ্যালয়ৰ সমস্যা সমাধান কৰাটো নিচেই কম সময়। তথাপিও ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ পৰীক্ষাৰ মাছুল কিছু হ্ৰাস কৰাৰ বাবে অধ্যক্ষ মহোদয়ৰ সৈতে আলোচনা কৰো আৰু আবেদন জনাওঁ।

মহাবিদ্যালয়লৈ অহা-যোৱা কৰা মুখ্য পথটি দুৰৱস্থাৰ বাবে গড়কাপ্তানি বিভাগৰ মুখ্য অভিযন্তা মহোদয়ক স্মাৰক পত্ৰ প্ৰেৰণ কৰাৰ লগতে পথটিত ষ্ট্ৰিট লাইটৰ ব্যৱস্থা কৰি দিয়াৰ বাবেও অনুৰোধ জনাওঁ।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰত ছাত্ৰ-ছাত্ৰীৰ সুবিধা হোৱাকৈ বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাৰ কিতাপ যোগান ধৰাৰ বাবে গ্ৰন্থাগাৰিক মহোদয়ক স্মাৰক পত্ৰ প্ৰেৰণ কৰোঁ। লগতে তত্বাৱধায়ক মহোদয়ৰ সন্মতি আৰু সহযোগিতাত মোৰ বিভাগীয় নিৰ্ধাৰিত বাজেটৰ পৰা কিছু সংখ্যক প্ৰতিযোগিতামূলক কিতাপ ক্ৰয় কৰি ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱাকৈ যোগান ধৰোঁ।

মহাবিদ্যালয়ৰ পৰিয়াল বৰ্গৰ সহায়ক হোৱাকৈ আৰু ছাত্ৰ-ছাত্ৰীয়ে সঠিক ব্যৱহাৰ কৰিব পৰাকৈ সময় চোৱাৰ বাবে মহাবিদ্যালয়ৰ চৌহদত তত্বাবধায়ক মহোদয়ৰ সহযোগিতাত মোৰ বিভাগীয় নিৰ্ধাৰিত বাজেটৰ পৰা এটি দেৱাল ঘড়ীৰ ব্যৱস্থা কৰোঁ।

মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠান জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে মহাবিদ্যালয়ৰ সমূহ পৰিয়াল বৰ্গই একত্ৰিতভাৱে শঙ্কৰ উৎসৱ, বিশ্বনাৰী দিৱস উদ্‌যাপন, বাথৌ পূজা, মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস, সৰস্বতী পূজা আৰু নৱাগত আদৰণি সভা আদি অনুষ্ঠান সমূহ উলহ-মালহেৰে উদ্‌যাপন কৰোঁ।

মোৰ এই কাৰ্যকালত, মোক প্ৰতিটো ক্ষেত্ৰতে দিহা-পৰামৰ্শ মহোদয়, তত্বাবধায়ক মহোদয়, মোৰ ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষাগুৰু লগতে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। ইয়াৰ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰা আৰু মহাবিদ্যালয়ৰ বাবে সেৱা আগবঢ়োৱাত সুযোগ প্ৰদান কৰা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীলৈ সহৃদয়ৰে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

মোক সামাজিক ক্ষেত্ৰখনৰ সৈতে চিনাকি কৰাই দিয়া 'অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ওচৰত মই সদায় চিৰ কৃতজ্ঞ হৈ ৰ'ম।

শেষত মোৰ কাৰ্যকাল আৰু প্ৰতিবেদনত হোৱা অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ধন্যবাদেৰে—

'জয়তু ৰঙিয়া মহাবিদ্যালয়'

'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা'

□□□







# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

**মানস প্ৰতীম কলিতা**
সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০২০-২১

প্ৰতিবেদনৰ আৰম্ভণিতে ভাৰত মাতৃৰ বীৰ সন্তান সকল যি সকলে নিজৰ দেশ আৰু মাতৃভূমিৰ হকে নিজৰ তেজৰ আহুতি দিছে তেওঁলোকৰ চৰণত মই মোৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছো।

মহাবিদ্যালয় খনত অহাৰ দিনাৰে পৰাই মহাবিদ্যালয় খনৰ প্ৰতি কিবা এটা কৰাৰ হাবিয়াস মোৰ যথেষ্ট খিনি আছিল আৰু সেই হাবিয়াসৰ তাড়নাতেই মই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ ৰ সাধাৰণ নিৰ্বাচনত সাধাৰণ সম্পাদকৰ পদত প্ৰাৰ্থীত্ব আগবঢ়াইছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ অফুৰন্ত সহাৰিৰে মই যোৱা ২৮।০২।২০২০ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা সাধাৰণ নিৰ্বাচনৰ ফলাফল ৰূপে ইং তাৰিখে নিৰ্বাচনত জয়ী হৈছিলো। নিৰ্বাচনত জয়ী হৈয়েই মই নিৰ্বাচনত দিয়া প্ৰতিশ্ৰুতি মৰ্মে ৰঙিয়া মহাবিদ্যালয়ৰ সতে সংলগ্ন ৰঙিয়া মহাবিদ্যালয় ছাত্ৰীবাসত ফুলৰ পুলি ৰোপনৰ এটা কাৰ্যসূচী ৰূপায়ন কৰিছিলো। ইয়াৰ পিছত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে নামভৰ্তিৰ ক্ষেত্ৰত পাই থকা অসুবিধাৰ ক্ষেত্ৰত কতৃপক্ষৰ সহিতে আলোচনাত মিলিত হৈ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি সম্পৰ্কীয় মাচুল ২০০ টকা হ্ৰাস কৰিছিলো। ইয়াৰ পৰৱৰ্তী সময়ত ৰঙিয়া মহাবিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে বহাগ বিহুৰ লগত সংগতি ৰাখি ৰঙিয়া মহাবিদ্যালয়ৰ তৰ্ক আৰু সাহিত্য সম্পাদিকা আৰু লঘুখেল সম্পাদকৰ সহযোগত বসন্ত উৎসৱ নামে এটি উৎসৱ আয়োজন কৰিছিলো।

ইয়াৰ পিছৰ কালত যেতিয়া কভিড-১৯ৰ দ্বিতীয় ঢৌ ৰ সময়ছোৱাত বিভিন্ন স্থানৰ ছাত্ৰ-ছাত্ৰী সমূহ ৰঙিয়া চহৰত আৱদ্ধ হৈ আছিল সেই সময়ত তেওঁলোকৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰিছিলো। ইয়াৰোপৰি ৰঙিয়া মহকুমাধিপতি মহোদয়ৰ অনুমতি মৰ্মে আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ -সন্থা চল্লচল্ল-চৰৰ ফালৰ পৰা আমি সমগ্ৰ ৰঙিয়া চহৰতেই আৰ্তজনৰ মাজত কিছু অন্ন বিতৰণৰ এক কাৰ্যসূচী ৰূপায়িত কৰিছিলো। ইয়াৰ পিছত কভিড পৰিস্থিতি কিছু নিৰ্মূল হৈ মহাবিদ্যালয় খুলি দিয়াৰ পিছত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰীবাসৰ সমূখত এখনি বাগিছা নিৰ্মাণ কৰি দিছিলো। ইয়াৰ পিছত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ২০২০-২১ৰ উপ-সভাপতি অৰ্জুন আচাৰ্যৰ সহযোগত ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অতিৰিক্ত চকী প্ৰদান কৰিছিলো। ইয়াৰ পিছত ৰঙিয়া মহাবিদ্যালয়ত বিগত চাৰিবছৰে অনুস্থিত নোহোৱা শংকৰ উৎসৱ অনুষ্ঠানটি অনুষ্ঠিত কৰিছিলো। এই উৎসৱত আমি ঠিয় নাম পৰিৱেশনৰ বাবে বিভিন্নঠাইৰ পৰা বিভিন্ন ঠিয় নাম দলক নিমন্ত্ৰণ কৰি আনিছিলো।

ইয়াৰ পৰৱৰ্তী সময়ত ৰঙিয়া মহাবিদ্যালয়ত নৱাগত আদৰণি সভাখন অনুস্থিত কৰিছিলো। ইয়াৰ পিছত মোৰ পুজিত হৈ যোৱা ধনেৰে মই ৰঙিয়া মহাবিদ্যালয়ৰ জালুকবাৰীত অসমৰ প্ৰসিদ্ধ এগৰাকী ব্যাক্তিৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ বাবে মোৰ পুজিত হৈ যোৱা ৫০০০০ টকা ধন মই ৰঙিয়া মহাবিদ্যালয় পুজিলৈ আগবঢ়াও।

শেষত মোৰ প্ৰতিটো কামত মোৰ সতে ছাঁৰ দৰে থাকি মোক বাট দেখুওৱা মোৰ অতি শ্ৰদ্ধাৰ মোৰ তত্বাৱধায়ত হৃষিকেশ চৌধুৰী মহাশয় তথা সমূহ ৰঙিয়া মহাবিদ্যালয় পৰিয়াললৈ মোৰ অন্তৰৰ পৰা অশেষ ধন্যবাদ জনালো।

□□□

# সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



**চিন্তম শৰ্মা**
সহকাৰী সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০২০-২১

মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে অসমী আইৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণাহুতি দিয়া শ্বহীদ বীৰসকললৈ শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি জ্ঞাপন কৰিলো। লগতে যিসকল মহান ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম আৰু ত্যাগৰ বিনিময়ত ৰণদিয়া ৰঙিয়া মহাবিদ্যালয়ে বৰ্তমান নামনি অসমৰ অন্যতম উচ্চ শিক্ষানুষ্ঠান হিচাপে গঢ় লৈ উঠিছে সেই মহান ব্যক্তিসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো।

২০২০-২০২১ বৰ্ষৰ "ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ"ৰ সাধাৰণ নিৰ্বাচনত মই সহকাৰী সাধাৰণ সম্পাদক পদত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ কৰিছিলো। যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগৰ ফলত কাৰ্যভাৰ গ্ৰহণ কৰি পৰিচালনা কৰাৰ সুযোগকণ পালো তাৰবাবে মই সকলো ছাত্ৰ-ছাত্ৰী তথা দাদা-বাইদেউ, বন্ধু-বান্ধৱী, ভাইটি-ভন্টিৰ ওচৰত চিৰকৃতজ্ঞ আৰু চিৰঋণী হৈ ৰ'লো।

ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ দিনৰে পৰা শেষলৈকে এক নিৰ্দিষ্ট পৰিসৰত মহাবিদ্যালয়ত এক সুস্থ শৈক্ষিক পৰিৱেশ গঢ়াৰ বাবে আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়ক হোৱা কামৰ হকে উঠি-পৰি লাগিছিলো আৰু কিমানদূৰ সফল হৈছো সেয়া আপোনালোকৰ বিচাৰ্য্য।

**কাৰ্যকালৰ খতিয়ান ঃ**

৩ এপ্ৰিল, ২০২১ তাৰিখে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ বৰ্ষৰ বাবে নিৰ্বাচিত হোৱা বিষববীয়াসকলৰ সৈতে সন্মানীয় অধ্যক্ষ মহোদয় আৰু সন্মানীয় তত্বাৱধায়কবৃন্দৰ উপস্থিতিত মই সহকাৰী সাধাৰণ সম্পাদক হিচাপে শপত গ্ৰহণ কৰি কাৰ্যভাৰ গ্ৰহণ কৰো।

ছাত্ৰ-ছাত্ৰীক Cyber Security আৰু Ethical Hacking-ৰ বিষয়ে জনাবৰ বাবে Dataspace Security Pvt. Ltd.-ৰ পৰা এখন Webinar 4 May 2021 তাৰিখে অনুষ্ঠিত কৰো। উক্ত Webinar-খনত ৩২৫ জনতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে উপস্থিত থাকে।

লকডাউনৰ সময়ছোৱাত HS পঢ়ি থকা ছাত্ৰ-ছাত্ৰীক অসম চৰকাৰৰ পৰা অহা HS-ৰ বিনামূলীয়া কিতাপবোৰ মোকলাই দিয়া হোৱা নাছিল যাৰ কাৰণে বহুত ছাত্ৰ-ছাত্ৰী সমস্যাৰ সন্মুখীন হৈছিল। তাৰ কাৰণে ২৫ মে', ২০২১ তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ক এখন স্মাৰক পত্ৰ অনলাইন মাধ্যমেৰে প্ৰদান কৰো আৰু তেখেতে অতি কম সময়ৰ ভিতৰত বিনামূলীয়া কিতাপ বিলাই দিবলৈ ব্যৱস্থা গ্ৰহণ কৰে।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক কুইজৰ প্ৰতি উদ্দেশ্য সৰোগত কৰি ৫ জুন, ২০২১ তাৰিখে অনলাইন মাধ্যমেৰে এখন কুইজ অনুষ্ঠিত কৰো— "ড° উপকূল শৰ্মাৰ সৈতে কুইজৰ এটি সন্ধ্যা"। উক্ত কুইজখনত ৭৫ জনতকৈও অধিক ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ভাগ লয়।

ৰঙিয়া মহাবিদ্যালয়ৰ মুখ্যদ্বাৰৰ ৰাস্তাটো জৰাজীৰ্ণ অৱস্থাত আছিল, যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ লগতে স্থানীয় লোকৰ





বহু অসুবিধা হৈছিল। ৰাস্তাটো মেৰামতিৰ বাবে ১৯ জুলাই, ২০২১ তাৰিখে মাননীয় কাৰ্যবাহী অভিযন্তা মহোদয়ক এখন স্মাৰক পত্ৰ যোগেৰে অতি সোনকালে মেৰামতি কৰিবলৈ দাবী জনাওঁ আৰু দাবী অনুসাৰে ৰাস্তাটোৰ কাম সম্পূৰ্ণ হৈছে। তাকে দেখি সঁচাই আনন্দিত হৈছোঁ।

৯ চেপ্টেম্বাৰ, ২০২১ তাৰিখে ৰে'ল সংমণ্ডলৰ ডি.আৰ.এমক সাক্ষাৎ কৰো আৰু মহাবিদ্যালয়ৰ সন্মুখৰ ৰে'লৰ মাটিখিনি পুতি পাৰ্কিং, টয়লেট আদিৰ ব্যৱস্থা কৰি দিবলৈ এখন স্মাৰক পত্ৰ প্ৰদান কৰো।

প্ৰত্যেক বছৰেই ৰঙিয়া মহাবিদ্যালয়ত উলহ-মালহেৰে ফাতেহা-দোৱাজ-দহম পালন কৰা হয়। এই পবিত্ৰ ফাতেহা-দোৱাদ-দহমৰ মই সাধাৰণ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰো আৰু সকলোৰে সহযোগত সফলভাৱে চলাই নিওঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দৰ সুবিধাৰ্থে ৰঙিয়া মহাবিদ্যালয়ৰ চৌহদত এ.টি.এম স্থাপন কৰিবলৈ অনুৰোধ জনাই ৰঙিয়া ষ্টেট বেঙ্ক অৱ ইণ্ডিয়াৰ শাখা প্ৰবন্ধক মহোদয়ক ৯ ডিচেম্বৰ, ২০২১ তাৰিখে। এখন স্মাৰক পত্ৰ প্ৰদান কৰো আৰু তেখেতে কিছুদিন আগত খবৰ দিয়া মতে এই বছৰৰ শেষৰ পিনে এ.টি.এমটো স্থাপন হ'ব পাৰে।

২২ এপ্ৰিল, ২০২২ তাৰিখে মোৰ সহকাৰী সাধাৰণ সম্পাদক, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ বৰ্ষৰ আছুতীয়া পুঁজিৰে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ সহযোগত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ সন্মুখত "ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা" নামাকৰণত ফুলৰ বাগিচাখন নিৰ্মাণ কৰা হয়।

**কৃতজ্ঞতা ঃ**

মোক বিভিন্ন সময়ত দিহা-পৰামৰ্শ দি সহায় কৰা মাননীয় অধ্যক্ষ মহোদয় ড° ব্ৰজেন শইকীয়া ছাৰ, মোৰ তত্বাৱধায়ক ড° হৃষীকেশ চৌধুৰী ছাৰ, ড° বিমল দাস ছাৰ তথা সকলো অধ্যাপক-অধ্যাপিকাৰ লগতে কৰ্মচাৰীবৃন্দৰ সহায়-সহযোগিতা আৰু শুভকামনাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত সকলো প্ৰকাৰৰ সহায় কৰা কাশ্যপ চৌধুৰী দাদা, ৰঙিয়া মহাবিদ্যালয়ৰ আছু গোটৰ সমূহ সদস্য, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি জয়ন্ত শৰ্মাদা, সাধাৰণ সম্পাদক মৃন্ময় কুমাৰ ডেকাদা, হেমন্ত দাসদা, তৌফিকুৰ ৰহমানদা, নিউটন কলিতাদা, পাৰ্থপ্ৰতিম কলিতাদা, মুনিফ ইকবালদা আৰু মোৰ বন্ধু নয়নমণি মেধি, ৰঞ্জন কুমাৰ দাস, ৰাজদ্বীপ বৰদলৈ, গৌতম তালুকদাৰ, ইফটাকুৰ ৰহমান আৰু লগতে সমূহ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰী আৰু লগতে জ্ঞাত-অজ্ঞাত ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষীলৈ ধন্যবাদ জ্ঞাপন কৰিলোঁ।

বিভিন্ন অনুষ্ঠান তথা মোৰ কাম-কাজত মোক সহায়-সহযোগিতা, দিহা-পৰামৰ্শ কৰা গফ্‌ফাৰ আলি আমহমেদদা, আমিনুল হকদা, মুনিফ ইকবালদা, মোস্তাক আহমেদ, অনিমেশ চৌধুৰী ভাই, নয়নজ্যোতি কলিতা ভাই, প্ৰণৱজ্যোতি কাকতি ভাই, ৰিদুল কুমাৰ নাথ ভাইলৈ অলেখ ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত ৰঙিয়া মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত, বিকাশ তথা ছাত্ৰ-ছাত্ৰীসকলে যাতে শৈক্ষিক, সাংস্কৃতিক, সামাজিক, ক্ৰীড়া, সাহিত্য আদি দিশত মহাবিদ্যালয়ৰ সুনাম কঢ়িয়াই আনিব পাৰে তাৰে কামনা কৰিলো। মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু ৰঙিয়া মহাবিদালয়'

'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা'

□□□

# আলোচনী সম্পাদকৰ প্ৰতিবেদন



**হৃষিকেশ কলিতা**
আলোচনী সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ২০২০-২১

প্ৰতিবেদনৰ আগলিতে মানুহৰ উত্তৰণৰ হকে, ন্যায় ৰক্ষাৰ হকে আৰু সমাজখনৰ ৰক্ষাৰ্থে নিজৰ জীৱন-যৌৱনক সমৰ্পিত কৰা তথা আত্মজীৱনৰ বলিদান দিয়া প্ৰতিগৰাকী মহীৰূহৰ শ্ৰীচৰণত আমাৰ শ্ৰদ্ধাৰ এপাহি অঞ্জলি নিবেদি, গৌৰৱোজ্বল ইতিহাসৰ বুকুৰে বৈ বৰ্তমানলৈ প্ৰৱাহিত বৰলীয়াপাৰৰ ঐতিহাসিক ৰণদিয়াৰ কুটুম ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজৰ সমূখলৈ মোৰ এই সম্পাদকীয় প্ৰতিবেদনৰ পাতনি যুৰিছো।

দিনাংক ১/০৩/২০২১ ইং সোমবাৰ। আঠাৱন্নটা বসন্তৰ সোণোৱালী ঐতিহ্যক বুকুত সামৰা ৰঙিয়া মহাবিদ্যালয়ৰ বুকুত সেইদিনা আছিল ২০২০-২১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দিন। সেইদিনাৰ কোনো এটা অনুপলতেই হেজাৰ সপোন বুকুত লৈ অহা মোৰ ব্যক্তিত্ব সমৃদ্ধ হৈছিল ছহেজাৰ আশা আৰু আশীষৰ অঞ্জলিৰে পোষিত কৰা ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজৰ অযুত মৰমৰ সফুঁৰাৰে আৰু সেই মৰমৰ বাবে সেই দিনাৰ পৰা হৈ পৰিছিলো মই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ ৰ আলোচনী সম্পাদক। আলোচনী সম্পাদক হৈয়েই আমাক আনুষ্ঠানিকভাৱে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ দায়িত্বভাৰ অৰ্পণ নকৰোতেই মই ৰঙিয়া মহাবিদ্যালয়ৰ গ্ৰন্থগাৰিক মাননীয়া শ্ৰীযুতা মঞ্জুশ্ৰী দেৱী বাইদেউ তথা ৰঙিয়া মহাবিদ্যালয় 'গ্ৰন্থপ্ৰেমী সংঘ'ৰ সহযোগত মহাবিদ্যালয়খনৰ বুকুত ২২/০৩/২০২১ ইং তাৰিখে বিশ্ব 'কাব্য দিৱস' উদযাপনৰ উপলক্ষে এটি কবিতা পাঠ আৰু ভাষণ প্ৰদানৰ অনুষ্ঠান অনুষ্ঠিত কৰো। ইয়াৰ পৰৱৰ্তী সময়ত ০৩/০৫/২০২১ ইং তাৰিখে 'বিশ্ব গ্ৰন্থ দিৱস'ৰ উপলক্ষত ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থপ্ৰেমী সংঘ তথা ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰৰ সম্পূৰ্ণ সহযোগত আমি মোৰ সম্পাদনাৰে ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰক প্ৰতিনিধিত্ব কৰিব পৰাকৈ 'বাঁহী' শীৰ্ষক এখনি প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰি উলিৱাও।

ইয়াৰ লগে লগে সেইদিনাই গ্ৰন্থৰ বিষয়ে বহুজন অধ্যাপক তথা ছাত্ৰ-ছাত্ৰীয়ে ভাষণ প্ৰদান কৰাৰ এটি অনুষ্ঠানো অনুষ্ঠিত কৰো।

ইয়াৰ পৰৱৰ্তী সময়ত আহিল গোটেই ভাৰতবৰ্ষকেই আদি কৰি বিশ্বৰ ভালেমান দেশত মহামাৰী ক'ভিডৰ দ্বিতীয় ঢৌ। ক'ভিডৰ এই দ্বিতীয় ঢৌৰ মহাপাশত প্ৰথম ঢৌৰ পৰা কিছু সাম কাটি সামান্যৰূপে দৈনন্দিনতাক ঘূৰাই পোৱা আমিবোৰ আকৌ আৱদ্ধ হৈ পৰিলো ঘৰৰ চাৰি দেৱালৰ আৱৰণত। গোটেই অসমত সমস্ত মহাবিদ্যালয়ত তথা অইন কাৰ্যস্থানসমূহো বন্ধ হৈ পৰিল। ক'ভিড মহামাৰীৰ এই কালতেই আৰ্তজনক কিছু সকাহৰ হাত আগবঢ়াবলৈ আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ য়ে ৰঙিয়া অঞ্চলৰ বিভিন্ন এলেকাত সন্মানীয় ৰঙিয়া মহকুমাৰ মহকুমাধিপতি মহোদয়ৰ অনুমতিৰে ক'ভিড মহামাৰী সম্বন্ধীয় সমূহ নীতি-নিৰ্দেশনা মানি আৰ্তজনলৈ কিছু অন্ন বিতৰণ কৰাৰ এক কৰ্মসূচী সম্পাদিত কৰো। ইয়াৰোপৰি ক'ভিডকালিন পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ৰঙিয়া মহাবিদ্যালয়ত অধ্যয়নৰত তথা ৰঙিয়া চহৰত ক'ভিডৰ বাবে আৱদ্ধ হৈ পৰা হোষ্টেল আৰু ভাড়া ঘৰত থকা ছাত্ৰ-ছাত্ৰীসমূহৰ বিভিন্ন অসুবিধাৰ উমান ৰখাৰ ব্যৱস্থা কৰো। ইয়াৰ পৰৱৰ্তী সময়ত ক'ভিডকালীন পৰস্থিতিৰ মাজতেই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ ৰ আলোচনী বিভাগৰ ফালৰ পৰা মই অসমৰ মহান ব্যক্তিত্ব, বিশিষ্ট সাহিত্যিক, সাংবাদিক তথা বুদ্ধিজীৱী প্ৰয়াত হোমেন বৰগোহাঞিদেৱৰ পৰলোকপ্ৰাপ্তিৰ পিছতেই তেখেতৰ মহান সৃষ্টি তথা মহৎ ব্যক্তিত্বৰ শ্ৰীচৰণত একাজলি শ্ৰদ্ধাঞ্জলি নিবেদনৰ অৰ্থে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত 'হোমেন বৰগোহাঞি সোঁৱৰণি অনলাইন প্ৰৱন্ধ লিখন প্ৰতিযোগিতা' শীৰ্ষক এখনি অনলাইন প্ৰৱন্ধ লিখন প্ৰতিযোগিতা অনুষ্ঠিত কৰো। ইয়াৰ পৰৱৰ্তী কালত ক'ভিডকালীন পৰিস্থিতিসমূহৰ প্ৰচলনতেই





২০২১ চনৰ ২০ জুন তাৰিখে অসমৰ সৰ্বদিশৰ এগৰাকী সৰ্বাংগ সমুজ্জ্বল পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিৱসৰ দিনা অৰ্থাৎ ৰাভা দিৱসৰ দিনা 'ৰাভা দিৱস' উৎযাপনৰ লক্ষ্যৰে গুগ'ল মিটৰ জৰিয়তে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ ৰ আলোচনী বিভাগৰ ফালেৰে আমি এখনি সভা অনুষ্ঠিত কৰো। সভাখনত ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়ৰ লগতে কেইবাগৰাকীও অধ্যাপক-অধ্যাপিকা, গ্ৰন্থাগাৰিক মহোদয়া তথা ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। অধ্যক্ষ মহোদয়কে ধৰি বিভিন্নজন অধ্যাপক-অধ্যাপিকাই বিষ্ণু ৰাভাদেৱৰ চিৰন্তন সৃষ্টি তথা ব্যক্তিত্বৰ বিষয়ে বক্তৃতা দিয়াৰ উপৰিও উপাধ্যক্ষ মহোদয় তথা বিভিন্নজন ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠানটিত ৰাভা দেৱৰ অমৰ গীতসমূহৰ পৰিৱেশন তথা কবিতা আবৃত্তিৰ পৰিৱেশন কৰো।

ক'ভিড মহামাৰীৰ মহাপ্ৰকোপৰ ফলত যদিও আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১য়ে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিব নোৱাৰিলো, তথাপি আলোচনী সম্পাদক হিচাপে মোৰ পৰম দায়িত্ব অনুসৰি ক'ভিড পৰিস্থিতি কিছু শাম কাটি, গোটেই অসমৰ মহাবিদ্যালয়সমূহৰ লগতে ৰঙিয়া মহাবিদ্যালয়েও পুনৰ খুলি দিয়াৰ পিছত, মই ১২/১১/২০২১ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয়ৰ একাংশ নিষ্ঠাৱান তথা নিঃস্বাৰ্থ ছাত্ৰ-ছাত্ৰীৰ সহযোগত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা 'আৰাধনা'ৰ ২০২০-২১ৰ সংখ্যাটি দেৱালৰ বুকুত প্ৰকাশ কৰাৰ লগে লগে উন্মোচনী অনুষ্ঠান এটি অনুষ্ঠিত কৰি ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত ড° ব্ৰজেন্দ্ৰ শইকীয়াদেৱৰ হাতেৰে উন্মোচিত কৰি উলিয়াও। ইয়াৰ পৰৱৰ্তী সময়ত আলোচনী সম্পাদক হিচাপে মোৰ কৰ্মৰূপে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ বিভাগৰ চুকে-কোণে পুঞ্জিভূত হৈ থকা কলাত্মক প্ৰতিভা সমূহক উলিয়াই অনাৰ বাবে আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ আলোচনী বিভাগৰ ফালেৰে আলোচনী সম্পাদক হিচাপে মই সমূহ ৰঙিয়া মহাবিদ্যালয়ৰ বিভাগ সমূহৰ মাজত "ৰঙিয়া মহাবিদ্যালয় আন্তঃ বিভাগীয় হাতে লেখা আলোচনী নিৰ্মাণ "প্ৰতিযোগিতা এখনি অনুষ্ঠিত কৰো। আমাৰ এই চিন্তনক বৈপ্লৱিক ৰূপ দি ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজে সহাঁৰি ৰূপে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ বিভাগ সমূহৰ মাজৰ পৰা সৰ্বমুঠ ৭ টা বিভাগৰ পৰা ৭ খন হাতে লেখা আলোচনী আমি লাভ কৰিবলৈ সক্ষম হওঁ। ইয়াৰ পৰৱৰ্তী সময়ত আমি "বিশ্ব কবিতা দিৱস"ৰ উপলক্ষত মহাবিদ্যালয় গ্ৰন্থাগাৰত অনুষ্ঠিত হোৱা "কবিতা দিৱস উৎযাপন" শীৰ্ষক অনুষ্ঠানটিৰ জৰিয়তে প্ৰতিযোগিতাত প্ৰাপ্ত হাতে লেখা আলোচনী সমূহ বিভাগীয় আলোচনী সমূহৰ সম্পাদক সকল তথা ৰঙিয়া মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় ড° ব্ৰজেন্দ্ৰ শইকীয়াৰ হতুৱাই ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ পঠনৰ সুবিধাৰ্থে ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰলৈ প্ৰদান কৰো।

ইয়াৰোপৰি মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা আমি ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "ৰঙ্গণ" ৰ সম্পাদনা সমিতিয়ে আলোচনীখনৰ সম্পূৰ্ণতাৰ বাবে যতপৰোনাষ্টিভাৱে কৰ্মৰত হৈ আছো আৰু চলিত বৰ্ষৰ চেপ্তেম্বৰ মাহত আলোচনীখন প্ৰকাশ কৰি উলিওৱাৰো মানস কৰিছো। আলোচনীখনৰ উন্মোচনী অনুষ্ঠানতেই ওপৰত উল্লেখিত প্ৰতিযোগিতাসমূহৰ পুৰস্কাৰ সমূহ প্ৰদান কৰাৰো আমি পৰিকল্পনা কৰিছোঁ।

আলোচনীৰ কামৰ উপৰিও ২০২১ চনত সমগ্ৰ ভাৰতত অনুষ্ঠিত হোৱা সৰস্বতী পূজাৰ উপলক্ষে ৰঙিয়া মহাবিদ্যালয়তো বৃহত্তৰ ভাৱে আয়োজিত "সৰস্বতী পূজা" উৎসৱত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ২০২০-২১ ৰ সৰস্বতী পূজা পৰিচালনা সমিতিৰ সম্পাদক হিচাপে মোলৈ দায়িত্বভাৰ অৰ্পণ কৰা হয়। গতিকে, সেই মহৎ দায়িত্বৰ আশীষেৰে সমূহ ৰঙিয়া মহাবিদ্যালয়ৰ কতৃপক্ষ তথা ছাত্ৰ-ছাত্ৰীৰ সহযোগেৰে ৰঙিয়া মহাবিদ্যালয়ত সৰস্বতী পূজাভাগ আমি সুকলমে পৰিচালনা কৰিবলৈ সক্ষমিত হওঁ।

শেষাংশত ঐতিহ্যবাহী ৰঙিয়া মহাবিদ্যালয়ৰ ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ২০২০-২১ ৰ আলোচনী সম্পাদক হিচাপে দায়িত্ব ভাৰৰ নিৰ্বাহন কৰিবলৈ মোক সুযোগ দিয়াৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজৰ শ্ৰীচৰণত মই ধন্যবাদৰ একাজলি অঞ্জলি অৰ্পণ কৰিছোঁ। ইয়াৰোপৰি আলোচনী সম্পাদক হিচাপে মোৰ কৰ্তব্য পালনৰ পথত পৰম সহায়তাৰ হাত আগবঢ়োৱা মোৰ তত্বাবধায়ক মাননীয় শ্ৰীযুত ৰুজাৱ মুছাহাৰী মহাশয়, ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰী, অধ্যাপক-অধ্যাপিকা তথা অইন কৰ্মচাৰী সকললৈও মোৰ অন্তৰ আজুৰি ধন্যবাদ জ্ঞাপন কৰিছো আৰু আলোচনী সম্পাদক ৰূপে মোৰ দায়িত্বৰ নিৰ্বাহনৰ ক্ষেত্ৰৰ অজ্ঞাতবশতঃ ভুলৰ শুদ্ধিকৰণ ৰূপে সমূহ ৰঙিয়া মহাবিদ্যালয় পৰিয়ালৰ চৰণত মোৰ ক্ষমা ভিক্ষা মাগিছো।

প্ৰতিবেদনৰ অন্তত ৰঙিয়াল আলোকৰ ৰশ্মিৰে, জ্ঞান আৰু বৌদ্ধিকতাৰ প্ৰদীপেৰে ৰঙিয়াৰ সৰ্বদিশৰ বৌদ্ধিকতাক সমৃদ্ধ কৰা ৰঙিয়া মহাবিদ্যালয়ৰ চিৰন্তনতা তথা অতি সমৃদ্ধি কামনা কৰি মোৰ এই সম্পাদকীয় প্ৰতিবেদনৰ পৰিসমাপ্তি কৰিলোঁ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা'

□□□



# লঘু খেল সম্পাদকৰ প্ৰতিবেদন

হীমশেখৰ উজীৰ
লঘু খেল সম্পাদক
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১

প্ৰতিবেদনৰ আৰম্ভণিতে ভাৰতী আইৰ উত্তোৰণৰ হে নিজৰ জীৱন তথা যৌৱনক সমৰ্পিত কৰা প্ৰতিজন মহান বীৰৰ পৱিত্ৰ আত্মাৰ শ্ৰীচৰণত একাজলি শ্ৰদ্ধা জনাই ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজৰ সন্মুখত মোৰ এই সম্পাদকীয় প্ৰতিবেদন আগবঢ়ালোঁ।

১-০৩-২০২১ ইং তাৰিখ সোমবাৰে ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিছিল। ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজৰ মত অনুযায়ী সেইদিনাৰ পৰা মই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ ৰ লঘুখেল সম্পাদক হৈছিলো। লঘু খেল সম্পাদক হিচাপে মোৰ প্ৰথম কাম অনুযায়ী আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১য়ে ১৩/০৪/২০২১ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত কৰা 'বসন্ত উৎসৱ'ত অধ্যাপক অধ্যাপিকাসকলৰ মাজত 'কলহ ভঙা খেল' প্ৰতিযোগিতা তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ছাত্ৰ তথা ছাত্ৰীভেদে বেলেগ বেলেগ 'ৰচী টনা খেল' প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। ইয়াৰ পৰৱৰ্তী সময়ত মই ৰঙিয়া মহাবিদ্যালয় খেল পথাৰত এটি ভলীবল কোৰ্টৰ নিৰ্মাণ কৰি ০৪/০১/২০২২ ইং তাৰিখে আয়োজন কৰা অনুষ্ঠান ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ দ্বাৰা কোৰ্টখন উন্মোচন কৰাও। লগে লগে সেইদিনাই ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপকসকল তথা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দুখনকৈ ভলীবল প্ৰতিযোগিতাও অনুষ্ঠিত কৰা হয় বিজয়ী দলসমূহক সেইদিনাই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ৰ হাতেৰে পুৰস্কৃত কৰা হয়। ইয়াৰোপৰি বসন্ত উৎসৱ উপলক্ষে অনুষ্ঠিত খেলসমূহৰ বিজয়ীসকলকো সেইদিনাই মহাবিদ্যালয়খনৰ অধ্যক্ষ মহোদয়ৰ হাতেৰে পুৰস্কৃত কৰা হয়। ইয়াৰ পৰৱৰ্তী সময়ত মোৰ বিভাগীয় কোষত ৰৈ যোৱা ধনেৰে মই চাৰিখন বেডমিণ্টন ৰেকেট কিনাৰ ব্যৱস্থা কৰি ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৰঙিয়া মহাবিদ্যালয় ক্ৰীড়া ভড়ালত জমা কৰাওঁ।

প্ৰতিবেদনৰ শেষত এই অভগাক ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ লঘু খেল সম্পাদক ৰূপে নিৰ্বাচিত কৰাৰ বাবে ৰঙিয়া মহাবিদ্যালয়ৰ বৃহত্তৰ ছাত্ৰ সমাজক ধন্যবাদ জনাওঁ তথা মোৰ কৰ্মত সহায়ক হোৱা বাবে মোৰ তত্ত্বৱধায়ক মাননীয় শ্ৰীযুত মহেন্দ্ৰ কলিতা ছাৰ তথা সমূহ ৰঙিয়া মহাবিদ্যালয় পৰিয়াললৈ মোৰ একান্ত শ্ৰদ্ধা জনালোঁ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা'

□□□







# बोसोरारि बुंफोरथि

प्रशान्त रामसियारी
नेहाथारि

गिबि गिबियाव अबंलाउरि आफा आनान गसाइनिसिम खुलुमहरग्रो नाय जाबाय। लोगोसे हारिमु मोजां मोनग्रा गासै सुबुंनिसिमबोआंनि अननाय आरो मोजां मोननायखौ बाउहरग्रो हरबाय आंखौ 2020-21 इं मायथाइ नि रङिया फरायसालिमानि फरायसा खौसे आफादनि (RCSU) बिसायखथियाव हारिमु नेहाथारि (Cultural Secretary) बिबानआव आंखौ नोंथांमोन नोंथांमोननि बेसेन गोसा भटखौ होनानै हारिमु नेहाथारि हिसाबै सायखना खामानि मावनो थाखाय खाबु होनायनि फरायसालिमानि गासै फरायसुला-फरायसुलि बिथांमोनखौ आंनि गोसो गोरबोनिफ्राय खाबायखर बाउहरनाय जाबाय।

आं 2020-21 मायथाइयाव हारिमु नेहाथारि बिबानखौ लानानै मा मा खामानि मावनाय जादोंमोन बेखौनो गाहाइयाव इसे फोरमायनाय जाबाय।

नैथि लकदाउन जानाय समावबो फरायसालिमायाबो बन्द थानायाव आं 2021 इं माइथायनि 29 मे दानाव अनलाइन रोजाबनाय बादायलायनाय हाबाफारि लादोंमोन मोननै आयदायाव - गोदान मेथाइ (Modern Song) आरो भुपेन्द्र संगिद (Bhupendra Sangit खौ लादोंमोन बेयाव गोबां फरायसाफोरानो बाहागो लादोंमोन। जाय बिथांमोना देरहासार जानो हादोंमोन बिथांमोननो गांसे सार्तिफिकेट आरो ट्रॉफी होनाय जादों।

फरायसालिमायाव दामग्रा-देग्रा आगजुया खम थानायनि थाखाय 2021 इं मायनाइनि 17 डिसेम्बर दानाव धल, टब्ला, गितार आरो हारमनियाम लाबोनानै होफैदोंमोन। जाहाथे फरायसालिमायाव हारिमुनि हाबाफारियानो जा बा गुबुन हाबाफारिफोराव नांगोबादि दामग्रा-देग्राखौ गासैबो बाहायनो मोननाय बादि।

थांनाय 2022 बाइथाइनि 8 जानुवारि दानाव जानानै थांनाय गोदान फरायसाफोरखौ बरायनाय Fresher Programme हाबाफारियाव मोसाहोनो थाखाय 7 खालाराव अडिटोरियाम सिडव मोनसे मोसानाय आरो रोजाबनायनि Audition लानायावबो आं गोब्राब नांफाना होदोंमोन।

बेनि अनगायैबो आं आंनि बिबाननि खामामिनि अनगायैबो फरायसालिमानि जायखि जाया हाबाफारिफोरावनो फरायसा खौसे आफादनि जानानै सार, मेडाम मोनजों खामानि मावनायाव हेफाजाब होलांदोंमोन आरो गासै फरायसुला-फरायसुलिफोरनि नांगौ समावबो आं उन जानानै थायाखै।

फरायसालिमानि मोनफ्रोमबो हाबाफारि (Events) फोराव सामलाय लांनायाव हेफाजाब होगिरि Cultural Secretary नि Incharge बिथां डा॰ राजेश कुमार सार आबो आंखौ थोजासे हेफाजाब होदोंमोन लोगोसेनो आंनि खैफोदनि समावबो आखाइआव आखाइ हमनानै लांफानाय लोगो बिथांमोन जितराज गोरा ब्रह्म, जिम कुमार बर, बनेल बर फुंखा सोरां बर, रबिन सिङ बर, हरसित बर आरो प्रनब ब्रह्म। रङिया फरायसालिमानिनो गोरायु सार डा॰ ब्रजेन्द्र शईकीया आरो केरानि बिथां अनुप डेका सार निसिमबो नांगौ जानाय थि समावनो Fund Release खालामना होनायनि थाखाय आरो फरायसा खौसे आफादनि गासै बिबानगिरिफोरनिसिमबो, Teaching/Non-oTeaching Staff, Office Staff आरो Senior/ Junior गासै फरायसुला फरायसुलिफोरनिसिमनो आंनि गोसो सिंनिफ्राय अननाय आरो सिबिनायखौ बाउहरनानै आरो आंनि मिथिस्लाबैयाव माबाफोर गोरोन्थि जादोंब्ला बे गोरोन्थिनि थाखाय निमाहा मोनगोन होनना मिजिं थिनायजों लोगोसे आंनि बोसोरारि लिरबिदां लिरनायखौ ऐसयावनो फोजोबनाय जाबाय।

गोजोन्थों

'Long live Rangia College.'
'Long live Rangia College Students' Union.' □□□



# তৰ্ক আৰু সাহিত্য সম্পাদিকাৰ প্ৰতিবেদন

জিনি ৰাভা
তৰ্ক আৰু সাহিত্য সম্পাদিকা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০২০-২১

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে স্বৰাষ্ট্ৰৰ স্বধৰ্মৰ সুৰশা, ভাৰতীয় সভ্যতাৰ সুৰলাৰ অৰ্থে বিপ্লৱ কঢ়িয়াই আনি আত্ম বলিদান দি তেজৰ এটি এটি টোপাল নৈ লৈ ৰূপান্তৰিত কৰি ভাৰত মাতৃক মহিয়ান কৰা প্ৰতিজন মা ভাৰতীৰ মহাবীৰক পোন প্ৰথমে মোৰ অশ্ৰুসিক্ত অন্তৰমন শ্ৰদ্ধা নিবেদিছোঁ।

এই বেলিও কোনো পৃথকাবিহীনভাৱে অনুষ্ঠিত হোৱা ২০২০-২১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰসাধাৰণ নিৰ্বাচনত মই তৰ্ক আৰু সাহিত্য সম্পাদিকা পদত প্ৰাৰ্থীত্ব আগবঢ়াই সেই পদবীটোক ম এিবছৰৰ বাবে আলংকৃত কৰিবলৈ ছাত্ৰ সমাজৰ পৰা ৰায়দান পাইছিলোঁ (ভোট আকাৰে)।

১ মাৰ্চ ২০২১ ইং তাৰিখে শপত গ্ৰহণ কৰি কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ কেইটিমান দিনৰ পিছত আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ বৰ্ষই ৰঙিয়া মহাবিদ্যালয়ৰ বাকৰিত ছাত্ৰ সমাজৰ সন্মুখত পোন প্ৰথমবাৰৰ বাবে "বসন্ত উৎসৱ" নামে এটি আনন্দৰ উৎসৱ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সমাজক চিনাকি কৰাই দিওঁ। য'ত আমি মোৰ তৰ্ক আৰু সাহিত্য সম্পাদিকাৰ দায়িত্ব সম্পূৰ্ণৰূপে কাৰ্যত ৰূপায়িত কৰিবলৈ পাওঁ। প্ৰথম কাৰ্য্য হিচাপে ১৩ এপ্ৰিল ২০২১ ইং তাৰিখে অনুষ্ঠিত হোৱা "বসন্ত উৎসৱ"ত মই তৰ্ক আৰু সাহিত্য বিভাগৰ পৰা বিভিন্ন ভাযাত চিঠি লিখন প্ৰতিযোগিতা আয়োজন কৰোঁ। এই প্ৰতিযোগীতাত বিজয়ী প্ৰতিযোগীসকলক এখন মানপত্ৰ আৰু কিতাপেৰে পুৰস্কৃত কৰা হয়।

যিহেতু গোটেই ভাৰতবৰ্ষত কোভিদোত্তৰ সময়ছোৱা সম্পূৰ্ণৰূপে অতিক্ৰম হোৱা নাছিল সেয়েহে আমাৰ বসন্ত উৎসৱ পিছ মুহূৰ্ততে অসম চৰকাৰে কোভিড সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি পুনৰবাৰ তলাবন্ধৰ ঘোষণা কৰিলে তাৰ ফলশ্ৰুতিত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সমাজে অনাহুক দিনবোৰত একো প্ৰতিযোগিতা বা অনুষ্ঠান পাবলৈ সক্ষম নহ'ল যদিওবা মই অতি আগ্ৰহেৰে অনলাইন মাধ্যমেৰে বহুতো প্ৰতিযোগিতা পাতিবলৈ প্ৰচেষ্টা চলাওঁ। তাৰে উল্লেখযোগ্যভাবে ২৭ যে ২০২১ ইং তাৰিখে তৰ্ক আৰু সাহিত্য বিভাগ আৰু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰী আৱাসৰ যুটীয়া প্ৰচেষ্টাত "অনলাইন কৱিতা লিখন প্ৰতিযোগিতা" অনুষ্ঠিত কৰা হয় আৰু কবিতাসমূহজমা দিয়াৰ কাৰণে মুঠ ১৬ দিন অৰ্থাৎ ১২ জুন ২০২১ ইং তাৰিখলৈ সময় ধৰি দিয়া হয়। উপযুক্ত সময়ত বিজয়ী প্ৰতিযোগীৰ নাম ঘোষণা কৰি তেওঁলোকৰ মানপত্ৰ আৰু বিজয়ী অনাকাৰস্বৰূপ কিতাপ আদি মহাবিদ্যালয় খোল খোৱাৰ পিছত দিয়াৰ ব্যৱস্থা কৰা হয়।

তাৰ পৰৱৰ্তী সময়ত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সমাজক এটি বিষয় চিনাকি কৰি দিয়াৰ মোৰ হাবিয়াস জন্মিছিল সেইটো হ'ল "তৰ্ক কৰ্মশালা"। ইয়াত প্ৰতি লক্ষ্য ৰাখি কোভিদোত্তৰ কালছোৱাত ১৮ জুলাই ২০২১ ইং তাৰিখে মই অনলাইনযোগে এপৰ জৰিয়তে উচ্চতৰ মাধ্যমিকৰ পৰা আৰম্ভ কৰি স্নাতক শাখালৈকে "তৰ্ক কৰ্মশালা"ৰ আয়োজন কৰোঁ। এই তৰ্ক কৰ্মশালাত প্ৰশিক্ষকৰূপে উপস্থিত থাকে শ্ৰদ্ধাৰ প্ৰিয়ংকু হাজৰিকা ছাৰ আৰু বিশিষ্ট অতিথি তথা দৰ্শকৰূপে উপস্থিত থাকে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় লগতে আন আন অধ্যাপক-অধ্যাপিকাসকল আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল। এই কৰ্মশালাত অংশগ্ৰহণ কৰা সকলো ছাত্ৰ-ছাত্ৰীকে এখনকৈ E-Certificate (অনলাইন মানপত্ৰ) প্ৰদান কৰা হয়।





এইবেলি মোৰ কাৰ্য্যকালত সকলোতকৈ প্ৰতিশ্ৰুতি আৰু প্ৰতিবাদীমূলক কাৰ্য্য হৈ পৰিছিল প্ৰতিবছৰে ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ঐতিহ্যমণ্ডিত "স্বৰ্গীয় সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা।" এইকাৰণেই মোৰ বাবে অতি প্ৰতিবাদীমূলক হৈ পৰিছিল কিয়নো যোৱা দুটি বছৰত ৰঙিয়া মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত হোৱা তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত নহ'ল। তাৰ ফলশ্ৰুতিত মই অতি আগ্ৰহেৰে মহাবিদ্যলয়ৰ ঐতিহ্যমণ্ডিত "স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"খনি অনুষ্ঠিত কৰাৰ কাৰণে এটি এটি খোজ আগবঢ়াই প্ৰচেষ্টা চলাও। লগতে এইটো মোৰ বাবে এই কাৰণেও প্ৰতিবাদীমূলক আছিল কিয়নো কোভিদোত্তৰ কালছোৱা এতিয়াও সম্পূৰ্ণৰূপে শেষ হোৱা নাছিল। কিন্তু অৱশেষত কিছু সময়ৰ কাৰণে হ'লেও কোভিদোত্তৰ কালছোৱা হৰিলে আৰু আমি জিটিলো অৰ্থাৎ অসমৰ চৰকাৰে কিছুদিনৰ কাৰণে তলাবন্ধ খুলি দিলে। সেই সুযোগতে ২৫ নৱেম্বৰ ২০২১ ইং তাৰিখে ৰঙিয়া মহাবিদ্যালয়ত দুবছৰৰ পাতি লৈ সক্ষম নোহোৱা ঐতিহ্যমণ্ডিত "স্বৰ্গীয় সিদ্ধি নাথ শৰ্ম্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"খন অনুষ্ঠিত কৰা হয় আৰু ইয়াৰ বিষয় আছিল "ভাৰতবৰ্ষৰ নতুন শিক্ষানীতিয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত এক বৈপ্লৱিক পৰিৱৰ্তন আনিব।" এই প্ৰতিযোগিতাখনিত নিৰ্দিষ্ট বক্তাৰূপেআসন গ্ৰহণ কৰে শ্ৰদ্ধাৰ দিগন্ত বিশ্ব শৰ্মা ছাৰ আৰু বিচাৰকৰূপে আসন শুৱনি কৰে ড০ জিণ্টু বুঢ়াগোহাই ছাৰ আৰু প্ৰিয়াকু হাজৰিকা ছাৰে। উক্ত প্ৰতিযোগিতাখনিত অসমৰ উল্লেখযোগ্য বিখ্যাত বিশ্ববিদ্যালয় যেনে ডিব্ৰুগড় বিশ্ববিদ্যালয়, গুৱাহাটী বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়কে আদি কৰি বহুকেইখন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই প্ৰতিযোগিতাখনিত বিজয়ী প্ৰতিযোগীসকলক তেওঁলোকৰ মানপত্ৰ, এটি শকত পৰিমাণৰ ধনৰ টোপোলা আৰু বঁটাৰে পুৰস্কৃত কৰা হয় আৰু অংশগ্ৰহণকাৰী প্ৰতিজন ছাত্ৰ-ছাত্ৰীক একোখনকৈ অংশগ্ৰহণ কৰা মানপত্ৰ (Participant Certificate) প্ৰদান কৰা হয়। এনেদৰে মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ঐতিহ্যমণ্ডিত "স্বৰ্গীয় সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা"খন এটি উৎসৱৰ ৰূপ লৈ সমাপন হয়।

অৱশেষত কাৰ্য্যকালৰ অন্তত মই মোৰ বিষয়বাবৰ নিৰ্ধাৰিত বাজেটমৰ্মে শিতানত থকা কিছুসংখ্যক ধনেৰে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী আৱাসত দুখন দাপোনৰ যোগান ধৰোঁ।

এনেদৰেই মহাবিদ্যালয়ৰ ছাত্ৰ সমাজৰ মাজদত বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰি সাহিত্যৰ জগতখনত এক নতুন উদ্যম, মনোবল, আগ্ৰহেৰে ভৱিষ্যত প্ৰজন্মক অধিক শক্তি প্ৰদান কৰি এক উন্নয়নৰ দিশত আগবঢ়াই নিয়াৰ বাবে প্ৰয়াস কৰিছোঁ।

অৱশেষত মোৰ প্ৰতিটো কাৰ্য্যতে সহমত প্ৰদান কৰি মনত সাহস আৰু মনোবলৰ সঞ্চাৰ কৰি দিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক আৰু মোৰ তত্ত্বাৱধায়ক মহোদয়ক শেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ভাৰতবৰ্ষক মৱপ্ৰজন্মৰ দেশ বুলি কোৱা হয়। এনে দেশ এখনত নৱপ্ৰজন্ম অথবা এজন ছাত্ৰ হিচাপে নিজৰ ভূমিকা সমাজ গঠনত, সমাজৰ প্ৰতিটো স্তৰত অপৰিসীম। সমাজে ছাত্ৰৰ এনেকুৱা ভূমিকাৰ বিষয়ে চিনাকি কৰাই দি সমাপিত ক্ষেত্ৰ এখনত নিজৰ দায়িত্বক প্ৰতিবিম্ব স্বৰূপ কৰি বজাই তোলাত মোৰ মাৰ্গদজৰ্শক হোৱাৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ওচৰত মই চিৰঋণী হৈ ৰ'ম। লগতে মোৰ প্ৰতিটো কাৰ্যসূচীতে মোৰ লগত কান্ধত কান্ধ মিলাই, খোজত খোজ মিলাই সহায়ৰ হাত আগবঢ়োৱা প্ৰতিজন সন্মানীয় অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰীবৃন্দ, বন্ধু-বান্ধৱী, ভাতৃ-ভগ্নী সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নয়ন আৰু বিকাশৰ কামনা কৰি আৰু অজানিতে হোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা-প্ৰাৰ্থনা মাগি প্ৰতিবেদনৰ অন্ত পেলাইছো। ইতি—

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা'



# बोसोरारि दुंफोरथि

निसाराणी बर'
समाज सिबियारि नेहाथारि

गिबियावनो जायफोर बिर जोहोलाव जोहोलावजो बिथांमोना गावनि हादर, राव-हारिमु थुनलाइखौ रैखा खालामना गावनि बेसेन गोसा जिउखौ बाउलांबाय, बिथांमोननि सिम आं साबायखर बाउहरग्रोनाय जाबाय आरो लोगोसेनो आंखौ 2020-21 इं मायथायनि रङिया फरायसालिमानि (Rangia College) फरायसा खौसे साफादनि (RCSU) बिसायखथिसाव समाज सिबि नेहाथारि बिबान (Social Service Secretary) आव आंखौ सायखनानै खामानि मावनो खाबु होनायनि थाखाय आं गासैबो फरायसा लोगो बिथांमोननिसिम आंनि गोसो गोरबोनिफ्राय साबायखर बावहरनाय जाबाय।

आं आँनि बोसोरारि लिरबिदां (Annual Report) खौ गाहायाव फारियै लिरलांनाय जाबाय-

1) मुलुगनां आबहावा सान (World Environemntal Day) 5 जुन, 2021 इं खालार खालि Online Painting हाबाफारि खुंनाय जादोंमोन।

2) 24 जुलाई, 2021 इं खालार खालि रङिया फरायसालिमानि जालुकबारि खाथियाव थानाय लोंग्रा दै जगायग्रानि इन्जुरआव सावगारि आखिनाय (Wall painting) जादोंमोन।

3) On 4th December 2021 College campus cleaning purpose was done by NSS, Rangia College Unit, and Secretary Social Service Rangia College Student Union.

4) फरायसालिमायाव (College) थानाय बायदि दफांफोराव सुनै आरो गाब फु-दोंमोन आरो फरायसालिमायाव जाबोर-जुथुर ज-जाना थानायफोरखौ सिबनानै फरायसालिमाखौ साखोन-सिखोन खालामदोंमोन।

5) 3 जानुवारि 2022 इं खालार खालि रङिया फरायसालियबो College Freshers नि थाखाय Safai Abhiyan हाबाफारि खुंनाय जादोंमोन।

6) 20 जानुवारि, 2022 इं खालार खालि दाखोर दाला गारनो थखाय ग बा (5) Dustbin बायनाय जायो।

College नि मोनफ्रोमबो Events फोरखौ सामलाय नायाव हेफाजाब होनाय Social Service Secretary नि Incharge बिथां Dr. Guddu Prasad Basumatary Sir, आरो Safai Abhiyan नि हाबाफारियाव NSS नि Incharge बिथां Dr. Guddu Prasad Basumatary Sir, आरो बिथांनि हानजा लोगोसे नो बारग (Ex) Social Service Secretary Miss Bhanu Boro, बारग (Ex) Minor Games & Sports Secretary Jitraj Gura Brahma, boys Common Room Secretary Nobel Boro, Funkha Swarang Boro, Pranab Brahma बिथां मोना थोजासे हेफाजाब होदोंमोन। जायनि थाखाय आं बिथांमोननिसिम आँनि सिबिनाय खुलुमनायखौ बावहरनाय जाबाय आरो बिथांमोननि हेफाजाब आरो अननायखौ आं बावना थांनो हानाय नङा।

रङिया फरायसालिमा (Rangia College) नि केरानि बिथां Anup Deka Sir निसिमबो नांगौ जानाय थि समावनो Fund Release खालामना होनायनि थाखाय हाजासे सिबिनाय आरो साबायखर थाबाय।

जोबथारनायाव, Rangia College Student Union (RCSU) 2020-21 नि गासै बिबानगिरि बिथांमोन मानगोनां Principal Sir बिथां Dr. Brajendra Saikia, आंनिनो Incharge बिथां Dr. Guddu Prasad Basumatary, फरायसालिमानि गासैबो Teaching/Non-Teaching Staff, Office Staff आरो Senior/Juinor गासैबो फरायसुला फरायसुलि बिथांमोननि सिम फिन खेबसेबाव गासैनोबो आंनि अननाय सिबिनायखौ बावहरनानै आरो आंनि खायसे जाबोनाय गोरोन्थिनि थाखाय निमाहा बिना आंनि बोसोरारि लिरबिदांखौ एसेआवनो फोजोबनाय जाबाय। □□□







# ছাত্ৰ জিৰণিকোঠা সম্পাদকৰ প্ৰতিবেদন

অৰুণ বড়ো
সম্পাদক, ছাত্ৰ জিৰণি কোঠা

প্ৰতিবেদনৰ পাতনিতে ৰঙিয়া ঐতিহ্যপূৰ্ণ ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ। লগতে মোক ২০২০-২১ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে নিৰ্বাচন কৰা মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীকে তথা পৰিয়াললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে সকলোৰে জ্ঞাত ৰঙিয়া মহাবিদ্যালয়। ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠা সম্পাদক হিচাপে দায়িত্ব ভাগ পালন কৰিবলৈ পাই মই সঁচাকৈ আনন্দিত হৈছো। মই মোৰ কাৰ্যকালত ২০২০-২১ বৰ্ষত কৰোনা মহামাৰী সময়ত মহাবিদ্যালয় বন্ধ হোৱাৰ বাবে মনে বিচৰা ধৰণে বহুতো কাম কৰিব পৰা নগ'ল তাৰ মাজতো মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাত অভাৱ হৈ থকা টেবুলৰ যোগান ধৰি দিয়া হয়। আৰু ছাত্ৰ জিৰণি কোঠাখনৰ বেৰখন লেতেৰা হৈ থকা বাবে মনোমোহা কৰিবলৈ ধুনীয়া ধুনীয়া চিত্ৰাংকন বেৰত অংকন কৰা হয়। প্ৰতিগৰাকী চিত্ৰাংকন কৰা প্ৰতিযোগী সকলক পুৰস্কাৰ প্ৰদান কৰা হয় লগতে প্ৰথম, দ্বিতীয় আৰু তৃতীয় ধৰণে পুৰস্কাৰও প্ৰদান কৰা হয়। মই মোৰ কাৰ্যকালত মোৰ দায়িত্ব সমূহ পালন কৰোঁতে কেতিয়াবা অজানিতে কৰা ভূল-ত্ৰুটি হ'ব পাৰে বাবে মই মহাবিদ্যালয়ৰ সমূহ পৰিয়ালৰ ওপৰত ক্ষমা বিচাৰিছোঁ।

মোৰ কাৰ্যকালত ছাত্ৰ জিৰণি কোঠাৰ তত্ত্বাৱধায়কৰ দায়িত্বত থকা মাননীয় শ্ৰীগগণা কুমাৰ ডেকা ছাৰক লগতে মোৰ সকলো শুভাকাংক্ষীক মোৰ ফালৰ পৰা অৱশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

শেষত ৰঙিয়া মহাবিদ্যালয়ৰ লগতে মোৰ সকলো শুভাকাংক্ষীৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা'

□□□

# ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



**দীপ্তি বড়ো**
সমাজসেৱা সম্পাদিকা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা ২০২০-২১

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে দেশৰ স্বাধীনতাৰ বাবে আৰু অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ হকে আত্ম বলিদান দি শ্বহীদ ৰূপে বিভূষিত হৈছে সেইসকল অমৰৰ লগতে যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম চেষ্টা আৰু ত্যাগৰ বিনিময়ত ৰঙিয়া মহাবিদ্যালয়ত জ্ঞানৰ অক্ষয় বন্তিগচি আজিও জ্বলি আছে সেই সকল মহান ব্যক্তিলৈও মই স-শ্ৰদ্ধ প্ৰণিপাত জনাইছো।

পোন প্ৰথমে মই কৃতজ্ঞতাৰে সোঁৱৰিছো যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক ২০২০-২১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা ৰূপে নিৰ্বাচিত কৰি দায়িত্ব লোৱাৰ সুযোগ কণ দিলে।

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই মই ছাত্ৰী জিৰণি কোঠাটো সদায় পৰিস্কাৰকৈ ৰাখিবলৈ সম্পূৰ্ণ চেষ্টা কৰিছিলোঁ। ২০২১ বৰ্ষৰ জুলাই মাহৰ ৯ তাৰিখে ছাত্ৰী জিৰণি কোঠাত এখন দেৱাল অংকণ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। লগতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলে বিগত দুবছৰ ধৰি সন্মুখীন হোৱা অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ২০২২ বৰ্ষৰ ২১ মাৰ্চ তাৰিখে ছাত্ৰী জিৰণিকোঠাত পেড মেচিন এটি উপহাৰ দিছিলো।

'জয়তু ৰঙিয়া মহাবিদ্যালয়'
'জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থা'

□□□





# গৌৰৱৰ এপল




**সুমিত সৰকাৰ, পঞ্চম ষান্মাসিক, ৰসায়ন বিভাগ**

তেওঁ ৰাষ্ট্ৰীয় পৰ্যায়ত **Association of Chemistry Teachers (ACT), North East Zone**ৰ দ্বাৰা অনুষ্ঠিত স্নাতক পৰ্যায়ৰ মৌখিক উপস্থাপন অনুষ্ঠান **'Appreciation of Research Papers (Aorp-21)'** শ্ৰেষ্ঠ উপস্থাপকৰূপে সন্মান আজুৰিবলৈ সক্ষমিত হয়।

## ২০২০-২১ বৰ্ষত ডক্টৰেট ডিগ্ৰী লাভ কৰা ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাবৃন্দ



ড° টিনা শৰ্মা
সংস্কৃত



ড° ভানুপ্ৰভা ব্ৰহ্ম
ৰাজনীতি বিজ্ঞান



ড° ভনিতা ডেকা
শিক্ষা

# ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰঙ্গণ'লৈ সেৱা আগবঢ়োৱা সম্পাদকসৱ (১৯৬৬-৬৭ৰ পৰা ২০২০-২০২১লৈ)

| | | |
|---|---|---|
| ১। | পৰমেশ শৰ্মা | ১৯৬৬-১৯৬৭ |
| ২। | বিভবা দত্ত | ১৯৬৭-১৯৬৮ |
| ৩। | বানেশ্বৰ শৰ্মা | ১৯৬৯-১৯৭০ |
| ৪। | ৰূপচাঁদ আলী | ১৯৭১-১৯৭২ |
| ৫। | ৰমেশ মহন্ত | ১৯৭৩-১৯৭৪ |
| ৬। | ভূপেন কাকতি | ১৯৭৪-১৯৭৫ |
| ৭। | প্ৰতুল কুমাৰ শৰ্মা | ১৯৭৫-১৯৭৬ |
| ৮। | বদন চন্দ্ৰ শৰ্মা | ১৯৭৬-১৯৭৭ |
| ৯। | বিৰেন শৰ্মা | ১৯৭৭-১৯৭৮ |
| ১০। | কন্দৰ্প কুমাৰ কলিতা | ১৯৭৮-১৯৭৯ |
| ১১। | সঞ্জীৱ কলিতা | ১৯৭৯-১৯৮১ |
| ১২। | খগেন চন্দ্ৰ ডেকা | ১৯৮২-১৯৮৩ |
| ১৩। | মনোৰঞ্জন গোস্বামী | ১৯৮৩-১৯৮৪ |
| ১৪। | সীমান্ত শালৈ | ১৯৮৪-১৯৮৫ |
| ১৫। | জ্যোতিৰ্ময় কলিতা | ১৯৮৫-১৯৮৬ |
| ১৬। | মুকুতানন্দ ভট্টাচাৰ্য্য | ১৯৮৬-১৯৮৭ |
| ১৭। | দশৰথ কলিতা | ১৯৮৭-১৯৮৮ |
| ১৮। | তপন কোঁৱৰ | ১৯৮৯-১৯৯০ |
| ১৯। | বাবুল বৈশ্য | ১৯৯১-১৯৯২ |
| ২০। | দিলীপ ডেকা | ১৯৯২-১৯৯৩ |
| ২১। | আতাউৰ ৰহমান | ১৯৯৩-১৯৯৪ |
| ২২। | হেমন্ত দাস | ১৯৯৪-১৯৯৫ |
| ২৩। | দিগন্ত শালৈ | ১৯৯৫-১৯৯৬ |
| ২৪। | দুদুল ডেকা | ১৯৯৬-১৯৯৭ |
| ২৫। | ৰিপুল চন্দ্ৰ ডেকা | ১৯৯৭-১৯৯৮ |
| ২৬। | অঞ্জু লহকৰ | ১৯৯৮-১৯৯৯ |
| ২৭। | ৰাজীৱ মহন্ত | ১৯৯৯-২০০০ |
| ২৮। | পঙ্কজ ডেকা | ২০০০-২০০১ |
| ২৯। | প্ৰকাশ কলিতা | ২০০১-২০০২ |
| ৩০। | মমিতা বেগম | ২০০২-২০০৩ |
| ৩১। | মমিতা বেগম | ২০০৩-২০০৪ |
| ৩২। | অপ্ৰকাশিত | ২০০৪-২০০৫ |
| ৩৩। | দ্বিপেন বসুমতাৰী | ২০০৫-২০০৬ |
| ৩৪। | প্ৰাঞ্জন বসুমতাৰী | ২০০৬-২০০৭ |
| ৩৫। | সিদ্ধাৰ্থ শংকৰ নাথ | ২০০৭-২০০৮ |
| ৩৬। | ছাহাবুদ্দিন আহমেদ | ২০০৮-২০০৯ |
| ৩৭। | তউফিকুৰ ৰহমান | ২০০৯-২০১০ |
| ৩৮। | ৰূপম বড়ো | ২০১০-২০১১ |
| ৩৯। | মৃদুল কুমাৰ | ২০১১-২০১২ |
| ৪০। | নীলকমল বড়ো | ২০১২-২০১৩ |
| ৪১। | অকন বড়ো | ২০১৩-২০১৪ |
| ৪২। | মৃন্ময় কুমাৰ ডেকা | ২০১৪-২০১৫ |
| ৪৩। | সমুদ্ৰগুপ্ত কাশ্যপম | ২০১৫-২০১৬ |
| ৪৪। | হৰেশ্বৰ বড়ো | ২০১৬-২০১৭ |
| ৪৫। | দেৰহাচাৰ বড়ো | ২০১৭-২০১৮ |
| ৪৬। | থুলুংগা বড়ো | ২০১৮-২০১৯ |
| ৪৭। | বৰ্ণালী ডেকা | ২০১৯-২০২০ |
| ৪৮। | হৃষিকেশ কলিতা | ২০২০-২০২১ |

□□□



"হেৰ' বিপ্লৱী বিদ্ৰোহী বীৰ।
তোল তোৰ অৱনত শিৰ
অতদিনে তই কিয় আছিলি পৰ পদানত
নিৰ্য্যাতিত নিপীড়িত দলিত পতিত।
নতুন যুগত তই জাগ্ৰত।"

—বিষ্ণু প্ৰসাদ ৰাভা

"মোৰ গানত জ্বলে শত যুগৰ কত অভিমান,
মোৰ গানে বিচাৰে চিৰ দুখীয়াৰ চিৰ পৰিত্ৰাণ।"

— জ্যোতিপ্ৰসাদ আগৰৱালা





'ৰেণুকা'

বাটৰ দুৱৰিবন গছকত পৰা,
তাৰো এটি পাতে দিয়ে স্বৰ্গৰ বতৰা।

—লক্ষ্মীনাথ বেজবৰুৱা

"কলঘৰৰ ক'লা ধোৱাই এদিন আকাশত বিজুলী জ্বলাব,
ৰাস্তাৰ কাষৰ এইজাক ল'ৰাই জীৱনৰ বাটে-বাটে ফুল ফুলাব,
ব্যাধিগ্ৰস্ত এই নগৰে এদিন আকাশলৈ মূৰ তুলি চাব ঃ
আকাশ ইমান বহল!
দ' কৈ উশাহ লৈ ক'ব ঃ
বতাহ ইমান কোমল!!"

—হীৰেন ভট্টাচাৰ্য





*"The true revolutionary is guided by a great feeling of love."*

– 'Che' Guevara



# সম্পাদনা সমিতি, ৰঙ্গণ ২০২০-২১



ড° ৰজেন্দ্ৰ শইকীয়া
মুখ্য উপদেষ্টা



ড° সাৰংগপানি শইকীয়া
উপদেষ্টা



ড° ৰুজাব মুছাহাৰী
তত্বাৱধায়ক



হৃষিকেশ কলিতা
সম্পাদক



ড° দীনেশ লহকৰ
সদস্য



ড° বিজুলী চক্ৰৱৰ্তী
সদস্যা



হেমেন দাস
সদস্য



ধৃতিস্মিতা কলিতা
সদস্যা



হৰ্ষণ কাশ্যপ
সদস্য



চৈয়দা তাবাচ্ছুম আনিছা
সদস্যা



অৰিনাশ চক্ৰৱৰ্তী
সদস্য



অনুপ কুমাৰ ডেকা
কাৰ্যালয় সদস্য

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ চনৰ আলোচনী সম্পাদক (হৃষিকেশ কলিতা)ৰ দ্বাৰা আয়োজিত আন্তঃ বিভাগীয় হাতে লেখা আলোচনী প্ৰতিযোগিতাত প্ৰাপ্ত আলোচনীসমূহ



শিক্ষা বিভাগৰ হাতে লেখা আলোচনী 'আৰোহণ'
(প্ৰথম পুৰস্কাৰপ্ৰাপ্ত)



অৰ্থনীতি বিভাগৰ হাতে লেখা আলোচনী 'অৰ্থ বিচিত্ৰা'
(দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত)



সংস্কৃত বিভাগৰ হাতে লেখা আলোচনী
'স্ৰোতস্বিনী'



উদ্ভিদ বিজ্ঞান বিভাগৰ হাতে লেখা আলোচনী
'বটানিকা'


বাণিজ্য বিভাগৰ হাতে লেখা আলোচনী
'বাণিজ্য লখিমী'



ভূগোল বিভাগৰ হাতে লেখা আলোচনী
'কাঁচিয়লি'

## ৰঙিয়া মহাবিদ্যালয়ৰ দেৱালসমূহ শোভিত কৰা প্ৰাচীৰ পত্ৰিকা সমগ্ৰ


ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ
প্ৰাচীৰ পত্ৰিকা 'আৰাধনা'



ৰঙিয়া মহাবিদ্যালয় গ্ৰন্থাগাৰৰ
প্ৰাচীৰ পত্ৰিকা 'বাঁহী' (প্ৰথম সংখ্যা, ২০২০-২১)


ৰঙিয়া মহাবিদ্যালয় সংস্কৃত বিভাগৰ
প্ৰাচীৰ পত্ৰিকা 'ইন্দ্ৰনীল'
(ৰঙিয়া মহাবিদ্যালয়ত প্ৰকাশিত প্ৰথমখন
প্ৰাচীৰ পত্ৰিকা)


ৰঙিয়া মহাবিদ্যালয় বাণিজ্য বিভাগৰ
প্ৰাচীৰ পত্ৰিকা 'বাণিজ্য লখিমী'



ৰঙিয়া মহাবিদ্যালয় উদ্ভিদ বিজ্ঞান বিভাগৰ
প্ৰাচীৰ পত্ৰিকা 'ডেলৰিন'



ৰঙিয়া মহাবিদ্যালয় বি চি এ বিভাগৰ
প্ৰাচীৰ পত্ৰিকা


ৰঙিয়া মহাবিদ্যালয় অসমীয়া বিভাগৰ
প্ৰাচীৰ পত্ৰিকা 'অসমী'


ৰঙিয়া মহাবিদ্যালয় বড়ো বিভাগৰ
প্ৰাচীৰ পত্ৰিকা 'দৈমু'












ৰঙিয়া মহাবিদ্যালয় ছাত্র সন্থা ২০২০-২১ৰ কৰ্মাঞ্জলি










# ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ কৰ্মাঞ্জলি











ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ কৰ্মাঞ্জলি










# ৰঙিয়া মহাবিদ্যালয়ৰ ভিন্ন গোটৰ বিভিন্ন কৰ্ম

























# ৰঙিয়া মহাবিদ্যালয়ৰ ভিন্ন গোটৰ বিভিন্ন কৰ্ম





















# ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা ২০২০-২১ৰ বিষয়ববীয়াসৱ



বাওঁফালৰ পৰা ক্ৰমে– অৰণ বড়ো (ছাত্ৰ জিৰণীকোঠা সম্পাদক), প্ৰশান্ত ৰামচিয়াৰী (সাংস্কৃতিক সম্পাদক), হৃষিকেশ কলিতা (আলোচনী সম্পাদক), মানস প্ৰতীম কলিতা (সাধাৰণ সম্পাদক), নীলাক্ষি শৰ্মা (সভানেত্ৰী), অৰ্জুন আচাৰ্য্য (উপ-সভাপতি), চিন্তম শৰ্মা (সহঃ সাধাৰণ সম্পাদক), জিনি ৰাভা (তৰ্ক আৰু সাহিত্য সম্পাদিকা), নিশাৰাণী বড়ো (সমাজসেৱা সম্পাদিকা), হিমশেখৰ উজীৰ (লঘু খেল সম্পাদক), দিপ্তী বড়ো (ছাত্ৰী জিৰণীকোঠা সম্পাদিকা)



দৃশ্যত– ৰঙিয়া মহাবিদ্যালয়ৰ পুখুৰীৰ পাৰৰ পৰা ৰঙিয়া মহাবিদ্যালয় কেণ্টিনমুখী এক দৃশ্যাংশ
মানসপ্ৰতীম কলিতাৰ তুলিকাত